www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনটোও একপ্ৰকাৰৰ পৰ্বত আৰোহণ। অসীম দুখ-কষ্ট আৰু দুৰ্লংঘ বাধা আছে বাবেই সি ৰোমাঞ্চকৰ। - হোমেন বৰগোহাঞি

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ৩৩৮ | শুকুৰবাৰ | ১৬ অক্টোবৰ, ২০২৬ চন | Volume/Year- I | Issue- 338 | Thursday | 16th October, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

## আজি ষষ্ঠী

▪ ঢাকৰ শব্দ আৰু শঙ্খৰ ধ্বনিয়ে মুখৰিত হ'ব চৌদিশ ▪

# বেল বৰণেৰে বেদীত স্থাপন হ'ব দেৱী দুৰ্গা

### আধ্যাত্মিকতা আৰু উচ্ছাহেৰে ৰাজ্যজুৰি দুৰ্গাপূজা উদযাপনৰ ব্যাপক প্ৰস্তুতি

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৫ অক্টোবৰ ঃ** আজি মহা ষষ্ঠী। অশুভ শক্তিক পৰাজিত কৰি শুভ শক্তিৰ প্ৰতিষ্ঠাৰ প্ৰতীক ৰূপত জগতজননী দেৱী দুৰ্গাক আদৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে সমগ্ৰ ৰাজ্য। মহালয়াৰ পৰাই আৰম্ভ হোৱা পূজাৰ উচাহে ক্ৰমান্বয়ে ৰাজ্যবাসীক এক আধ্যাত্মিক পৰিৱেশৰ মাজলৈ লৈ গৈছে। শৰৎকালৰ আকাশ-বতাহ এতিয়া শেৱালিৰ সুবাসেৰে সুবাসিত, যাৰ লগে লগে ❑ ৬ পৃষ্ঠাত



### নৱৰাত্ৰিৰ স্কন্দমাতাৰ পূজাৰ দিনত চাহ বাগিচাৰ মাতৃত্বক সন্মান জনালে মুখ্যমন্ত্ৰীয়ে

**গৰ্ভৱতী চাহ শ্ৰমিকৰ মজুৰি ক্ষতিপূৰণ আঁচনিত ১.৩ লাখৰো অধিক মহিলা উপকৃত**

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৫ অক্টোবৰ ঃ** দেশজুৰি নৱৰাত্ৰি উৎসৱ চলি থকাৰ মাজতে বৃহস্পতিবাৰে পালন কৰা হৈছে নৱৰাত্ৰিৰ পঞ্চম দিন। এই দিনটোত হিন্দু ধৰ্মাৱলম্বীসকলে স্কন্দমাতাৰ পূজা-অৰ্চনা কৰে। স্কন্দমাতা হৈছে দেৱী দুৰ্গাৰ এক ৰূপ, যাক কাৰ্তিকৰ মাতৃ হিচাপে পূজা কৰা হয়। ❑ ৬ পৃষ্ঠাত

**NDMCৰ নিৰ্দেশত ১৬-১৭ অক্টোবৰলৈ পাৰ্ক বন্ধ**

### চিজেপিৰ ত্ৰিৰংগা পদযাত্ৰাৰ পূৰ্বেই বন্ধ চেণ্ট্ৰেল পাৰ্ক



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ অক্টোবৰ ঃ** দিল্লীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত প্ৰতিবাদ অব্যাহত থকাৰ মাজতে নতুন দিল্লী পৌৰ পৰিষদৰ (NDMC) এক সিদ্ধান্তই চৰ্চাৰ সৃষ্টি কৰিছে। কনৌট প্লেচৰ চেণ্ট্ৰেল পাৰ্ক ১৬ আৰু ১৭ অক্টোবৰলৈ বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। ১৫ অক্টোবৰত জাৰি কৰা এক জাননীত NDMC-এ প্ৰশাসনিক কাৰণত দুদিনৰ বাবে পাৰ্কখন বন্ধ ❑ ৬ পৃষ্ঠাত

▪ সংবাদ মাধ্যমৰ ওপৰত বাধা-ধমকিৰ অভিযোগ ▪

### ফাষ্টট্ৰেক আদালতত দ্বিতীয় দিনৰ বাবে হাজিৰ অমৃতপ্ৰভা মহন্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ অক্টোবৰ ঃ** হাফলংৰ পৰা প্ৰাপ্ত বাতৰি অনুসৰি, জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত অভিযুক্ত অমৃতপ্ৰভা মহন্তই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভ কৰিছে। জামিনৰ আদেশৰ পিছত তেওঁ হাফলং উপ-কাৰাগাৰৰ পৰা মুকলি হৈছে। কিন্তু কাৰাগাৰৰ পৰা ওলাই অহাৰ পিছতো তেওঁৰ আইনী জটিলতা আৰু প্ৰত্যাহ্বান সম্পূৰ্ণৰূপে শেষ হোৱা নাই। ইফালে, আজি দ্বিতীয় দিনৰ বাবে ❑ ৬ পৃষ্ঠাত



**'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনিৰ সাহায্য মুকলি**

### ৰাজ্যৰ ৫.৪২ লাখ শিক্ষাৰ্থীলৈ ৫৮.৫৯ কোটি টকা বিতৰণ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ অক্টোবৰ ঃ** দুৰ্গা পূজা উপলক্ষ্যে ৰাজ্যৰ শিক্ষাৰ্থীসকললৈ উপহাৰ আগবঢ়াইছে ৰাজ্য চৰকাৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তঃৰাষ্ট্ৰীয় কলা মন্দিৰত আয়োজিত এক বিশেষ অনুষ্ঠানত 'মুখ্যমন্ত্ৰী নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনিৰ ❑ ৭ পৃষ্ঠাত

**ৰাহুল গান্ধী আৰু INDIA মিত্ৰজোঁটৰ আবেদন গ্ৰহণ**

### SIR গোচৰত নিৰ্বাচন আয়োগলৈ উচ্চতম ন্যায়ালয়ৰ জাননী

**নেশ্যনেল ডেস্ক, ১৫ অক্টোবৰ ঃ** দেশৰ ভোটাৰ তালিকাৰ বিশেষ নিবি সংশোধন (SIR) প্ৰক্ৰিয়াত ব্যাপক অনিয়ম আৰু নিয়ম-



বহিৰ্ভূতভাৱে ভোটাৰৰ নাম কৰ্তন কৰাৰ অভিযোগ তুলি বিৰোধী মিত্ৰজোঁটে দাখিল কৰা আবেদনৰ ভিত্তিত উচ্চতম ন্যায়ালয়ে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী আৰু 'INDIA' মিত্ৰজোঁটৰ একাংশ শীৰ্ষ নেতাৰ আবেদনৰ শুনানি গ্ৰহণ কৰি সৰ্বোচ্চআদালতে ভাৰতীয় নিৰ্বাচন আয়োগ (ECI) আৰু মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ ❑ ৬ পৃষ্ঠাত

### গুৱাহাটীত আৰক্ষীৰ গুলীত দুই চিলনী চোৰ আহত; জিএমচিএইচত ভৰ্তি

**কাহিলীপাৰাৰ জনকপুৰত মহিলাৰ বেগ থপিয়াই নিয়া অভিযুক্তৰ বিৰুদ্ধে অভিযান**

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ অক্টোবৰ ঃ** গুৱাহাটী মহানগৰীত পুনৰ আৰক্ষীৰ গুলীচালনাৰ ঘটনা সংঘটিত হৈছে। এইবাৰ মহিলাৰ বেগ থপিয়াই নিয়া দুজন অভিযুক্ত চিলনী চোৰক লক্ষ্য কৰি আৰক্ষীয়ে গুলীচালনা কৰে। ইয়াৰ ফলত দুয়ো অভিযুক্ত গুলীবিদ্ধ হয়। আহত দুজনক গুৱাহাটী ❑ ৭ পৃষ্ঠাত

**ভিছা-ইমিগ্ৰেচন নিয়ম উলংঘনৰ কাৰণে মুম্বাই আৰক্ষীৰ কঠোৰ আইনী পদক্ষেপ**

### ইমৰান খানলৈ ২৮ অক্টোবৰৰ ভিতৰত ভাৰত ত্যাগৰ জাননী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ অক্টোবৰ ঃ** বলীউডৰ জনপ্ৰিয় অভিনেতা তথা ছুপাৰষ্টাৰ আমিৰ খানৰ ভতিজা ইমৰান খানৰ বিৰুদ্ধে মুম্বাই আৰক্ষীয়ে কঠোৰ



আইনী পদক্ষেপ গ্ৰহণ কৰিছে। শেহতীয়াকৈ আৰক্ষীয়ে অভিনেতাজনলৈ অহা চজ্জ্ব অক্টোবৰৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ আনুষ্ঠানিক জাননী জাৰি কৰিছে। মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ ❑ ৬ পৃষ্ঠাত

**সংবাদমেলত আৰক্ষীৰ বিৰুদ্ধে সাংবাদিকৰ ওপৰত আক্ৰমণৰ অভিযোগ**

### শুকুৰবাৰে দিল্লীৰ কনট প্লেচত চিজেপিৰ 'ত্ৰিৰংগা উৰুৱাও' পদযাত্ৰা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ অক্টোবৰ ঃ** ভোটাৰ তালিকাৰ পৰা নাম কৰ্তনৰ বিষয়ক লৈ দেশত প্ৰতিবাদ অব্যাহত আছে। ক'কৰোচ জনতা পাৰ্টীৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকে অভিযোগ কৰিছে যে নীতি-বহিৰ্ভূতভাৱে ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰি নিৰ্বাচনী ফলাফলত প্ৰভাৱ পেলোৱাৰ প্ৰয়াস চলোৱা হৈছে। ১৩ কোটিতকৈ ❑ ৬ পৃষ্ঠাত




**আমেৰিকাত হিন্দু মন্দিৰত আক্ৰমণৰ পৰিকল্পনা**

### ভাৰতীয়ক হত্যাৰ ভাবুকি দিয়া অভিযোগত ১৯ বছৰীয়া যুৱক গ্ৰেপ্তাৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ অক্টোবৰ ঃ** আমেৰিকাত এটা হিন্দু মন্দিৰত আক্ৰমণ চলাই ভাৰতীয় লোকক হত্যা কৰাৰ পৰিকল্পনা কৰাৰ অভিযোগত ১৯ বছৰীয়া এজন যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। চিকাগোৰ সমীপৰ এটা মন্দিৰক লক্ষ্য কৰি আক্ৰমণৰ পৰিকল্পনা কৰাৰ তথ্য পোহৰলৈ অহাৰ পিছতে আৰক্ষীয়ে এলেক্সাণ্ডাৰ্ছ পাপোৱাকিছ নামৰ যুৱকজনক গ্ৰেপ্তাৰ কৰে। ❑ ৬ পৃষ্ঠাত

### 'নিচামুক্ত ভাৰত'ৰ লক্ষ্যৰে ড্ৰাগছ নেটৱৰ্ক উৎখাতৰ সংকল্প

**অসম আৰক্ষীৰ অভিযানক প্ৰশংসা অমিত শ্বাহৰ**



**গুৱাহাটী, ১৫ অক্টোবৰ ঃ** অসমত ড্ৰাগছৰ অবৈধ সৰবৰাহ ৰোধ কৰিবলৈ আৰক্ষীয়ে ধাৰাবাহিক অভিযান চলাই আছে। এই অভিযানত লাভ কৰা সফলতাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু অসম আৰক্ষীক প্ৰশংসা কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। ৰাজ্যখনত ড্ৰাগছৰ বিৰুদ্ধে চলি থকা আৰক্ষীৰ পদক্ষেপে নিচাজাতীয় ❑ ৭ পৃষ্ঠাত

▪ প্ৰথম পৰ্যায়ত ১৪খন দেশৰ ভিছা-বায়'মেট্ৰিক সেৱা ▪

### গুৱাহাটীত উত্তৰ-পূব ভাৰতৰ প্ৰথমটো ভিছা আবেদন কেন্দ্ৰ উদ্বোধন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ অক্টোবৰ ঃ** অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীসকলৰ বাবে এক ডাঙৰ সুখবৰ। এতিয়াৰে পৰা ভিছা আবেদন বা বায়'মেট্ৰিক প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ উত্তৰ-পূবৰ লোকসকলে কলকাতা, দিল্লী বা মুম্বাইৰ দৰে দূৰৱৰ্তী চহৰলৈ যোৱাৰ প্ৰয়োজন নহ'ব। গুৱাহাটীৰ খানাপাৰাত উত্তৰ-পূব ভাৰতৰ প্ৰথমটো ভিছা আবেদন কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিশ্ববিখ্যাত ভিছা আউটচৰ্চিং প্ৰতিষ্ঠান ভিএফএছ গ্ল'বেলৰ দ্বাৰা এই অত্যাধুনিক কেন্দ্ৰটো পৰিচালিত হ'ব। এই কেন্দ্ৰৰ জৰিয়তে প্ৰথম পৰ্যায়ত যুক্তৰাজ্য, ফ্ৰান্স, জাপান, ইটালী, চুইজাৰলেণ্ড, অষ্ট্ৰিয়া, চাইপ্ৰাছ, চেক গণৰাজ্য, ইজিপ্ত, ইষ্টনিয়া, আয়াৰলেণ্ড, লাটভিয়া, ❑ ৬ পৃষ্ঠাত



**মন্ত্ৰী কেশৱ মহন্ত আৰু পীযুষ হাজৰিকাৰ সৈতে বৈঠকৰ অন্তত সিদ্ধান্ত**

### সাময়িকভাৱে স্থগিত অখিল গগৈৰ ১৪ দিনীয়া সত্যাগ্ৰহ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ অক্টোবৰ ঃ** ১৯ জুলাইৰ মহাপ্ৰলয়ত সৰ্বস্বান্ত হোৱা পৰিয়ালসমূহক ন্যায্য ক্ষতিপূৰণ প্ৰদান, বঞ্চিত বানপীড়িতক সাহায্য, প্ৰলয়ৰ কাৰণ বিচাৰি তদন্ত আৰু ক্ষতিগ্ৰস্ত পথ-ঘাট তথা আন্তঃগাঁথনিৰ পুনৰ নিৰ্মাণৰ দাবীত শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে চলাই অহা ১৪ দিনীয়া সত্যাগ্ৰহ আজি সাময়িকভাৱে স্থগিত কৰা হৈছে। এজন বিধায়ক হিচাপে অখিল গগৈয়ে সৰ্বমুঠ ৩১৬ ঘণ্টা ৩০ মিনিট একেৰাহে অসম বিধান সভাৰ মূল গেটৰ সন্মুখৰ লাইব্ৰেৰী ভৱনত সত্যাগ্ৰহত বহি এক অভিলেখ সৃষ্টি



কৰে। আজি ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী কেশৱ মহন্ত আৰু পীযুষ হাজৰিকাৰ সৈতে হোৱা গুৰুত্বপূৰ্ণ বৈঠকৰ অন্তত বিধায়কগৰাকীয়ে সত্যাগ্ৰহ স্থগিত ৰখাৰ সিদ্ধান্ত লয়। তেওঁ চৰকাৰৰ আশ্বাসতে সন্তুষ্ট হৈ আন্দোলনৰ চূড়ান্ত সামৰণি পৰা বুলি মানি ল'বলৈ অস্বীকাৰ কৰে। এয়া আন্দোলনৰ স্থগিতকৰণহে বুলি ঘোষণা কৰি অখিল গগৈয়ে সকীয়াই দিয়ে যে চৰকাৰে প্ৰতিশ্ৰুতি কাৰ্যকৰী নকৰিলে পুনৰ আন্দোলন গঢ়ি তুলিব। যোৱা ২ অক্টোবৰৰ পৰা অসম বিধানসভাৰ বাহিৰত আৰম্ভ হোৱা এই ❑ ৬ পৃষ্ঠাত

### আজমল ছুপাৰ ৪০ৰ বাছনি পৰীক্ষাৰ সময়সূচী ঘোষণা

**৬০টা কেন্দ্ৰত অনুষ্ঠিত হ'ব পৰীক্ষা**

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ অক্টোবৰ ঃ** আগন্তুক শিক্ষাবৰ্ষৰ বাবে আজমল ফাউণ্ডেচনৰ দ্বাৰা পৰিচালিত আজমল ছুপাৰ ৪০ৰ বাছনি পৰীক্ষাৰ সময়সূচী নিৰ্ধাৰণ কৰা হৈছে। ষষ্ঠ, সপ্তম, অষ্টম, নৱম আৰু একাদশ শ্ৰেণীত নামভৰ্তিৰ বাবে এই বাছনি পৰীক্ষা অনুষ্ঠিত হ'ব। অসমৰ লগতে বিহাৰ, পশ্চিমবঙ্গ, নাগালেণ্ড আৰু মণিপুৰক সামৰি মুঠ ৬০টা স্থানত পৰীক্ষাৰ কেন্দ্ৰ স্থাপন কৰা হ'ব। বৃহস্পতিবাৰে আৱেলি, বজাৰ পৰা আজমল ফাউণ্ডেচন আৰু আজমল ছুপাৰ ৪০ৰ পৰ্টেলত পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মেধাৱী শিক্ষাৰ্থীয়ে যাতে সহজে এই শিক্ষা সুযোগ লাভ কৰিব পাৰে, সেই উদ্দেশ্যে বিভিন্ন স্থানত বাছনি পৰীক্ষাৰ কেন্দ্ৰ স্থাপন কৰা হৈছে। বিশেষকৈ আৰ্থিকভাৱে দুৰ্বল অথচ মেধাৱী শিক্ষাৰ্থীসকলক জলপানি, বিনামূলীয়া শিক্ষা আৰু বিশেষ শিক্ষাৰ সুযোগ প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এইবাৰ শিক্ষাৰ্থীসকলৰ বাবে মুঠ ১০ কোটি টকাৰ স্কলাৰশ্বিপ প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্য তথা সমাজলৈ বিশেষ অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকলৰ নামত এই স্কলাৰশ্বিপসমূহ প্ৰৱৰ্তন কৰা হৈছে। সেইসমূহ হ'ল-বাছনি পৰীক্ষাত প্ৰতিটো শ্ৰেণীত শীৰ্ষস্থান লাভ কৰা শিক্ষাৰ্থীক সম্পূৰ্ণ হোষ্টেল আৰু শৈক্ষিক মাচুলৰ সুবিধা প্ৰদান কৰা হ'ব 'ড° এ. পি. জে. আব্দুল কালাম জিনিয়াছ স্কলাৰশ্বিপ'ৰ জৰিয়তে। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে অতি দৰিদ্ৰ ❑ ৬ পৃষ্ঠাত

**নতুন দিল্লীৰ মেজৰ ধ্যান চান্দ ষ্টেডিয়ামত সম্বৰ্ধনা**

### এছিয়ান গেমছত পদক জয়ী ভাৰতীয় দলক সাক্ষাৎ প্ৰধানমন্ত্ৰী মোদীৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ অক্টোবৰ ঃ** ২০২৬ চনৰ এছিয়ান গেমছত ভাৰতীয় খেলুৱৈসকলে দেখুওৱা সাফল্যক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গৌৰৱ প্ৰকাশ কৰিছে। বৃহস্পতিবাৰে পদক বিজয়ী খেলুৱৈসকলক সাক্ষাৎ কৰি তেওঁ মন্তব্য কৰে যে ভাৰতীয় ক্ৰীড়াৰ ক্ষেত্ৰত এই সাফল্য এক নতুন অধ্যায়ৰ সূচনা। বিশেষকৈ মহিলা খেলুৱৈসকলৰ প্ৰদৰ্শনে দেশৰ ক্ৰীড়া ক্ষেত্ৰত সংঘটিত পৰিৱৰ্তনৰ স্পষ্ট ছবি দাঙি ধৰিছে। এছিয়ান গেমছত ভাৰতে মুঠ ৮৫টা পদক লাভ কৰিছিল। ইয়াৰে ৩৮টা পদক মহিলা খেলুৱৈসকলে জয় কৰিছিল। মহিলাসকলে লাভ কৰা এই পদকসমূহৰ ভিতৰত আছিল ১১টা সোণৰ পদক। খেলুৱৈসকলৰ এই ঐতিহাসিক সাফল্যৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এয়া নতুন ভাৰতৰ ❑ ৭ পৃষ্ঠাত



# মাজুলী মহাবিদ্যালয়ত বেঙেনাআটীয় সত্ৰাধিকাৰ ভৱানন্দদেৱ গোস্বামী

## “মাজুলী মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাটো চাবলৈ আমাৰ এটা প্ৰবল হাবিয়াস আছে”

**অসম বাৰ্তা, মাজুলী, ১৫ অক্টোবৰ ঃ** মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ অন্যতম হোতা, ইতিহাসপ্ৰসিদ্ধ বেঙেনাআটী সত্ৰৰ অধিকাৰ ভৱানন্দদেৱ গোস্বামী আজি মাজুলী মহাবিদ্যালয়ত উপস্থিত হৈ মহাবিদ্যালয়খন পৰিদৰ্শন কৰে। সৌজন্যমূলক পৰিদৰ্শনৰ বাবে উপস্থিত হোৱা সত্ৰাধিকাৰগৰাকীক মহাবিদ্যালয়ৰ প্ৰৱেশদ্বাৰতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰীসকলে অংগবস্ত্ৰেৰে আদৰণি জনায়। সত্ৰাধিকাৰগৰাকীয়ে মহাবিদ্যালয়খনৰ শ্ৰেণীকক্ষ, সভাকক্ষ, পুথিভঁৰাল, শিক্ষাৰ্থী নিৱাস, বৰ্ধিত ভূমিখণ্ড আদি বিভিন্ন আন্তঃগাঁথনিৰ লগত জড়িত দিশ নিৰীক্ষণ কৰি মহাবিদ্যালয়ৰ সামগ্ৰিক উন্নতিত সন্তুষ্টি প্ৰকাশ কৰে। ইয়াৰ পিছতেই মহাবিদ্যালয়ৰ অধ্যক্ষৰ কক্ষত আয়োজিত সভাত উপস্থিত হৈ সত্ৰাধিকাৰগৰাকীয়ে মাজুলী মহাবিদ্যালয়ৰ লগত জড়িত হৈ থকা কালৰ স্মৃতি ৰোমন্থন কৰে। লগতে মহাবিদ্যালয়খনৰ উত্তৰণৰ দিশত প্ৰাৰম্ভিক অৱস্থাত কিদৰে সহযোগ আগবঢ়াইছিল তাকো বৰ্ণনা কৰে। উল্লেখ্য যে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত জড়িত হোৱাৰ লগতে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক হিচাপেও সত্ৰাধিকাৰগৰাকীয়ে ভালেকেইবছৰ নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। মাজুলী দ্বীপত মহাবিদ্যালয় এখন প্ৰতিষ্ঠাৰ বাবে পৰিকল্পনা কৰা সময়ত তেওঁ ২৬ বছৰীয়া আছিল বুলি উল্লেখ কৰি কয় যে মাজুলীক শিক্ষাৰ দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সেয়া আছিল এক যুগান্তকাৰী পদক্ষেপ। সুবিধা বা অৰ্থ লাভ কৰিলেও পৱিত্ৰতা, আন্তৰিকতা, কৰ্তব্যপৰায়ণতা আৰু সততা নথকা ব্যক্তিয়ে কোনো কামেই সফলতাৰে কৰিব নোৱাৰে তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, “মাজুলী মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীত হোৱাটো চাবলৈ আমাৰ এটা প্ৰবল হাবিয়াস আছে। এই সন্দৰ্ভত প্ৰয়োজন হ'লে আমি নিজে চৰকাৰ ওচৰলৈ যাবলৈয়ো প্ৰস্তুত।” মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক, সত্ৰাধিকাৰ ভৱানন্দদেৱ গোস্বামীক মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্ভাষণ জনাই অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, “মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত মহানুভৱ ব্যক্তিসকলৰ অপৰিসীম ত্যাগৰ ফচল মাজুলী মহাবিদ্যালয়ে সেইসকল মহানুভৱ লোকক কোনোকালে পাহৰিব নোৱাৰে।” এই ভ্ৰমণকালত সত্ৰাধিকাৰ গৰাকীৰক সংগ দিয়ে বেঙেনাআটী সত্ৰৰ ডেকা সত্ৰীয়া প্ৰাঞ্জল গোস্বামী, আলধৰা-বৈষ্ণৱ বিপুল ওজা, জয়ন্ত হাজৰিকা আৰু প্ৰণৱ হাজৰিকাই। সত্ৰাধিকাৰগৰাকীয়ে তেওঁৰ নামত উছৰ্গিত প্ৰশাসনিক সমন্বয়কৰ কক্ষটি পৰিদৰ্শন কৰি আৱেগ-বিহ্বল হৈ পৰে। আজিৰ অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, অধ্যাপক নৰ দাস, ড° অৰূপ বুঢ়াগোহাঁই, ড° দেৱজ্যোতি ভট্টাচাৰ্য, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, জ্যেষ্ঠ সহায়ক উৎপল বৰুৱা, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱা, সম্পাদক সদানন্দ ৰেগন প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰীসকল উপস্থিত থাকে।

সভাপতি ডালিম ফুকন, উপ-সভাপতি পুলিন কাকতি আৰু সম্পাদক চুশিল নাথক লৈ ২১ জনীয়া সমিতি

# মৰিগাঁও জিলা সাংবাদিক কল্যাণ ন্যাস সমিতি গঠন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৫ অক্টোবৰ ঃ** বুধবাৰে দিনৰ ১১ বজাত মৰিগাঁও জনজাতি অতিথি শালা প্ৰেক্ষাগৃহত মনমোহন ৰাজবংশী সভাপতিত্ব সাংবাদিক পুলিন কাকতিয়ে আত ধৰা এই সভাখনত মৰিগাঁও জিলাৰ সাংবাদিকসকলৰ কল্যাণ, নিৰাপত্তা আৰু বিভিন্ন সমস্যা সমাধানৰ লক্ষ্যৰে মৰিগাঁও জিলা সাংবাদিক কল্যাণ ন্যাস সমিতি গঠন কৰা হয়। জিলাখনৰ সাংবাদিকসকলৰ ঐক্য, সহযোগিতা আৰু সামূহিক স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে গঠন কৰা এই সমিতিখনত জ্যেষ্ঠ সাংবাদিক মহেন্দ্ৰনাথ হাজৰিকা, ধৰণী বুঢ়াগোহাঁই, মনমোহন ৰাজবংশীক উপদেষ্টা হিছাপে লৈ জেষ্ঠ্য সাংবাদিক ডালিম ফুকনক সভাপতি, সাংবাদিক পুলিন কাকতি, বদৰুজ জামান আৰু হিমু বৰাক উপ-সভাপতি আৰু চুশিল নাথক সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা হয়। সাংবাদিকসকলৰ মাজত পাৰস্পৰিক সহযোগিতা বৃদ্ধি কৰাৰ লগতে সাংবাদিকতাৰ সৈতে জড়িত বিভিন্ন সমস্যা সমাধান, আৰ্থিকভাৱে অসুবিধাত পৰা সাংবাদিকসকলক সহায়-সহযোগিতা আগবঢ়োৱা আৰু সাংবাদিকসকলৰ ন্যায্য অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত এই সমিতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে, ২১ জনীয়া এই সমিতিখন গঠনৰ জৰিয়তে মৰিগাঁও জিলাৰ সাংবাদিকসকলক এক উমৈহতীয়া মঞ্চত একত্ৰিত কৰাৰ প্ৰয়াস কৰা হৈছে। নৱগঠিত সমিতিখনে আগন্তুক দিনত সাংবাদিকসকলৰ কল্যাণৰ হকে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে সাংবাদিক সমাজৰ মাজত ঐক্য আৰু ভাতৃত্ববোধ সুদৃঢ় কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। মৰিগাঁও জিলাৰ সাংবাদিক সমাজৰ বাবে এইনৱগঠিত সাংবাদিক কল্যাণ ন্যাস সমিতিয়ে এক ইতিবাচক ভূমিকা গ্ৰহণ কৰিব বুলি ৰাইজে আশা প্ৰকাশ কৰিছে।

# শদিয়া জিলা আৰক্ষীৰ উদ্যোগত “ড্ৰাগছ বিৰোধী” সজাগতা সভা



**অসম বাৰ্তা, ছৈখোৱা, ১৫ অক্টোবৰ ঃ** শদিয়া জিলা আৰক্ষীৰ উদ্যোগত আৰু ধলা আৰক্ষী থানাৰ নাগৰিক সমিতিৰ সহযোগত ধলা আৰক্ষী থানাৰ নাগৰিক সমিতিৰ সভাপতি ফটিক আচাৰ্য্যৰ সভাপতিত্বত ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ “ড্ৰাগছ বিৰোধী” সজাগতা সভা অনুষ্ঠিত কৰা হয়। এই সভাত শদিয়া জিলা আৰক্ষীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অৰুণিমা ভূঞাঁই ড্ৰাগছৰ ভয়াবহতাৰ বিষয়ে আলোকপাত কৰি ইয়াৰ কৱলত পৰা ব্যক্তিসকলক আসক্তিৰ পৰা মুক্ত কৰাৰ লগতে নতুনকৈ যাতে কোনো যুৱক-যুৱতীয়ে এই মাৰাত্মক বৰবিহৰ কৱলত নপৰে তাৰ প্ৰতি ছাত্ৰ-ছাত্ৰী সকলক সচেতনতা জগাই তোলে। লগতে, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰি কোনো যুৱক-যুৱতী যাতে ড্ৰাগছৰ কৱলত নপৰে তাৰ বাবে সকলোকে সতৰ্ক হ'বলৈ আহ্বান জনায়। উক্ত সভাত ধলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰঞ্জিত ৰবি দাস, ছৈখোৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ঘনশ্যাম হাজৰিকা, সমাজ সেৱিকা ৰূপা বেজবৰুৱা, গাঁও প্ৰধানসকল প্ৰমুখ্যে কৰি বিদ্যালয়ৰ শিক্ষক/শিক্ষয়িত্ৰী সকল আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত আছিল।

# ঐতিহাসিক ধোদৰ আলিৰ ধীৰ গতিৰ পথ নিৰ্মাণক লৈ ক্ষোভ; সংগ্ৰামী সেনাৰ পথ অৱৰোধ

**অসম বাৰ্তা, গেলেকী, ১৫ অক্টোবৰ ঃ** ঐতিহাসিক ধোদৰ আলিৰ পথ নিৰ্মাণ প্ৰক্ৰিয়া দীৰ্ঘদিন ধৰি অত্যন্ত লেহেমীয়া গতিৰে চলি থকাৰ বিৰুদ্ধে তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে 'সংগ্ৰামী সেনা, অসম'য়ে। উল্লেখযোগ্য যে ধোদৰ আলিৰ নামতি চাৰিআলিৰ পৰা আমগুৰি নগৰ সংলগ্ন পথছোৱা বিগত ৪-৫ বছৰে 'অসম মালা' আঁচনিৰ অধীনত বহলীকৰণ তথা পুনৰ নিৰ্মাণৰ কাম চলি আছে। কিন্তু পথটোৰ কাম সঠিকভাৱে সম্পূৰ্ণ নোহোৱাৰ বাবে যাতায়াতৰ বাবে সম্পূৰ্ণ অনুপযোগী হৈ পৰাৰ অভিযোগ উত্থাপিত হৈছে। এই সমস্যা সন্দৰ্ভত আজি নামতিৰ ধোদৰ আলি পথ অৱৰোধ কৰি সংগঠনটোৱে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৰ বিষয়ববীয়াই জনোৱা মতে, প্ৰথম অৱস্থাত যিটো ঠিকাদাৰী প্ৰতিষ্ঠানক এই পথ নিৰ্মাণৰ দায়িত্ব দিয়া হৈছিল, তেওঁলোকৰ দায়িত্বহীন আৰু আসোঁৱাহপূৰ্ণ কামৰ বাবে ৰাইজ তথা স্থানীয় সংগঠনৰ প্ৰতিবাদত চৰকাৰে প্ৰতিষ্ঠানটোক 'ব্লেক লিষ্টেড' কৰে। ইয়াৰ পিছত প্ৰায় দুবছৰ আগতে ABCI নামৰ আন এটা ঠিকাদাৰী প্ৰতিষ্ঠানক নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰা হয়। কিন্তু অভিযোগ অনুসৰি, নতুন প্ৰতিষ্ঠানটোৱেও পূৰ্বৰ দৰেই অত্যন্ত মন্থৰ গতিৰে কাম চলাই আছে। বৰ্তমান পথটোৰ দুৰৱস্থাৰ বাবে ধাৰাবাহিকভাৱে দুৰ্ঘটনা সংঘটিত হৈ আহিছে, য'ত বহু লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে আৰু বহু লোক চিৰঘুনীয়া হৈছে। ইয়াৰ উপৰি এইপথেৰে চলাচল কৰা বাহনৰ মালিক আৰু যাত্ৰীসকল তীব্ৰ সমস্যাৰ সন্মুখীন হৈছে। আজিৰ এই প্ৰতিবাদস্থলীত উপস্থিত হোৱা জিলা প্ৰশাসনৰ বিষয়াৰ হাতত এখন স্মাৰক পত্ৰ প্ৰদান কৰি সংগ্ৰামী সেনাই সকিয়ানি দিয়ে যে, চতাইছিগা নামতি পুৰণি দলং অঞ্চলত এঘণ্টীয়া পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰাৰ পিছতো যদি এই খৰালি সময়ছোৱাৰ ভিতৰত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা নহয়, তেন্তে তেওঁলোকে অনিৰ্দিষ্টকালীন পথ অৱৰোধ আৰু জংগী আন্দোলনৰ পথ গ্ৰহণ কৰিবলৈ বাধ্য হ'ব। আজিৰ এই কাৰ্যসূচীত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ লগতে জিলা আৰু নামতি আঞ্চলিকৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

নিৰ্মাণ কৰিছে বৃহৎ বৃহৎ বাসস্থান; মৌন প্ৰশাসন, ক্ষুব্ধ ৰাইজ

# লখিমপুৰৰ ৰূপহী-ৰাজগড়ৰ অসম-অৰুণাচল সীমাৰ চৰকাৰ, লখিমপুৰ জিলা প্ৰশাসন ভূমিত অৰুণাচলীৰ ব্যাপক বেদখল



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৫ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তত পুনৰ সৰৱ হৈ উঠিছে ব্যাপক বেদখল। লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৰ ৰূপহী-ৰাজগড় অঞ্চলৰ সমীপত বিবদমান ভূমিত অৰুণাচলী লোকে ব্যাপক হাৰত ভূমি বেদখল কৰাৰ ঘটনাই চিন্তিত কৰি তুলিছে ৰাইজক। স্থানীয় ৰাইজ আৰু বিভিন্ন দল-সংগঠনৰ অভিযোগ অনুসৰি, দুয়োখন ৰাজ্যৰ মাজত প্ৰকৃত সীমা হিচাপে স্বীকৃত ঝিলি নদীৰ পৰা কেইবা কিলোমিটাৰ ভিতৰলৈ সোমাই আহি অৰুণাচলী লোকে ৰূপহী-ৰাজগড়ৰ সমীপ পৰ্যন্ত আগুৱাই আহিছে। এই বিবাদিত ভূমিতে অৰুণাচলী লোকে ডাঙৰ ডাঙৰ পকী গৃহ নিৰ্মাণ কৰাৰ লগতে বহু মূল্যবান গছ-গছনি কাটি ধ্বংস কৰিছে। কেৱল বাসগৃহেই নহয়, বেদখলকৃত ভূমিত বহু চাহ বাগিচাও স্থাপন কৰি আহিছে আগ্ৰাসী অৰুণাচলী লোকে। বহু বছৰ ধৰি চলি থকা এই আগ্ৰাসনে এতিয়া ভয়ংকৰ ৰূপ লৈছে বুলি সচেতন মহলে আশংকা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, এই আগ্ৰাসন ৰোধ কৰিবলৈ যোৱা বন বিভাগৰ লোককো অৰুণাচলী লোকে ধমক দিয়াৰ খবৰ বিয়পি পৰিছে। ইয়াৰ ফলত সীমান্ত অঞ্চলত অৰুণাচলীৰ দাদাগিৰী বৃদ্ধি পোৱা বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। ইপিনে, এই সমগ্ৰ ঘটনা সন্দৰ্ভত লখিমপুৰ জিলা প্ৰশাসনে মৌন স্থিতি গ্ৰহণ কৰা বুলি অভিযোগ উঠিছে। অসম চৰকাৰো এই ক্ষেত্ৰত নীৰৱ ভূমিকা পালন কৰি অহা বুলি বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। দীৰ্ঘদিন ধৰি এই বেদখল চলি থকাৰ পিছতো সংশ্লিষ্ট সকলো পক্ষ নিমাত হৈ থকাটোৱে সচেতন সমাজক গভীৰভাৱে ভৱাই তুলিছে। সীমান্তৱৰ্তী ৰাইজৰ দাবী, চৰকাৰে অতি শীঘ্ৰে এই বিবাদিত ভূমিৰ স্থিতি স্পষ্ট কৰি বেদখল উচ্ছেদৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰক। অন্যথা অসমৰ ভূমি ক্ৰমান্বয়ে হস্তগত হোৱাৰ আশংকাই দেখা দিছে।

ডবকা থানাত লিখিত এজাহাৰ দাখিল

# ডবকাত কিশোৰীৰ গোপন ভিডিঅ' প্ৰস্তুত কৰাৰ চেষ্টা

**অসম বাৰ্তা, ডবকা, ১৫ অক্টোবৰ ঃ** ডবকা থানাৰ অন্তৰ্গত ডবকা টাউনৰ এগৰাকী কিশোৰী তথা কলেজীয়া নাবালিকা ছাত্ৰীৰ স্নানাগাৰত গোপন ভিডিঅ' প্ৰস্তুত কৰাৰ এক চাঞ্চল্যকৰ ঘটনা পোহৰলৈ আহিছে। এই সন্দৰ্ভত ভুক্তভোগী কিশোৰীগৰাকীৰ পিতৃ মজিবুৰ ৰহমানে ডবকা আৰক্ষী থানাত এক লিখিত এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ কৰা মতে ২৪ অক্টোবৰৰ দিনৰ প্ৰায় ২: ৩০ বজাত কিশোৰী গৰাকীয়ে নিজ ঘৰৰ স্নানাগাৰত গা-ধুই থকা অৱস্থাত একেই ৱাৰ্ডৰে বাসিন্দা ৰহিম উদ্দিনৰ পুত্ৰ মজিবুৰ নামৰ যুৱকজনে স্নানাগাৰৰ টিনৰ ওপৰেৰে মোবাইল ফোন সুমুৱাই গোপনে ভিডিঅ' ৰেকৰ্ডিং কৰাৰ চেষ্টা চলায়। কিশোৰী গৰাকীয়ে অঘটনটো অনুধাৱন কৰি চিঞৰ-বাখৰ কৰাত দুষ্কৃতিকাৰী মজিবুৰ ঘৰৰ চালৰ পৰা জাঁপ মাৰি পলায়ন কৰে। চিঞৰ-বাখৰ শুনি ওচৰ-চুবুৰীয়া লোক ঘটনাস্থলীত উপস্থিত হয়। পৰৱৰ্তী সময়ত, উক্ত অভিযুক্ত মজিবুৰৰ মোবাইলটো পৰীক্ষা কৰোঁতে তাত কিশোৰী গৰাকীৰ দৃশ্য সংৰক্ষিত হৈ থকা দেখা যায়। কিন্তু অভিযুক্তৰ পিতৃ ৰহিম উদ্দিন আৰু ভ্ৰাতৃ ওৱাহিদুৰ ৰহমানে মজিবুৰৰ হাতৰ পৰা জোৰ-জবৰদস্তিকৈ মোবাইলটো কাঢ়ি লৈ ভিডিঅ'সমূহ ডিলেট কৰি পেলায় আৰু পুত্ৰক পলায়ন কৰাত সহায় কৰে। সম্প্ৰতি অভিযুক্ত মজিবুৰক আৰক্ষীয়ে আটক কৰি থানালৈ লৈ আনে যদিও অভিযুক্তৰ পৰিয়ালে কিশোৰী গৰাকীৰ জীৱন আৰু ভৱিষ্যত ধ্বংস কৰাৰ ভাবুকি প্ৰদান কৰা বুলি এজাহাৰত গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। ঘটনাটো সন্দৰ্ভত ভুক্তভোগীৰ পিতৃয়ে আৰক্ষীক উচিত তদন্ত চলাই অভিযুক্ত সকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু নিজৰ জীয়ৰীক ন্যায় প্ৰদান কৰিবলৈ অনুৰোধ জনাইছে।

নিয়োজিত ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মচাৰীসকলৰ এদিনীয়া প্ৰশিক্ষণ অনুষ্ঠিত

# শিৱসাগৰত জিলা লোকপিয়ল হাতপুথি, ২০২৭ প্ৰস্তুত কৰাৰ ম'বাইল এপ যোগে তথ্য সংগ্ৰহৰ প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৫ অক্টোবৰ ঃ** অহা ১ নৱেম্বৰৰ পৰা ৩০ নৱেম্বৰলৈ লোকপিয়ল-২০২৭ -ৰ অধীনত শিৱসাগৰত জিলা লোকপিয়ল হাতপুথি, ২০২৭ প্ৰস্তুত কৰাৰ বাবে বিভিন্ন আন্তঃ গাঁথনি আৰু ৰাজহুৱা সা-সুবিধাৰ তথ্য সংগ্ৰহ কৰা হ'ব। এই তথ্য সমূহ ম'বাইল এপ যোগে সংগ্ৰহ কৰা হ'ব। এই কামৰ বাবে আমগুৰি (গ্ৰাম্য আৰু নগৰ) চাৰ্জ আৰু ডিমৌ (গ্ৰাম্য আৰু নগৰ) চাৰ্জৰ অধীনত নিয়োজিত ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মচাৰীসকলৰ এদিনীয়া প্ৰশিক্ষণ আজি শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা লোকপিয়ল বিষয়া সোণতৃষ্ণা ঘৰফলীয়া প্ৰশিক্ষণ কাৰ্যসূচীত উপস্থিত থাকি এই তথ্য সমূহ সংগ্ৰহৰ গুৰুত্ব সম্বন্ধে আলোকপাত কৰে আৰু সকলো নিয়োজিত ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মচাৰীক নিষ্ঠা সহকাৰে কৰ্ম সম্পাদন কৰিবলৈ আহ্বান জনায়। প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে গুৱাহাটীস্থিত লোকপিয়ল সঞ্চালকালয়ৰ উপ-সঞ্চালক নয়নমণি গগৈ আৰু এচ.আই-২ জিতেন্দ্ৰ কুমাৰ।

# ৯ দিন ধৰি নিৰুদ্দিষ্ট ১৪ বছৰীয়া মাজনী খাতুনৰ কংকালসদৃশ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৫ অক্টোবৰ ঃ** বৰপেটা জিলাৰ বাঘবৰ আৰক্ষী থানাৰ অন্তৰ্গত ২নং চাছৰা গাঁৱৰ এগৰাকী ১৪ বছৰীয়া কিশোৰীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ন দিন ধৰি নিৰুদ্দিষ্ট হৈ থকা ফেদ্দুছ খানৰ কন্যা মাজনী খাতুনৰ কংকালসদৃশ মৃতদেহ ব্ৰহ্মপুত্ৰ নদীৰ পাৰত উদ্ধাৰ হোৱা ঘটনাই পৰিয়ালটোৰ লগতে স্থানীয় ৰাইজকো শোকস্তব্ধ কৰি তুলিছে। প্ৰাপ্ত তথ্য অনুসৰি, মাজনী খাতুন যোৱা ৬ অক্টোবৰৰ পৰা নিৰুদ্দিষ্ট হৈ আছিল। স্থানীয় আৰোহণ জাতীয় বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী মাজনী সন্ধানহীন হোৱাৰ পিছৰে পৰা পৰিয়ালৰ লোকে তাইৰ সন্ধান অব্যাহত ৰাখিছিল। ইফালে, নিৰুদ্দিষ্ট হোৱাৰ প্ৰায় এসপ্তাহৰ পিছত কালি বিয়লি প্ৰায় ৪ বজাত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত পৰিয়ালৰ লোকে মাজনীৰ কংকালসদৃশ মৃতদেহ প্ৰত্যক্ষ কৰে। এই খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। ঘটনাৰ খবৰ লাভ কৰি মন্দিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মাইনা দাসৰ নেতৃত্বত আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। কিশোৰীগৰাকীৰ মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আৰু আৰক্ষীৰ তদন্তৰ পিছতহে ঘটনাৰ প্ৰকৃত ৰহস্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। এগৰাকী কিশোৰীৰ এনে কৰুণ পৰিণতিয়ে অঞ্চলবাসীৰ মাজত গভীৰ শোক আৰু উদ্বেগৰ সৃষ্টি কৰিছে।

কোম্পানীৰ বিৰুদ্ধে উত্থাপিত সকলো অভিযোগ ভুৱা আৰু ভিত্তিহীন বুলি স্পষ্টীকৰণ

# ডি.বি.আৰ (D.B.R) কোম্পানীৰ সংবাদমেল

**অসম বাৰ্তা, গেলেকী, ১৫ অক্টোবৰ ঃ** নাজিৰাৰ অ'এনজিচি (ONGC)ৰ অধীনত কৰ্মৰত ব্যক্তিগত প্ৰতিষ্ঠান ডি.বি.আৰ (D.B.R) কোম্পানীৰ বিৰুদ্ধে শেহতীয়াকৈ উত্থাপিত সকলো অভিযোগ মিছা আৰু সম্পূৰ্ণ ভিত্তিহীন বুলি এক সংবাদমেলযোগে স্পষ্ট কৰিছে কোম্পানীটোৰ প্ৰতিনিধি ঋতুৰাজ বৰগোহাঁইয়ে। নাজিৰাত আয়োজিত সংবাদমেলখনত বৰগোহাঁইয়ে কয় যে অঞ্জন গগৈ নামৰ এজন ব্যক্তিয়ে সংবাদ মাধ্যমৰ সন্মুখত সম্পূৰ্ণ ভুৱা তথ্য দাঙি ধৰি কোম্পানীটোৰ ভাবমূৰ্তি ক্ষুণ্ণ কৰিবলৈ অপচেষ্টা চলাইছে। অঞ্জন গগৈয়ে সংবাদ মাধ্যমত দেখুওৱা ইউ.পি.আই (UPI) লেনদেনৰ স্ক্ৰীণশ্বটসমূহ ২০২৬ চনৰ নহয়, প্ৰকৃততে ২০২৫ চনৰহে আছিল বুলি কোম্পানীটোৱে দাবী কৰে। ঋতুৰাজ বৰগোহাঁইয়ে ঘটনাৰ প্ৰকৃত সত্য উন্মোচন কৰি কয় যে ২০২৫ চনত কোম্পানীটোৰ এজন কৰ্মচাৰীয়ে নিজৰ ঘৰুৱা জৰুৰী অসুবিধাৰ বাবে কোম্পানীৰ পৰা কিছু ধন ধাৰলৈ লৈছিল আৰু পৰৱৰ্তী সময়ত উক্ত ধন কোম্পানীক ঘূৰাই দিছিল। কিন্তু সেই পুৰণি ২০২৫ চনৰ লেনদেনৰ তথ্যকে বৰ্তমান ২০২৬ চনৰ বুলি ভুৱাকৈ উপস্থাপন কৰি সধাৰণ ৰাইজক বিভ্ৰান্ত কৰাৰ চেষ্টা চলোৱা হৈছে। সংবাদমেলযোগে বৰগোহাঁইয়ে দৃঢ়তাৰে স্পষ্ট কৰি দিয়ে যে D.B.R কোম্পানীয়ে কোনো নিবনুৱা যুৱক-যুৱতীক চাকৰি দিয়াৰ নামত কেতিয়াও কোনো ধৰণৰ ধন সংগ্ৰহ কৰা নাই আৰু এই সন্দৰ্ভত উত্থাপিত সকলো অভিযোগ উদ্দেশ্যপ্ৰণোদিত বুলি মন্তব্য প্ৰকাশ কৰাৰ লগতে ইতিমধ্যে ইয়াৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা বুলি সংবাদমেলত সদৰী কৰে বৰগোহাঁইয়ে।

# গোলাঘাটত ই-ৰিস্কাৰ খুন্দাত প্ৰাণ গ'ল চাৰি বছৰীয়া কণমানিৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৫ অক্টোবৰ ঃ** গোলাঘাটৰ দহমাইল খুঁটিত আজি সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত ই-ৰিস্কাৰ খুন্দাত প্ৰাণ হেৰুৱালে চাৰি বছৰীয়া কণমানি তৰালি ওৰাঙে। জানিব পৰা মতে, মাতৃৰ সৈতে স্থানীয় বজাৰলৈ আহিছিল কণমানিজনী। সেই সময়তে পথ পাৰ হ'বলৈ লওঁতেই বিপৰীত দিশৰ পৰা তীব্ৰ বেগেৰে আহি থকা এখন ই-ৰিস্কাই কণমানিজনীক প্ৰচণ্ড জোৰেৰে খুন্দা মাৰে। ই-ৰিস্কাৰ খুন্দাত গুৰুতৰভাৱে আহত হয় শিশুটি। ইয়াৰ পিছতে কণমানিজনীক ততাতৈয়াকৈ গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে শিশুটিক মৃত ঘোষণা কৰে। নিহত শিশুটিৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে। চাৰি বছৰীয়া কণমানিজনীৰ এনে অকাল মৃত্যুৰ ঘটনাই অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে।

অঞ্চলব্যাপী তীব্ৰ চাঞ্চল্য

# মন্দিয়াৰ ২ নং চাছৰা গাঁৱৰ ১৪ বছৰীয়া নিৰুদ্দিষ্ট স্কুলীয়া ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, মন্দিয়া, ১৫ অক্টোবৰ ঃ** বৰপেটা জিলাৰ বাঘবৰ থানাৰ অন্তৰ্গত ২ নং চাছৰা গাঁৱৰ ফেদ্দুছ খানৰ ছোৱালী বিগত ৯ দিনে নিৰুদ্দিষ্ট হৈ থকা ১৪ বছৰীয়া মাজনী খাতুনৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হোৱাটো পৰিলক্ষিত হৈছে। উল্লেখ্য যে, মাজনী খাতুন নামৰ উক্ত ছোৱালীজনী যোৱা ৬ অক্টোবৰৰ ৰাতিপুৱা পৰাই নিৰুদ্দেশ হৈ আছিল। স্থানীয় আৰোহণ জাতীয় বিদ্যালয়ত পঞ্চম শ্ৰেণীত অধ্যয়নৰত মাজনী খাতুনৰ নিৰুদ্দেশ সন্দৰ্ভত পৰিয়ালৰ লোকে মন্দিয়া আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিছিল। কালি আবেলি ৪ বজাত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত ছোৱালীজনীৰ কংকাল সদৃশ মৃতদেহ পৰিয়ালৰ লোকে বিচাৰি পায়। ছোৱালীজনীৰ কাপোৰ কানিৰ পৰা পৰিয়ালৰ লোকে ছোৱালীজনীক চিনাক্ত কৰে। মন্দিয়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মাইনা দাসৰ নেতৃত্বত আৰক্ষীৰ দলে ছোৱালীজনীৰ মৃতদেহ বৰপেটা মেডিকেল কলেজ হস্পিতাললৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। স্মৰ্তব্য যে আজিৰ পৰা কিছুদিন পূৰ্বে সেই ঠাই ডোখৰতে এজনী কণমানি ছাত্ৰীক গাঁওখনৰ তিনি গৰাকী নৰপিশাচে ধৰ্ষণ কৰি হত্যা কৰে। সেই ঘটনাৰ মাৰ নৌযাওঁতেই একেখন গাৱত আকৌ কিশোৰী গৰাকী ধৰ্ষণৰ বলি হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। অঞ্চলটোত বৃদ্ধি পোৱা ড্ৰাগছ সেৱন, চুৰি ডকাইতি, অসামাজিক কাৰ্যকলাপ বৃদ্ধি পোৱাত অভিভাৱক ৰাইজ উদ্বিগ্ন হৈ পৰিছে। অঞ্চলটোৰ অসামাজিক কাৰ্যকলাপ ৰোধ কৰি সামাজিক সুস্থিৰতা কঢ়িয়াই আনিবলৈ স্থানীয় অভিভাৱক ৰাইজ, দল-সংগঠনে প্ৰশাসন বিভাগক দাবী জনাইছে।

**NAME CORRECTION**

My actual and correct name is HAJERA BIBI which has been recorded in my Aadhar card vide No. 9520-8774-7523 voter ID card vide No. DBG3536661 and PAN card vide No. DJBPB 0436A but the name has been wrongly recorded in my Bank account of AGVB Lakhiganj Branch vide A/C. No. 7150010024523 HAZARA KHATUN in place of HAJERA BIBI. That, both are the names i, e, HAJERA BIBI & HAZARA KHATUN are same and one identical person i,e, myself.

S/d
HAJERA BIBI
C/O: Juribuddin Sheikh,
VTC: Khudigaon Pt.II,
PO: Lakhiganj Bazar,
Pin: 783345, SD: Bilasipara,
Dist: Dhubri, Assam

AB-194/2026

'ড° হিমন্ত বিশ্ব শৰ্মাই চুতীয়া জাতিৰ উত্তৰণৰ বাবে সকলো সময়তে সংগ দিছে'

# গোলাঘাটত ১ কোটি ৭০ লাখ টকা ব্যয়েৰে নিৰ্মিত 'সাধনী ভৱন' উদ্বোধন

## 'চুতীয়া জনগোষ্ঠীৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহ সংৰক্ষণৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে পৰ্যটন বিভাগ' ঃ মন্ত্ৰী অজন্তা নেওগ



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৫ অক্টোবৰ ঃ** 'অসমৰ ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীক আগুৱাই লৈ যোৱাৰ বাবে সৰ্বাধিক গুৰুত্ব আৰোপ কৰা মুখ্যমন্ত্ৰী গৰাকীয়েই হৈছে ড° হিমন্ত বিশ্ব শৰ্মা। চুতীয়া জনগোষ্ঠীৰ আশা আকাংক্ষাক সফল ৰূপ দিয়াৰ বাবে চুতীয়া জাতি সন্মিলনকে ধৰি জনগোষ্ঠীটোৰ কেউটা সংগঠনক সকলো সময়তেই সংগ দিছে মুখ্যমন্ত্ৰী ড° শৰ্মাই। যাৰ বাবে আজি সমগ্ৰ ৰাজ্যজুৰি চুতীয়া জাতিৰ সৰ্বস্তৰৰ বিকাশ সম্ভৱপৰ হৈছে।' এই মন্তব্য অসম চৰকাৰৰ মহিলা আৰু শিশু বিকাশ, পৰ্যটন বিভাগৰ মন্ত্ৰী অজন্তা নেওগৰ। আজি মন্ত্ৰী নেওগে গোলাঘাটৰ জোনাকী নগৰত চুতীয়া উন্নয় পৰিষদৰ পুঁজিৰ ১ কোটি ৭০ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা' সাধনী ভৱন' আনুষ্ঠানিকভাৱে উদ্বোধন কৰি এনেদৰে মন্তব্য কৰে। মন্ত্ৰী নেওগে কয় এটা সুস্থ সমন্বিত প্ৰচেষ্টাৰ দ্বাৰা এটা ভাল পৰিৱেশৰ সৃষ্টি হয়। চুতীয়া জনগোষ্ঠীৰ কেউটা সংগঠনৰ একত্ৰিত প্ৰচেষ্টাত সুন্দৰভাৱে নিৰ্মাণ কৰা এই ভৱনটোৱেই ইয়াৰ উৎকৃষ্ট উদাহৰণ। ভৱনটো সুন্দৰকৈ নিৰ্মাণৰ লগত জড়িত সকলোকে মন্ত্ৰী নেওগে ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰী নেওগে চুতীয়া জাতিৰ শৌৰ্য বীৰ্য বীৰাংগনা সাধনীৰ নামত স্থাপন কৰা সাধনী ভৱনটোৱে জনগোষ্ঠীটোৰ সামাজিক আৰু সাংস্কৃতিক কাৰ্যকলাপৰ সৰ্বাংগীণ উত্তৰণৰ লগতে সামূহিক অনুষ্ঠানসমূহ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলিও আশা প্ৰকাশ কৰে। ৰাজ্যৰ পৰ্যটন বিভাগৰ মন্ত্ৰীৰ দায়িত্বত থকা মন্ত্ৰী নেওগে সভাত চুতীয়া জনগোষ্ঠীৰ ঐতিহাসিক কৃতীচিহ্নসমূহ সংৰক্ষণ কৰি কেনেকৈ পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিব পাৰি তাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰাৰ কথা জানিবলৈ দিয়াৰ লগতে চুতীয়া সংগঠনৰ সদস্যসকলক তেনে কোনো স্থান চকুত পৰিলে তাৰ বিস্তাৰিত এক প্ৰতিবেদন তেখেতৰ ওচৰত দাখিল কৰিবলৈ আহ্বান জনায়। আজিৰ অনুষ্ঠানত চুতীয়া উন্নয়ন পৰিষদৰ অধ্যক্ষ কুল কমল বৰুৱা, উপাধ্যক্ষ জ্যোতি প্ৰসাদ চুতীয়া, চুতীয়া জাতি সন্মিলনৰ মুখ্য উপদেষ্টা অমিয় বৰা, চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি মহেন বৰা, চুতীয়া যুৱ পৰিষদৰ সভাপতি শ্যামল জ্যোতি বৰা, চুতীয়া মহিলা সন্মিলনৰ কাৰ্যকৰী সভানেত্ৰী কুমকুম বৰা, গোলাঘাট জিলা চুতীয়া সন্মিলনৰ সভাপতি সত্যব্ৰত ৰাজখোৱা, সম্পাদক কিনাৰাম শইকীয়া, দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পুতুল শইকীয়াকে ধৰি চুতীয়া জাতিৰ বিভিন্ন সংগঠনৰ বিষয়ববীয়া আৰু বহু সংখ্যক ৰাইজ উপস্থিত থাকে।

# চামগুৰিৰ ৰঙাগড়াত পথ দুৰ্ঘটনা; এজন নিহত আৰু দুজন আহত

**অসম বাৰ্তা, পুৰণিগুদাম, ১৫ অক্টোবৰ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়া অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হোৱা লগতে আন দুজন যুৱক গুৰুতৰ ভাবে আহত হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়া অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা এ-এছ-০২-এ-ডব্লিউ-৬১৮০ নম্বৰৰ বাইকখনত তিনিজন যুৱক আহি থকা অৱস্থাত বাইকখনে পথৰ নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইদাৰত খুন্দা মাৰে। ফলত চামগুৰিৰ কদমগুৰিৰ জাহিৰ ইছলাম নামৰ যুৱক থিতাতে নিহত হোৱাৰ লগতে আচিকুল ইছলাম আৰু ৰাহিদুল ইছলাম নামৰ দুজন যুৱক গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ আহত দুজন যুৱকক স্থানীয় লোকৰ সহযোগত চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে নিহত হোৱা যুৱকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

# মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিলে পিকুৱে

**অসম বাৰ্তা, মাজুলী, ১৫ অক্টোবৰ ঃ** মাজুলীৰ শৈক্ষিক জগতৰ বাবে এক সুখবৰ জুইয়ে পোৱা সোণ হৈ জিলিকিল মাজুলীৰ নতুন খাৰজানপাৰ গাঁৱৰ পিকু দাস, লক্ষীমপুৰ মেডিকেল কলেজত ডাক্তৰৰ বাবে অধ্যয়নৰ সুবিধা পালে পিকুৱে। দৰিদ্ৰতাৰ সীমা নেওচি পিকু দাসে লাভ কৰিলে এম. বি. বি. এছ কৰাৰ সুবিধা। যোৰহাটস্থিত EXCELLERE SENIOR SECONDARY SCHOOLৰ তত্ত্বাৱধানত, মাজুলী জিলা অনুসুচিত জাতি ছাত্ৰ সন্থা আৰু অনুসূচিত জাতি উন্নয়ন বৰ্ডৰ শৈক্ষিক তথা আৰ্থিক দিশত কৰা সহায়-সহযোগিতাৰ জৰিয়তে পঢ়িবলৈ সুযোগ পাই এই সফলতা অৰ্জন পিকুৰ। আজি খাৰজানপাৰৰ নিজা বাসগৃহত সম্বৰ্ধনা জনায় গাওঁবাসী, দল সংগঠন, শিক্ষানুষ্ঠানৰ শিক্ষাগুৰু, পৰিয়ালৰ লোকে। সুযোগ আৰু সন্ধান গ্ৰহণ কৰিলে অসম্ভৱ যে সম্ভৱ হয় সেই কথা দোহাৰিলে পিকুৰ শিক্ষা গুৰু সকলে। একাগ্ৰতা আৰু সাধনা অব্যাহত থাকিলে দৰিদ্ৰতা যে প্ৰত্যাহ্বান নহয় সেই কথা প্ৰমাণ কৰিলে অধ্যয়ন পীপাসু পিকু দাসে।

# বিহালী সমষ্টিৰ বিধায়ক মুনীন্দ্ৰ দাসৰ পিতৃৰ বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, জিনজিয়া, ১৫ অক্টোবৰ ঃ** বিহালী সমষ্টি বিধায়ক মুনীন্দ্ৰ দাস মহোদয়ৰ পূজনীয় পিতৃ, সমাজপ্ৰাণ ব্যক্তি মোহন চন্দ্ৰ দাসদেৱৰ যোৱা নিশা ১২:৪৬ বজাত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৬ বছৰ। বাৰ্ধক্যজনিত কাৰণত বিগত চাৰিটা দিন ধৰি তেজপুৰস্থিত এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল যদিও অৱশেষত চিকিৎসাধীন অৱস্থাতে তেখেতে বৰ্ণাঢ্য জীৱনৰ সামৰণি মাৰে। এগৰাকী সৎ, নীতিনিষ্ঠ আৰু সমাজসৰবৰহী ব্যক্তি হিচাপে অঞ্চলটোত পৰিচিত স্বৰ্গগত মোহন চন্দ্ৰ দাসদেৱৰ আকস্মিক মৃত্যুত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেখেতে পুত্ৰ-পৰিবাৰ, আত্মীয়-স্বজন আৰু অসংখ্য গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। দাসদেৱৰ বিয়োগত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত আৰু বিভিন্ন দল-সংগঠন লগতে স্থানীয় ৰাইজ গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# সেৱা সংকল্প অভিযানৰ অধীনত নাজিৰাৰ শিক্ষা বিভাগৰ অন্তৰ্গত কৰ্মৰত ৰান্ধনী তথা সহায়ক-সহায়িকাসকলক সম্বৰ্ধনা

**অসম বাৰ্তা, নামতি, ১৫ অক্টোবৰ ঃ** সেৱা সংকল্প অভিযানৰ অধীনত নাজিৰা খণ্ড প্ৰাথমিক শিক্ষা বিভাগৰ উদ্যোগত আজি লিগিৰীপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। নাজিৰা শিক্ষা খণ্ডৰ অন্তৰ্গত ৩৫৪খন চৰকাৰী বিদ্যালয়ত কৰ্মৰত মুঠ ৭৮১গৰাকী ৰান্ধনী তথা সহায়ক-সহায়িকাৰ সেৱা আৰু অৱদানৰ স্বীকৃতিস্বৰূপে এই পদক্ষেপ গ্ৰহণ কৰা হয়। অনুষ্ঠানত নাজিৰা বিধানসভা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই আৰু নাজিৰাৰ সম-জিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামৰ উপস্থিতিত প্ৰথম পৰ্যায়ত ৩০১ গৰাকী ৰান্ধনী তথা সহায়ক-সহায়িকাক ১,০০০ টকাকৈ উদগনিমূলক ধনৰাশিৰ চেক আৰু একোখনকৈ প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। বাকীসকলক পৰ্যায়ক্ৰমে এই সুবিধা প্ৰদান কৰা হ'ব। এই পদক্ষেপে ৰান্ধনী তথা সহায়ক-সহায়িকাসকলৰ নিষ্ঠা আৰু কৰ্ম দক্ষতাক স্বীকৃতি জনোৱাৰ লগতে তেওঁলোকক নিজৰ দায়িত্ব অধিক উৎসাহ আৰু দায়বদ্ধতাৰে পালন কৰিবলৈ অনুপ্ৰাণিত কৰিব।

# চেলেংহাটৰ অইলমে' এনাৰ্জিৰ তৈলক্ষেত্ৰত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ অনিৰ্দিষ্টকালীন অৱৰোধ

**অসম বাৰ্তা, চেলেংহাট, ১৫ অক্টোবৰ ঃ** বানক্ষতিগ্ৰস্থ ৰাইজক সাহায্য প্ৰদানৰ দাবীত আজি যোৰহাট জিলাৰ মৰিয়নিৰ চেলেংহাটস্থিত অইলমে' এনাৰ্জিৰ তৈলক্ষেত্ৰত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ চেলেংহাট আঞ্চলিক সমিতিয়ে। আমগুৰি অইল ফিল্ডৰ অন্তৰ্গত চেলেং চাহ বাগিচাত অৱস্থিত ৬ নং তৈলক্ষেত্ৰৰ সন্মুখত সংগঠনটোৱে অনিৰ্দিষ্টকালীন অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে। উল্লেখ্য যে যোৱা ২৯ ছেপ্টেম্বৰত সংগঠনটোৱে বানাক্ৰান্ত লোকসকলক সাহায্য প্ৰদানৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰি কোম্পানীটোক স্মাৰকপত্ৰ যোগে কেইবাদফীয়া দাবী পূৰণৰ বাবে ১০ দিনৰ সময়সীমা বান্ধি দিছিল। কিন্তু দাবী পূৰণৰ ক্ষেত্ৰত কোম্পানীটোৱে গুৰুত্ব নিদিয়াৰ অভিযোগ তুলি আজি পুনৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে সংগঠনটোৱে। প্ৰায় ডেৰ শতাধিক পুৰুষ-মহিলাই পুৱাৰ পৰা সন্ধিয়ালৈকে তৈলক্ষেত্ৰখনৰ মূল প্ৰৱেশদ্বাৰৰ সন্মুখত অৱস্থান কৰি "অইল মে'ৰ পৰা ক্ষতিপূৰণ লাগিবই", "বানাক্ৰান্তক সাহায্য প্ৰদান কৰক", "অইল মে'ৰ প্ৰতাৰণা সহ্য কৰা নহ'ব" আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদৰ ফলত কোম্পানীটোৰ কাম-কাজ ব্যাহত হৈ পৰে। প্ৰতিবাদৰ ফলত তেলৰ টেংকাৰ, কৰ্মচাৰীৰ বাবে খাদ্য কঢ়িয়াই নিয়া বাহনকে ধৰি বহু বাহন আবদ্ধ হৈ পৰে। অৱশেষত সন্ধিয়াৰ ভাগত অইল মে' এনাৰ্জীৰ সংস্থাপন ব্যৱস্থাপক আৰু জনসংযোগ বিষয়া গৰাকী প্ৰতিবাদকাৰী সকলক সাক্ষাৎ কৰে। আনহাতে অহা ২৫ অক্টোবৰত কৃষক মুক্তি সংগ্ৰাম সমিতি তথা বানাক্ৰান্ত লোকসকলৰ প্ৰতিনিধিৰ সৈতে এক আলোচনাত মিলিত হোৱাৰ বাবে কোম্পানীটোৱে সন্মতি জনাই। উল্লেখ্য যে যোৱা ১৯ জুলাই তাৰিখে অকস্মাৎ অহা জাঁজী নদীৰ বাঢ়নী পানীয়ে চেলেংহাট অঞ্চলৰ প্ৰায় দহখন গাঁও প্লাৱিত কৰাত বিস্তৰ ক্ষতিসাধন হৈছিল। চেলেংহাটৰ ভূগৰ্ভৰ পৰা দৈনিক তেল আৰু গেছ উৎপাদন কৰি কোটি কোটি টকাৰ মুনাফা অৰ্জন কৰি অহা পাছতো অইল মে' এনাৰ্জীয়ে ছিএছআৰ ফাণ্ডৰ পৰা আজি পৰ্যন্ত চেলেংহাটৰ বানাক্ৰান্ত পৰিয়ালসমূহক সাহায্য প্ৰদান নকৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। আজি প্ৰতিবাদ স্থলীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ যোৰহাট জিলাৰ সভাপতি অৰিন্দম গগৈ, কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ঋতুমনি হাজৰিকা, ছাত্ৰ মুক্তিৰ কেন্দ্ৰীয় উপ-সভাপতি ৰবীন হাজৰিকা, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক অম্লান গগৈকে ধৰি বহু কেইগৰাকী বিষয়ববীয়া আৰু শতাধিক স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

# শংকৰপুৰত পশু চিকিৎসা শিবিৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ১৫ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী নাৰায়ণপুৰ খণ্ড পশু চিকিৎসালয়ৰ উদ্যোগত, দ্ৰোৰপাং পশু চিকিৎসালয় উপ-কেন্দ্ৰৰ সহযোগত আজি পুৱা ভাগতে শংকৰপুৰ গাঁৱত এটি বিনামূলীয়া পশু চিকিৎসা কেন্দ্ৰ অনুষ্ঠিত হয়। উল্লেখ্য যে অসম-অৰুণাচল সীমান্তৱৰ্তী এই অঞ্চলটোত যোৱা কেইবা মাহো অৰ্ধশতাধিক গৰু-ছাগলী অচিন ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে। সেই বাবেই অঞ্চলটোত আজি নাৰায়ণপুৰ খণ্ড পশু চিকিৎসালয়ৰ উদ্যোগত এটি বিনামূলীয়া চিকিৎসা শিবিৰৰ লগতে সজাগতা শিবিৰো অনুষ্ঠিত কৰে। শিবিৰটোত বিশেষভাৱে চিকিৎসা সেৱা আগবঢ়াই নাৰায়ণপুৰ খণ্ড পশু চিকিৎসালয়ৰ জেষ্ঠ চিকিৎসক ডাঃ প্ৰশান্ত হাজৰিকা, লিম্পি সোণোৱাল, ক্ষেত্ৰ সহায়ক মইনা বৰা, মানস দাস, বিদ্যুৎ বিকাশ গগৈ, কন্দৰ্প বৰা, মুগেন বৰা আৰু বুলটন দুৱৰাই অংশগ্ৰহণ কৰে। শিবিৰটোত ৫০ ঘৰ পশু পালকৰ ২৫০টা ডাঙৰ আৰু ২০০টা সৰু গৰুৰ চিকিৎসা প্ৰদান কৰা হয়। স্থানীয় ৰাইজৰ অভূৰ্তপূৰ্ব সঁহাৰিয়ে অনুষ্ঠানটি সফলভাৱে ৰূপায়ণ হয়। পশু চিকিৎসক সকলৰ এনে কাৰ্যক স্থানীয় ৰাইজ তথা পশুপ্ৰেমী সকলে সন্তোষ প্ৰকাশ কৰে।

# পঞ্চম বাৰ্ষিক সমন্বয় কাপ ফুটবলৰ ফাইনেলত প্ৰৱেশ মণিপুৰৰ আচুফী ফুটবল একাডেমীৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৫ অক্টোবৰ ঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেচন আৰু অসম ফুটবল সন্থাৰ তত্ত্বাৱধনাত, এজিআৰআৰ সমন্বয় সংঘৰ উদ্যোগত তথা এঠেঙীয়া, ৰঙাজান, ৰজাগড় আৰু গৈপানীবাসীৰ সহযোগত এঠেঙীয়া গাঁও ৰাজহুৱা খেলপথাৰত যোৱা ৯ অক্টোবৰৰ পৰা অনুষ্ঠিত হৈ থকা পঞ্চম বাৰ্ষিক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আমন্ত্ৰণমূলক সমন্বয় কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেল কালি নিশা অনুষ্ঠিত হয়। মণিপুৰৰ আচুফী ফুটবল একাডেমী আৰু ৰিফ্লেকচেন এফ চি এঠেঙীয়াৰ মাজত অনুষ্ঠিত হোৱা এই তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনত আচুফী ফুটবল একাডেমীয়ে ৪-২ গলৰ ব্যৱধানত জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰে। খেলখন পৰিচালনা কৰে পবিত্ৰ বৰা, জয়ন্ত চুতীয়া, লাকীৰঞ্জন বৰুৱা আৰু বিমান সন্দিকৈয়ে। আজি নিশা অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন ছেমিফাইনেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব চৰ্দাৰহিলচ মণিপুৰ বনাম লেকাং এচ.চি. অৰুণাচল প্ৰদেশে।

# ডিব্ৰুগড়ত ক্ৰীড়া প্ৰতিভা সন্ধান অভিযানৰ বাবে অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় আৰু জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ বুজাবুজি চুক্তি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৫ অক্টোবৰ ঃ** ডিব্ৰুগড়ৰ জ্যোতি ললিতা কানৈ ফাউণ্ডেচন আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ মাজত "ক্ৰীড়া প্ৰতিভা সন্ধান অভিযান"ৰ বাবে বিশ্ববিদ্যালয়খনত এক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অসমৰ গাঁৱে-ভূঞে চাহ বাগিচা থকা বিদ্যালয়ত আৰু ভিতৰুৱা অঞ্চলসমূহত লৰা ছোৱালীৰ মাজত বহুতো ক্ৰীড়া প্ৰতিভা লুকাই আছে। তেওঁলোকৰ মাজত আছে শক্তি, আগ্ৰহ আৰু আগবাঢ়ি যোৱাৰ সপোনবোৰ আছে, কিন্তু উপযুক্ত সুযোগ, প্ৰশিক্ষণ, সা-সুবিধা অথবা সঠিক পথপ্ৰদৰ্শনৰ অভাৱত বহু প্ৰতিভাবান লৰা ছোৱালী খেলৰ পৰা বঞ্চিত হৈ আছে, তেওঁলোক বিকশিত হ'ব নোৱাৰে। এটি শিশুৰ প্ৰতিভা যেন কেৱল তাৰ আৰ্থিক অৱস্থা বা বাসস্থানৰ বাবে সীমাবদ্ধ হৈ নাথাকে—এই চিন্তাই এই উদ্যোগৰ মূল প্ৰেৰণা বুলি উদ্যোক্তা সকলে জানিবলৈ দিয়ে। এই অভিযানৰ লক্ষ্য হৈছে সম্ভাৱনাময় ক্ৰীড়া প্ৰতিভাসমূহ বিচাৰি উলিওৱা আৰু তেওঁলোকক আগবাঢ়ি যোৱাৰ পথ দেখুওৱা। বিশ্ববিদ্যালয়ৰ ক্ৰীড়া সম্পৰ্কীয় জ্ঞান আৰু বিশেষজ্ঞসকলৰ অভিজ্ঞতাৰ সৈতে কানৈ ফাউণ্ডেচন সমাজসেৱাৰ প্ৰয়াসক একত্ৰিত কৰি এক অৰ্থপূৰ্ণ সহযোগিতা গঢ়ি তুলিব বিচাৰিছে বুলি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু পঞ্জীয়কে জানিবলৈ দিয়ে। তেখেত সকলে কয় যে এই সহযোগিতাই প্ৰতিভা চিনাক্তকৰণ, সঠিক মূল্যায়ন আৰু উপযুক্ত প্ৰশিক্ষণৰ দিশত নতুন সুযোগ সৃষ্টি কৰিব। বিশেষকৈ সুযোগৰ পৰা বঞ্চিত শিশু আৰু যুৱক-যুৱতীসকলৰ বাবে এই অভিযান আশাৰ এক নতুন দুৱাৰ হৈ উঠক। ক্ৰীড়া কেৱল পদক বা প্ৰতিযোগিতাত জয়লাভ কৰাৰ মাধ্যম নহওক, ক্ৰীড়াই শৃংখলা শিকায়, আত্মবিশ্বাস বঢ়ায়, দলীয় মনোভাৱ গঢ়ে আৰু পৰাজয়ৰ পিছতো পুনৰ চেষ্টা কৰাৰ সাহস দিয়ে। এখন সুস্থ আৰু দায়িত্বশীল সমাজ গঢ়াৰ ক্ষেত্ৰতো ক্ৰীড়াৰ বিশেষ ভূমিকা আছে বুলি জ্যোতি ললিতা কানৈ ফাউণ্ডেচনে জানিবলৈও দিয়ে। শিক্ষা আৰু মানৱতা সেৱাৰ যি আদৰ্শ আগত ৰাখিছে, এই উদ্যোগে সেই আদৰ্শৰ এক সম্প্ৰসাৰণ বৰ্ত্তাই ৰাখিব বুলি উদ্যোক্তা সকলে জানিবলৈ দিয়ে লগতে কয় আমাৰ সপোন— গাঁৱৰ খেলপথাৰত অনুশীলন কৰা এটি শিশোৱে কাইলৈ ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ প্ৰতিভা প্ৰকাশ কৰাৰ সুযোগ লাভ কৰক। এই চুক্তিৰ প্ৰকৃত সাৰ্থকতা হ'ব তেতিয়াই, যেতিয়া আমাৰ যৌথ প্ৰচেষ্টাই কোনো উদীয়মান খেলুৱৈৰ জীৱনত বাস্তৱ পৰিৱৰ্তন আনিব আৰু ইয়াৰ বাবেই এই চুক্তিখন স্বাক্ষৰিত কৰা হৈছে।

# নামতিত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক পৰিষদৰ "গাঁও সম্প্ৰদায়ৰ প্ৰসাৰ পদক্ষেপ" শীৰ্ষক সভা সম্পন্ন

চাহ খেতিয়কক সামগ্ৰী বিতৰণ




**অসম বাৰ্তা, চেলেংহাট, ১৫ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ নামতিৰ টিঙিৰিপামত আজি সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত "গাঁও সম্প্ৰদায়ৰ প্ৰসাৰ পদক্ষেপ" শীৰ্ষক এখন সভা অনুষ্ঠিত হয়। সভাখনত অঞ্চলটোৰ প্ৰায় দহখন গাঁৱৰ ক্ষুদ্ৰ চাহ খেতিয়কে অংশগ্ৰহণ কৰে। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি বসন্ত বুঢ়াগোহাঁইৰ নেতৃত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য আছিল বানপীড়িত ক্ষুদ্ৰ চাহ খেতিয়কসকলক সহায় কৰাৰ লগতে তেওঁলোকৰ চাহ খেতিক পুনৰ উজ্জীৱিত কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়োৱা। পৰিষদৰ সম্পাদক অজিত গগৈয়ে আঁত ধৰা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাৰতীয় চাহ বৰ্ডৰ শিৱসাগৰ জিলাৰ উন্নয়ন বিষয়া ড° দেৱজিৎ বৰাই বানপীড়িত ক্ষুদ্ৰ চাহ খেতিয়কসকলে কেনেদৰে জৈৱিক পদ্ধতিৰে চাহ খেতি পুনৰ উজ্জীৱিত কৰিব পাৰে, সেই সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। লগতে প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা চাহ খেতি পুনৰ গঢ়ি তোলাৰ ক্ষেত্ৰত জৈৱিক পদ্ধতিৰ গুৰুত্বৰ বিষয়েও আলোকপাত কৰে। সভাৰ অংশ হিচাপে বানপীড়িত ক্ষুদ্ৰ চাহ খেতিয়ক পৰিয়ালসমূহৰ মাজত দৈনন্দিন জীৱনত প্ৰয়োজনীয় সামগ্ৰীৰ লগতে চাহ খেতিত ব্যৱহাৰৰ উপযোগী সামগ্ৰীও বিতৰণ কৰা হয়। এই পদক্ষেপে বানত ক্ষতিগ্ৰস্ত চাহ খেতিয়ক পৰিয়ালসমূহক কিছু পৰিমাণে সকাহ দিয়াৰ লগতে তেওঁলোকক পুনৰ স্বাভাৱিক জীৱনলৈ ঘূৰি অহাৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা কৰা হৈছে। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক পৰিষদৰ এই পদক্ষেপে বানপীড়িত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰাৰ লগতে চাহ খেতিৰ পুনৰুদ্ধাৰ আৰু গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

# টংলা সমষ্টিৰ বিধায়কৰ দ্বাৰা ছৈবাৰী বিদ্যাপীঠৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৫ অক্টোবৰ ঃ** অসম চৰকাৰৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি ২০২৪-২৫ চমুকৈ আৰ আই ডি এফ আঁচনিৰ অধীনত আজি ওদালগুৰি জিলাৰ টংলা বিধানসভা সমষ্টিৰ অন্তৰ্গত ছৈবাৰী বিদ্যাপীঠ হাইস্কুলৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। আঁচনিৰ অধীনত প্ৰায় ৪.৫ কোটি টকা ব্যয়সাপেক্ষ ভৱনটিৰ আধাৰশিলা স্থাপন কৰে টংলা বিধানসভা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকাই। অনুষ্ঠানত বিধায়কগৰাকীৰ উপৰি লোক নিৰ্মাণ বিভাগৰ ওদালগুৰি উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তাদ্বয় কংখাৰ মুছাহাৰী আৰু অবিনাশ বড়ো, অভিযন্তা জ্যোতিৰ্ময় শৰ্মা, বি জে পিৰ খালিংদুৱাৰ মণ্ডল সমিতিৰ সভাপতি ৰেখা বড়া, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, বিজেপিৰ দলীয় কৰ্মী তথা ৰাইজ উপস্থিত থাকে।

দৰঙৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ আকস্মিক মৃত্যু

# ছেপ্টেম্বৰ মাহৰ দৰমহা বন্ধ ৰখাৰ অভিযোগ পৰিয়ালৰ; তদন্তৰ দাবী মুখ্যমন্ত্ৰীলৈ

**অসম বাৰ্তা, মঙলদৈ, ১৫ অক্টোবৰ ঃ** দৰং জিলা আয়ুক্তৰ কাৰ্যালয়ৰ এগৰাকী চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ আকস্মিক মৃত্যুক কেন্দ্ৰ কৰি মঙলদৈত চাঞ্চল্যৰ সৃষ্টি হৈছে। মৃত কৰ্মচাৰীজন মঙলদৈৰ বঙামাটিৰ ভালুকখোৱা পাৰাৰ নিবাসী ৰত্নধৰ বৰা (৫৪)। পৰিয়ালৰ অভিযোগ অনুসৰি, দৰং জিলাৰ আয়ুক্ত আয়ুষী জৈনৰ নিৰ্দেশত কৰ্মচাৰীজনৰ যোৱা ছেপ্টেম্বৰ মাহৰ দৰমহা বন্ধ কৰি ৰখা হৈছিল। এই অভিযোগক কেন্দ্ৰ কৰি ঘটনাটোৱে বিশেষ চৰ্চা লাভ লাভ কৰিছে। উল্লেখ্য যে ৰত্নধৰ বৰা দীৰ্ঘদিন ধৰি দৰং জিলা আয়ুক্তৰ চৰকাৰী বাসভৱনত মালী হিচাপে কৰ্মৰত আছিল। পৰিয়ালৰ অভিযোগ অনুসৰি, অজ্ঞাত কাৰণত তেওঁৰ ছেপ্টেম্বৰ মাহৰ দৰমহা বন্ধ কৰি ৰখা হৈছিল। সমাগত দুৰ্গা পূজাৰ সময়ত পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্ব বহন কৰাত অসুবিধাৰ সন্মুখীন হৈ তেওঁ মানসিক চাপত ভুগিছিল বুলি পৰিয়ালৰ লোকে সন্দেহ প্ৰকাশ কৰিছে। তেওঁ উচ্চ ৰক্তচাপজনিত সমস্যাতো আক্ৰান্ত হৈছিল বুলি পৰিয়ালৰ সূত্ৰত প্ৰকাশ। পৰিয়ালৰ সূত্ৰই জনোৱা মতে, দেওবাৰে নিশা হঠাতে অসুস্থ হৈ পৰাত ৰত্নধৰ বৰাক ততাতৈয়াকৈ মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। অৱস্থাৰ অৱনতি ঘটাত উন্নত চিকিৎসাৰ বাবে তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। কিন্তু সোমবাৰে বিয়লি চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ বৃদ্ধা মাতৃ, পত্নী, দুগৰাকী কন্যা আৰু এজন পুত্ৰক এৰি থৈ যায়। পৰিয়ালটোৰ উপাৰ্জনকাৰীজনৰ একমাত্ৰ মৃত্যুৱে পৰিয়ালটোক গভীৰ সংকটৰ মাজলৈ ঠেলি দিছে। ইফালে, কৰ্মচাৰীজনৰ দৰমহা বন্ধ কৰি ৰখাৰ অভিযোগৰ লগতে তেওঁৰ আকস্মিক মৃত্যুৰ সমগ্ৰ ঘটনাৰ উচিত তদন্তৰ দাবী জনাইছে পৰিয়ালৰ লোকে। এই সন্দৰ্ভত পৰিয়ালটোৱে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰি ঘটনাটোৰ নিৰপেক্ষ তদন্তৰ আহ্বান জনাইছে। উল্লেখ্য যে, দৰমহা বন্ধ কৰি ৰখাৰ অভিযোগ আৰু কৰ্মচাৰীজনৰ মৃত্যুৰ মাজত কোনো প্ৰত্যক্ষ সম্পৰ্ক আছে নে নাই, সেয়া তদন্তৰ পিছতহে স্পষ্ট হ'ব।

# অমৃতপ্ৰভা মহন্তৰ জামিন ৰহস্যজনক; 'সাপৰ মোট সলোৱা ধৰণৰ ন্যায়'ৰ আখ্যা' গণ জাগৰণ মঞ্চ, অসম'ৰ

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৫ অক্টোবৰ ঃ** গণ জাগৰণ মঞ্চ, অসমৰ মুখ্য পৰিচালক আৰু মাছৰ কেন্দ্ৰীয় সমিতিৰ সচিব মনোজ দুৱৰাই সংবাদ মাধ্যমক এক প্ৰেছ বিবৃতি যোগে প্ৰশ্ন উত্থাপন কৰিছে যে অসমৰ জনগণৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত মৃত্যুৰ ঘটনাৰ সৈতে সাঙোৰ খাই থকা অন্যতম অভিযুক্ত অমৃতপ্ৰভা মহন্তক হঠাতে উচ্চ ন্যায়ালয়ে কেনেকৈ নিৰ্দোষী বুলি জামিনত মুক্তিৰ ৰায়দান দিলে? নিশ্চয়কৈ ই এক সাপৰ মোট সলোৱা ধৰণৰ ন্যায়। স্বয়ং মুখ্যমন্ত্ৰীয়ে জুবিনৰ মৃত্যুৰ ঘটনা হত্যাকাণ্ড বুলি ৰাজহুৱাকৈ মন্তব্য আগবঢ়াইছিল। আনহাতে এছ আই টি-এ প্ৰস্তুত কৰা চাৰ্জশ্বিতখন ইমান দীঘলীয়া হোৱাৰ পাছতো কেনে সুৰুঙাৰে অমৃতপ্ৰভাই জামিন পাবলৈ সক্ষম হ'ল? ছিংগাপুৰৰ প্ৰৱাসী অসমীয়া বুলি কোৱা সকলে জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক মৃত্যুৰ গৰাহলৈ কিয় ঠেলি দিলে? হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায়িক তদন্ত, সাক্ষ্য প্ৰদানৰ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছতো ন্যায়ালয়ে জুবিনৰ মৃত্যুৰ এবছৰ পাছতো সত্য উদঘাটন কৰি আজি পৰ্যন্ত ন্যায় দিব নোৱাৰাটো অতিশয় দুৰ্ভাগ্যজনক। এই ৰহস্যৰ ফাদিল হ'বনে? এনেবোৰ প্ৰশ্ন উত্থাপন কৰা 'গণ জাগৰণ মঞ্চ, অসম'ৰ মতে এই কাৰ্য নিৰপেক্ষতাৰ প্ৰতি ভাবুকিস্বৰূপ আৰু ই মানৱ অধিকাৰ খৰ্বকাৰী সিদ্ধান্ত। সংগঠনটোৱে অমৃতপ্ৰভাৰ জামিন মঞ্জুৰ কোনোপধ্যে মানিলোৱা নহ'ব বুলি কৈ চৰকাৰ আৰু ভাৰতীয় ন্যায়ব্যৱস্থাটোৰ বিৰুদ্ধে তীব্ৰ অসন্তোষ প্ৰকাশ কৰিছে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ প্ৰকৃত সত্য কি, সেই বিষয়ে জানিব বিচৰাটো প্ৰতিজন অসমবাসীৰে অধিকাৰ আছে। গতিকে সমগ্ৰ অসমৰ দল-সংগঠন, জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে ঐক্যবদ্ধ হৈ অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সংগঠনটোৱে সংবাদ মাধ্যমৰ জৰিয়তে আহ্বান জনাইছে।

## সম্পাদকীয়

# ষষ্ঠীৰ দেৱী আৱাহন ঃ অশুভ নাশ আৰু বৈষম্যহীন সমাজৰ সংকল্প

আকাশৰ নীলাত ওপঙি থকা শুভ্ৰ মেঘালী, শৰতৰ স্নিগ্ধ শেৱালিৰ সুবাস আৰু কহুৱাফুলৰ দোলে সুবাসিত কৰি তুলিছে চৌপাশ। মহালয়াৰ ৰেঙণি পাৰ হৈ আজি মৰ্ত্যলৈ আগমন ঘটিছে জগতজননী মহামায়া দেৱী দুৰ্গাৰ। আজি মহা ষষ্ঠী। বিয়লি বেলবোধন, অধিবাস আৰু নিমন্ত্ৰণৰ জৰিয়তে দেৱীক মণ্ডপে মণ্ডপে প্ৰাণপ্ৰতিষ্ঠা কৰি আৰম্ভ হ'ব পাঁচদিনীয়া অসুৰনাশিনীৰ এই মহামহোৎসৱ। ঢাকৰ কাঠিৰ মাত, শাঙ্খৰ ধ্বনি আৰু ধূপ-ধূনাৰ গোন্ধই এক আধ্যাত্মিক সুবাসেৰে সমগ্ৰ ৰাজ্যবাসীক সামাজিক আনন্দৰ এনাজৰীৰে বান্ধি পেলাইছে।

শাস্ত্ৰীয় দৃষ্টিকোণৰ পৰা মহাষষ্ঠী হৈছে দেৱীৰ আৱাহন আৰু সংকল্পৰ দিন। দেৱী দুৰ্গা কেৱল এক মৃণ্ময় প্ৰতিমা নহয়, তেওঁ হ'ল 'শান্তি'ৰ প্ৰতীক। আধ্যাত্মিক অৰ্থত, অশুভ শক্তিৰ বিনাশ ঘটাই শুভ শক্তি, সত্য আৰু ন্যায়ক প্ৰতিষ্ঠা কৰাই দুৰ্গোৎসৱৰ মূল বাৰ্তা। হিন্দু পৌৰাণিক কাহিনী অনুসৰি, যেতিয়া মহিষাসুৰৰ অত্যাচাৰে ত্ৰিলোকক হাহাকাৰ কৰি তুলিছিল, তেতিয়া সংহত দেৱশক্তিৰ পৰাই উন্মেষ ঘটিছিল দশভুজা দেৱী দুৰ্গাৰ। গতিকে, ষষ্ঠীৰ এই পৱিত্ৰ ক্ষণত দেৱীক পূজা মণ্ডপলৈ আদৰাৰ অৰ্থ কেৱল এক আচাৰ-অনুষ্ঠান পালন কৰাই নহয়; ইয়াৰ আঁৰত আছে নিজৰ মনৰ ভিতৰত থকা লোভ, হিংসা, অহংকাৰ আৰু অনীতি নামৰ অসুৰসমূহক বিনাশ কৰাৰ এক প্ৰতিজ্ঞা।

বৰ্তমান পৰিপ্ৰেক্ষিতত পূজাৰ এই বাৰ্তা অত্যন্ত প্ৰাসংগিক। আজিৰ সমাজে সন্মুখীন হোৱা নানাধৰণৰ সামাজিক বিভাজন, নাৰীৰ প্ৰতি হিংসা, নৈতিক অৱক্ষয় আৰু মানসিক অস্থিৰতাৰ সময়ত দেৱী দুৰ্গাৰ শক্তিৰ উপাসনাই আমাক আত্মবল প্ৰদান কৰিব পাৰে। দেৱী দুৰ্গা স্বয়ং নাৰীশক্তিৰ সৰ্বোচ্চ প্ৰতীক। যি সময়ত আমি দেৱীক ৰাজকীয় বৈভৱেৰে পূজা কৰোঁ, সেই একে সময়তে আমাৰ সমাজখনক নাৰীৰ বাবে সুৰক্ষিত, সন্মানজনক আৰু সমতাৰ স্থান কৰি তোলাটোৱেই হ'ব দেৱী আৰাধনাৰ প্ৰকৃত সাৰ্থকতা।

আমাৰ দেশৰ সংস্কৃতিৰ অন্যতম বৈশিষ্ট্য হৈছে ধৰ্মীয় মহোৎসৱসমূহৰ সম্প্ৰীতি আৰু গণতান্ত্ৰিক স্বভাৱ। দুৰ্গাপূজা কেৱল এক ধৰ্মীয় আচাৰত সীমাবদ্ধ হৈ থকা নাই, ই ৰূপান্তৰিত হৈছে এক বৃহৎ 'সৰ্বজনীন' উৎসৱলৈ। য'ত ধৰ্ম-বৰ্ণ, ধনী-দুখীয়াৰ ভেদাভেদ পাহৰি সকলো স্থানৰে লোক একত্ৰিত হয়। সংঘাতময় আৰু ব্যস্ততাৰে ভৰা আধুনিক জীৱনত এনে উৎসৱসমূহে সামাজিক সৌহাৰ্দ্য আৰু সদ্ভাৱ বৃদ্ধি কৰাত এক যোগসূত্ৰ হিচাপে কাম কৰে।

পূজাৰ জাকজমকতা আৰু ৰঙীন পোহৰৰ আঁৰত আমি যাতে উৎসৱৰ মূল চেতনা— পৱিত্ৰতা, সংযম আৰু জনসেৱাক পাহৰি নাযাওঁ। ৰাজহুৱা স্থানত শৃঙ্খলা বজাই ৰখা, প্ৰদূষণমুক্ত আৰু পৰিৱেশ-বান্ধৱ উদযাপন নিশ্চিত কৰা আৰু সমাজৰ পিছপৰি থকা লোকসকলৰ সৈতে আনন্দ ভগাই লোৱাটো আমাৰ সকলোৰে নৈতিক দায়িত্ব।

আজিৰ এই শুভ ষষ্ঠীৰ পুণ্য তিথিত আৰাধ্যা দেৱী মহামায়াৰ ওচৰত আমাৰ এটাই প্ৰাৰ্থনা— তেওঁৰ মহামহিমান্বিত আশীৰ্বাদে সকলোৰে জীৱনৰ পৰা আন্ধাৰ ফালি পোহৰৰ বাট প্ৰশস্ত কৰক। জগতৰ পৰা দুৰ্ভিক্ষ, ৰোগ-ব্যাধি আৰু মনৰ সংকীৰ্ণতা আঁতৰি যাওক। সকলোৰে জীৱনলৈ কঢ়িয়াই আনক শান্তি, সমৃদ্ধি আৰু ভাতৃত্ববোধৰ নতুন প্ৰভাত।

সমগ্ৰ পাঠকলৈ শৰদীয় দুৰ্গোৎসৱ তথা শুভ ষষ্ঠীৰ অন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।



# বিশ্ব খাদ্য দিৱস

# ক্ষুধাৰ বিৰুদ্ধে গোলকীয় সংকল্প আৰু আমাৰ দায়বদ্ধতা

*বিশ্ব খাদ্য দিৱসৰ মূল উদ্দেশ্যসমূহ কেৱল এক আনুষ্ঠানিক কাৰ্যসূচীতে সীমাবদ্ধ নহয়, বৰঞ্চ ইয়াৰ অন্তৰ্নিহিত নীতিসমূহ মানৱীয় অধিকাৰ আৰু বহনক্ষম উন্নয়নৰ সৈতে গভীৰভাৱে জড়িত। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে বি ৰ কোণে কোণে ক্ষুধা আৰু পুষ্টিহীনতাত আত্ৰান্ত হৈ থকা কোটি কোটি দুৰ্ভগীয়া লোকৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ দৃষ্টি আকৰ্ষণ কৰা। কেৱল কাৰ্বহাইড্ৰেটযুক্ত আহাৰেৰে পেট ভৰাই ৰখাটোৱেই মানৱৰ জীৱনৰ লক্ষ্য হ'ব নোৱাৰে, বৰঞ্চ শৰীৰৰ সঠিক বিকাশৰ বাবে প্ৰয়োজনীয় ভিটামিন, প্ৰ'টিন আৰু খনিজ পদাৰ্থ সমৃদ্ধ সুষম খাদ্যৰ প্ৰসাৰ ঘটোৱা এই দিৱসৰ মুখ্য উদ্দেশ্য। ইয়াৰ উপৰিও, কৃষিকাৰ্যক সমাজ আৰু অৰ্থনীতিৰ আটাইতকৈ সন্মানীয় আৰু শক্তিশালী ভিত্তি হিচাপে প্ৰতিষ্ঠা কৰা, অন্নদাতা কৃষক সমাজৰ আৰ্থ-সামাজিক মৰ্যাদা সুৰক্ষিত কৰা, আধুনিক জলসিঞ্চন আৰু বীজ প্ৰযুক্তিৰ যোগান ধৰা আৰু বিশ্বত খাদ্যৰ ন্যায় সংগত বিতৰণ সুনিশ্চিত কৰাটো এই দিৱসৰ অন্যতম প্ৰাথমিক লক্ষ্য। পৃথিৱীত উৎপাদিত খাদ্য সম্ভাৰ যাতে ধনী আৰু দৰিদ্ৰ উভয় শ্ৰেণীৰ মাজত সমভাৱে উপলব্ধ হয় আৰু কোনো এজন মানুহ যাতে খাদ্যৰ অভাৱত অনাহাৰে শুৱলগীয়া নহয়, সেই চেতনা সমাজৰ প্ৰতিটো স্তৰতে সঞ্চাৰ কৰাটোৱেই হৈছে ইয়াৰ মূল উদ্দেশ্য।*

মানৱ সভ্যতাৰ অস্তিত্ব, বিকাশ আৰু সমৃদ্ধিৰ মূল চালিকাশক্তি হ'ল খাদ্য। ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় যে আদিম মানুহৰ পশুপালন আৰু কৃষিকাৰ্যৰ আৰম্ভণিয়ে অঘৰী জীৱনৰ অৱসান ঘটাই স্থায়ী সমাজ ব্যৱস্থাৰ পাতনি মেলিছিল। কিন্তু বিংশ শতিকাৰ উত্তৰণ আৰু একবিংশ শতিকাৰ চমকপ্ৰদ প্ৰযুক্তিগত বৈপ্লৱিক পৰিৱৰ্তনৰ পাছতো পৃথিৱীৰ বুকুত খাদ্য সংকট সম্পূৰ্ণৰূপে নিৰ্মূল হোৱা নাই। বিশ্বৰ এফালে যদি অপৰিসীম খাদ্যৰ অপচয় আৰু প্ৰাচুৰ্য, আনফালে আকৌ অনাহাৰে বা পুষ্টিহীনতাত দিন কটোৱা কোটি কোটি দুৰ্ভগীয়া মানুহৰ আৰ্তনাদ। বিজ্ঞানৰ চৰম শিখৰত আৰোহণ কৰা মানৱ জাতিৰ সন্মুখত আজিও ক্ষুধা, অপুষ্টি আৰু অনাহাৰ এক চৰম প্ৰত্যাহ্বান হিচাপে ঠিয় দি আছে। এই জটিল গোলকীয় বাস্তৱতাক অনুধাৱন কৰি, সমগ্ৰ বিশ্বৰ মানুহৰ বাবে খাদ্য সুৰক্ষা নিশ্চিত কৰা আৰু পুষ্টিহীনতা দূৰীকৰণৰ অংগীকাৰেৰে প্ৰতি বছৰে পালন কৰা হয় বিশ্ব খাদ্য দিৱস।

ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থা (Food and Agriculture Organization বা চমুকৈ FAO) প্ৰতিষ্ঠা হোৱা ঐতিহাসিক দিনটোক সুঁৱৰি প্ৰতি বছৰে ১৬ অক্টোবৰ তাৰিখে সমগ্ৰ বিশ্বজুৰি এই দিৱস উদ্‌যাপন কৰা হয়। ১৯৪৫ চনৰ ১৬ অক্টোবৰত কানাডাৰ ক্যুবেক চহৰত ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থাৰ জন্ম হৈছিল। বিশ্বযুদ্ধই থানবান কৰা দেশসমূহৰ কৃষি পুনৰুদ্ধাৰ আৰু অনাহাৰত ভোগা লাখ লাখ মানুহক সকাহ দিয়াৰ বাবে এই সংস্থাৰ জন্ম হৈছিল। পৰৱৰ্তী সময়ত, ১৯৭৯ চনৰ নৱেম্বৰ মাহত অনুষ্ঠিত FAOৰ বিংশতিতম সাধাৰণ সন্মিলনত হাংগেৰীৰ প্ৰাক্তন কৃষি আৰু খাদ্যমন্ত্ৰী ড° পাল ৰোমানীয়ে বিশ্ব খাদ্য দিৱস পালনৰ আনুষ্ঠানিক প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰস্তাৱক সন্মিলনত উপস্থিত সকলো সদস্য ৰাষ্ট্ৰই সৰ্বসন্মতিক্ৰমে সমৰ্থন কৰে আৰু ১৯৮১ চনৰ পৰা সমগ্ৰ বিশ্বত আনুষ্ঠানিকভাৱে ১৬ অক্টোবৰৰ দিনটো বিশ্ব খাদ্য দিৱস হিচাপে পালন কৰি অহা হৈছে। তেতিয়াৰে পৰা প্ৰতি বছৰে বিশ্বজুৰি খাদ্য সুৰক্ষা, কৃষি উন্নয়ন, ক্ষয়-ক্ষতি ৰোধ আৰু পুষ্টিহীনতা নিৰ্মূলৰ বাবে জনসচেতনতা গঢ়ি তুলিবলৈ এই দিৱস এক বলিষ্ঠ মঞ্চ হিচাপে পৰিগণিত হৈ আহিছে।

বিশ্ব খাদ্য দিৱস কেৱল এটি আনুষ্ঠানিক দিৱস নহয়, ই ক্ষুধা আৰু খাদ্য সংকটৰ বিৰুদ্ধে এক গোলকীয় সংকল্প। বিশ্ব খাদ্য দিৱসৰ মূল উদ্দেশ্যসমূহ কেৱল এক আনুষ্ঠানিক কাৰ্যসূচীতে সীমাবদ্ধ নহয়, বৰঞ্চ ইয়াৰ অন্তৰ্নিহিত নীতিসমূহ মানৱীয় অধিকাৰ আৰু বহনক্ষম উন্নয়নৰ সৈতে গভীৰভাৱে জড়িত। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে বিশ্বৰ কোণে কোণে ক্ষুধা আৰু পুষ্টিহীনতাত আক্ৰান্ত হৈ থকা কোটি কোটি দুৰ্ভগীয়া লোকৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ দৃষ্টি আকৰ্ষণ কৰা। কেৱল কাৰ্বহাইড্ৰেটযুক্ত আহাৰেৰে পেট ভৰাই ৰখাটোৱেই মানৱ জীৱনৰ লক্ষ্য হ'ব নোৱাৰে, বৰঞ্চ শৰীৰৰ সঠিক বিকাশৰ বাবে প্ৰয়োজনীয় ভিটামিন, প্ৰ'টিন আৰু খনিজ পদাৰ্থ সমৃদ্ধ সুষম খাদ্যৰ প্ৰসাৰ ঘটোৱা এই দিৱসৰ মুখ্য উদ্দেশ্য। ইয়াৰ উপৰিও, কৃষিকাৰ্যক সমাজ আৰু অৰ্থনীতিৰ আটাইতকৈ সন্মানীয় আৰু শক্তিশালী ভিত্তি হিচাপে প্ৰতিষ্ঠা কৰা, অন্নদাতা কৃষক সমাজৰ আৰ্থ-সামাজিক মৰ্যাদা সুৰক্ষিত কৰা, আধুনিক জলসিঞ্চন আৰু বীজ প্ৰযুক্তিৰ যোগান ধৰা আৰু বিশ্বত খাদ্যৰ ন্যায় সংগত বিতৰণ সুনিশ্চিত কৰাটো এই দিৱসৰ অন্যতম প্ৰাথমিক লক্ষ্য। পৃথিৱীত উৎপাদিত খাদ্য সম্ভাৰ যাতে ধনী আৰু দৰিদ্ৰ উভয় শ্ৰেণীৰ মাজত সমভাৱে উপলব্ধ হয় আৰু কোনো এজন মানুহ যাতে খাদ্যৰ অভাৱত অনাহাৰে শুৱলগীয়া নহয়, সেই চেতনা সমাজৰ প্ৰতিটো স্তৰতে সঞ্চাৰ কৰাটোৱেই হৈছে ইয়াৰ মূল উদ্দেশ্য।

**প্ৰণৱ জ্যোতি বৰদলৈ**

**সাম্প্ৰতিক সময়ত বিশ্ব খাদ্য দিৱসৰ প্ৰাসংগিকতা ঃ**

সাম্প্ৰতিক সময়ত বিশ্ব খাদ্য দিৱসৰ প্ৰাসংগিকতা অতীতৰ যিকোনো সময়তকৈ অধিক বৃদ্ধি পোৱাৰ মূল কাৰণ হ'ল বৰ্তমানৰ গোলকীয় পটভূমিত খাদ্য সংকটৰ স্বৰূপ অধিক জটিল আৰু বহুমুখী হৈ পৰিছে। আজিৰ বিশ্বত ক্ষুধা কেৱল কম উৎপাদনৰ বাবে সৃষ্টি হোৱা নাই, বৰঞ্চ জলবায়ু পৰিৱৰ্তন, ভূ-ৰাজনৈতিক সংঘাত, অৰ্থনৈতিক বৈষম্য আৰু বজাৰকেন্দ্ৰিক শোষণৰ দৰে কাৰকে ইয়াক ভয়াৱহ কৰি তুলিছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত হোৱা অনিয়মীয়া বৰষুণ, চৰম খৰাং আৰু অপ্ৰত্যাশিত বানপানীয়ে কৃষিভূমিসমূহ ধ্বংস কৰি পেলাইছে। বিশ্বৰ বৃহৎ শস্য উৎপাদনকাৰী অঞ্চলসমূহত মাটিৰ উৰ্বৰতা হ্ৰাস পোৱাৰ ফলত উৎপাদনশীলতা হ্ৰাস পাইছে, যাৰ পোনপটীয়া প্ৰভাৱ বিশ্ব খাদ্য ভাণ্ডাৰৰ ওপৰত পৰিছে। প্ৰকৃতিৰ এনে চৰম বিপৰ্যয়ৰ সময়ত পৰম্পৰাগত কৃষিৰ পৰিৱৰ্তে জলবায়ু-সহনশীল কৃষি পদ্ধতি অৱলম্বন কৰাৰ আহ্বান বিশ্ব খাদ্য দিৱসেই বলিষ্ঠভাৱে জনাই আহিছে।

ইফালে, বিশ্বজুৰি চলি থকা যুদ্ধ-বিগ্ৰহ আৰু ভূ-ৰাজনৈতিক উত্তেজনা সমূহে খাদ্য সুৰক্ষালৈ কঢ়িয়াই আনিছে ভয়ংকৰ ভাবুকি। ইউক্ৰেইন আৰু ৰাছিয়াৰ যুদ্ধৰ পৰা আৰম্ভ কৰি মধ্যপ্ৰাচ্যৰ সামৰিক সংঘাতে বিশ্বৰ খাদ্য আৰু সাৰ যোগান শৃংখল সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি পেলাইছে। যুদ্ধৰ ফলত শস্যৰ ৰপ্তানি বন্ধ হোৱাৰ উপৰিও ৰাসায়নিক সাৰ আৰু ইন্ধনৰ অস্বাভাৱিক মূল্যবৃদ্ধিয়ে উন্নয়নশীল তথা অনুন্নত দেশসমূহৰ কৃষকসকলক দিশহাৰা কৰি তুলিছে। ইতিমধ্যে বহু গৱেষক-চিন্তাবিদে আগন্তুক ২০২৭ চনত বিশ্বৰ বহু দেশত খাদ্য নাটনি হোৱাৰ আশংকা ব্যক্ত কৰিছে। যুদ্ধৰ ফলশ্ৰুতিত বিশ্ববজাৰত খাদ্যসামগ্ৰীৰ মূল্য আকাশলংঘী হৈ পৰিছে আৰু ফলত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা কোটি কোটি মানুহৰ বাবে দুবেলা দুমুঠি অন্ন যোগাৰ কৰাটো এক অসম্ভৱ সংগ্ৰামত পৰিণত হৈছে। এই সংঘাতময় পৰিৱেশত খাদ্যক ৰাজনৈতিক অস্ত্ৰ হিচাপেও একাংশ ৰাষ্ট্ৰই ব্যৱহাৰ কৰা পৰিলক্ষিত হৈছে। এনে কুৎসিত প্ৰৱণতাৰ বিৰুদ্ধে বিশ্ব খাদ্য দিৱসে আন্তঃৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিৰ আহ্বান জনায়।

আজিৰ সময়ত সমগ্ৰ বিশ্বক জুৰুলা কৰা আন এক নিস্তব্ধ সংকট হৈছে 'গুপ্ত ক্ষুধা' বা Hidden Hunger। পেটৰ ভোক নিবাৰণ হোৱাৰ পাছতো যদি খাদ্যত প্ৰয়োজনীয় সূক্ষ্ম পুষ্টি উপাদান যেনে আইৰণ, জিংক, আয়'ডিন আৰু ভিটামিন নাথাকে, তেন্তে শৰীৰ ৰোগাক্ৰান্ত হৈ পৰে। বিশেষকৈ বিশ্বৰ অনুন্নত আৰু উন্নয়নশীল দেশবোৰত শিশুৰ দৈহিক আৰু মানসিক বৃদ্ধি স্তব্ধ হৈ পৰা (যাক ইংৰাজীত stunting and wasting বুলি কোৱা হয়) আৰু মহিলাসকলৰ মাজত ৰক্তহীনতা (anemia) বৃদ্ধি পোৱাটো এক অতি উদ্বেগজনক বিষয়। বিপৰীতফালে, আধুনিক নগৰীয়া সভ্যতাত অত্যধিক সংসাধিত বা জাংক ফুডৰ প্ৰচলনে মেদবহুলতা, উচ্চ ৰক্তচাপ আৰু মধুমেহৰ দৰে মাৰাত্মক জীৱনশৈলীজনিত ৰোগ সৃষ্টি কৰিছে। এনে এক গোলকীয় স্বাস্থ্য সংকটৰ সময়ত বিশ্ব খাদ্য দিৱসে সুষম, প্ৰাকৃতিক আৰু স্থানীয় পুষ্টিকৰ খাদ্য গ্ৰহণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে, যাতে মানৱ জাতি ৰুগীয়া ভৱিষ্যতৰ দিশে ঢাল নাখায়।

বিশ্ব খাদ্য ব্যৱস্থাৰ আটাইতকৈ বেদনাদায়ক আৰু নৈতিকভাৱে গৰ্হিত দিশটো হৈছে খাদ্যৰ অপচয়। ৰাষ্ট্ৰসংঘৰ পৰিসংখ্যা অনুসৰি, পৃথিৱীত মানুহৰ ভোগৰ বাবে উৎপাদিত সমগ্ৰ খাদ্যৰ প্ৰায় এক-তৃতীয়াংশ আহাৰ খাদ্য পাত্ৰত পৰাৰ আগেয়ে বিভিন্ন কাৰণত নষ্ট হৈ যায়। উন্নত দেশসমূহত আড়ম্বৰপূৰ্ণ জীৱনশৈলী, ছুপাৰমাৰ্কেটৰ অসাৱধানতা আৰু হোটেল-ৰেস্তোৰাঁৰ অদূৰদৰ্শী ব্যৱহাৰৰ ফলত টন টন ভাল খাদ্য ডাষ্টবিনত পেলোৱা হয়। আনফালে, উন্নয়নশীল দেশসমূহত আধুনিক শীতলীকৰণ ভঁৰাল, বৈজ্ঞানিক শস্য সংৰক্ষণ ব্যৱস্থা আৰু উন্নত পৰিবহণৰ অভাৱত পথাৰৰ পৰা বজাৰলৈ অনাৰ পথতেই শাক-পাচলি আৰু শস্য পচি ধ্বংস হয়। খাদ্য অপচয় মানে কেৱল খাদ্য নষ্ট হোৱাই নহয়, সেই খাদ্য উৎপাদনত ব্যয় হোৱা অগাধ পানী, মাটিৰ উৰ্বৰতা, মানৱ শ্ৰম আৰু ইন্ধনৰো অপচয় ঘটে, যিয়ে জলবায়ু প্ৰদূষণত বৃহৎ ভূমিকা লয়। সেয়েহে, খাদ্যৰ অপচয় ৰোধ কৰাটো বৰ্তমান সময়ৰ এক অন্যতম নৈতিক আৰু পৰিৱেশ সংৰক্ষণমূলক দায়িত্ব বুলি বিশ্ব খাদ্য দিৱসে সকীয়াই দিয়ে।

**ভাৰতবৰ্ষ আৰু অসমৰ পৰিপ্ৰেক্ষিতত খাদ্য সুৰক্ষা ঃ**

ভাৰতবৰ্ষৰ পটভূমিতো বিশ্ব খাদ্য দিৱসৰ প্ৰাসংগিকতা অতি গভীৰ আৰু তাৎপৰ্যপূৰ্ণ। এখন বিশাল জনসংখ্যাৰ দেশ হিচাপে ভাৰতে স্বাধীনতাৰ পৰৱৰ্তী কালত সেউজ বিপ্লৱৰ জৰিয়তে খাদ্যশস্য উৎপাদনত স্বাৱলম্বিতা অৰ্জন কৰাটো নিঃসন্দেহে এক ঐতিহাসিক সাফল্য। কিন্তু দেশৰ খাদ্য ভাণ্ডাৰ শস্যৰে উপচি পৰাৰ পাছতো সঠিক বিতৰণ ব্যৱস্থাৰ বিজুতি আৰু আৰ্থিক অসমতাৰ বাবে আজিও সমাজৰ এক বৃহৎ অংশৰ মাজত অপুষ্টিৰ ছাঁ আঁতৰি যোৱা নাই। ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন (NFSA), প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা আৰু বিদ্যালয়সমূহত প্ৰদান কৰা মধ্যাহ্ন ভোজন বা প্ৰধানমন্ত্ৰী পোষণ আঁচনিয়ে খাদ্য সংকট বহু পৰিমাণে লাঘৱ কৰিছে।

অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ দৃষ্টিৰে চালে এই বিষয়টোৱে আৰু এক সুকীয়া মাত্ৰা লাভ কৰে। অসম এখন কৃষি প্ৰধান ৰাজ্য হোৱা সত্ত্বেও প্ৰতি বছৰে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত হোৱা সংহাৰী বানপানী আৰু গৰাখহনীয়াই হাজাৰ হাজাৰ হেক্টৰ শস্যভূমি ধ্বংস কৰে। বান শুকুৱাৰ পাছত বালিয়ে খেতি পথাৰ পুতি পেলোৱাৰ ফলত বহু কৃষক নিঃস্ব হৈ পৰে। ইয়াৰ উপৰিও সংৰক্ষণ আৰু আধুনিক কৃষি বিপণনৰ অভাৱত কৃষকসকলে উৎপাদিত ফচলৰ উচিত মূল্য নাপায়। অসমৰ এই খাদ্য অনিশ্চয়তা দূৰ কৰিবলৈ হ'লে বান-প্ৰতিৰোধী ধানৰ জাতৰ প্ৰসাৰ, বৈজ্ঞানিক কৃষি প্ৰযুক্তিৰ ব্যৱহাৰ, স্থানীয়ভাৱে উপলব্ধ ঔষধি আৰু পুষ্টিকৰ শাক-পাচলিৰ সংৰক্ষণ আৰু গাঁও অঞ্চলত খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগ গঢ়ি তোলাটো অত্যন্ত প্ৰয়োজনীয়। এই আঞ্চলিক প্ৰত্যাহ্বানসমূহক বুজি পাই এক স্বাৱলম্বী কৃষি ব্যৱস্থা গঢ়াৰ বাবে বিশ্ব খাদ্য দিৱসে আমাক নতুন প্ৰেৰণা যোগায়।

**ক্ষুধা নিৰ্মূলৰ বাবে ভৱিষ্যতৰ কৰণীয়ঃ**

ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়ন লক্ষ্যসমূহৰ (Sustainable Development Goals) ভিতৰত দ্বিতীয় স্থানত থকা লক্ষ্যটোৱেই হৈছে ২০৩০ চনৰ ভিতৰত পৃথিৱীত 'শূন্য ক্ষুধা' (Zero Hunger) নিশ্চিত কৰা। এই মহৎ লক্ষ্যত উপনীত হ'বলৈ হ'লে বিশ্বজুৰি কেইবাটাও গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰাটো জৰুৰী। প্ৰথমতে, বিশ্বৰ ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষকসকলক, যিসকলে বিশ্বৰ সৰহসংখ্যক খাদ্য যোগান ধৰে, তেওঁলোকক সুলভ ঋণ, প্ৰযুক্তিগত প্ৰশিক্ষণ আৰু উন্নত বীজৰ সুবিধা প্ৰদান কৰি আৰ্থিকভাৱে স্বাৱলম্বী কৰিব লাগিব। দ্বিতীয়তে, অপচয় ৰোধৰ বাবে বিশ্বব্যাপী 'ফুড বেংক' আৰু সামাজিক অংশগ্ৰহণৰ এক শক্তিশালী শৃংখল গঢ়ি তুলিব লাগিব, যাতে আহাৰ নষ্ট নহৈ লগে লগে অভাৱী মানুহৰ হাতত পৰে। তৃতীয়তে, আধুনিক বিজ্ঞানৰ আশীৰ্বাদস্বৰূপ ড্ৰোন প্ৰযুক্তি, জৈৱ-সাৰ আৰু নিখুঁত কৃষিৰ (precision farming) জৰিয়তে পৰিৱেশৰ ক্ষতি নকৰাকৈ উৎপাদন বৃদ্ধিৰ কৌশল ৰূপায়ণ কৰিব লাগিব।

বিশ্ব খাদ্য দিৱস কেৱল এটা দিনৰ বাবে বক্তৃতা প্ৰদান বা আলোচনা চক্ৰ আয়োজনৰ মাজতেই সীমাবদ্ধ হৈ থাকিলে ইয়াৰ মহৎ উদ্দেশ্য সফল নহ'ব। এই দিৱস হৈছে আত্মবিশে-ষণ আৰু দায়বদ্ধতাৰ দিন। যিখন পৃথিৱীত এফালে বিলাসী হোটেলৰ আৱৰ্জনাৰ বাকচ খাদ্যৰে ভৰি পৰে, আনফালে এমুঠি অন্নৰ বাবে কণ কণ শিশোৱে হাঁহাকাৰ কৰে, সেই পৃথিৱীক সভ্য বুলি দাবী কৰিব নোৱাৰি। খাদ্য কোনো বিশেষ শ্ৰেণীৰ বিশেষাধিকাৰ নহয়, ই সকলোৰে প্ৰাপ্য আৰু মানৱীয় প্ৰয়োজনীয়তা। চৰকাৰী নীতি, আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ লগতে প্ৰতিজন সচেতন নাগৰিকৰ ব্যক্তিগত প্ৰচেষ্টাইহে বিশ্বক ক্ষুধা আৰু অপুষ্টিৰ পৰা মুক্ত কৰিব পাৰে। খাদ্যৰ মৰ্যাদা ৰক্ষা কৰা, অপচয় বন্ধ কৰা আৰু সংবেদনশীলতাৰে দুৰ্বলৰ কাষত থিয় দিয়াই হওক বিশ্ব খাদ্য দিৱসৰ প্ৰকৃত সংকল্প।

পৰিশেষত ক'ব পাৰি যে বিশ্ব খাদ্য দিৱস হৈছে মানৱ জাতিৰ সমূহীয়া বিবেকৰ জাগৰণৰ দিন। আমি মনত ৰখা উচিত যে খাদ্যৰ প্ৰতিটো দানাৰ সৈতে কৃষকৰ শ্ৰম, প্ৰকৃতিৰ অৱদান আৰু অসংখ্য মানুহৰ জীৱিকা জড়িত হৈ থাকে। সেয়েহে খাদ্যৰ অপচয় ৰোধ কৰা, কৃষকৰ পৰিশ্ৰমক সন্মান কৰা আৰু ক্ষুধাতুৰ লোকৰ কাষত থিয় দিয়াটো প্ৰতিগৰাকী নাগৰিকৰ নৈতিক দায়িত্ব। এখন ক্ষুধামুক্ত, পুষ্টিসমৃদ্ধ আৰু বৈষম্যহীন পৃথিৱী গঢ়ি তুলিবলৈ চৰকাৰ, সমাজ আৰু ব্যক্তিৰ মাজত সমন্বিত প্ৰচেষ্টা গঢ়ি তোলাটো সময়ৰ আহ্বান। ক্ষুধামুক্ত পৃথিৱী কেৱল এক সপোন নহয়, ই মানৱীয় ইচ্ছাশক্তি, ন্যায়সংগত ব্যৱস্থা আৰু সামূহিক দায়বদ্ধতাৰ জৰিয়তে বাস্তৱত পৰিণত কৰিব পৰা এক লক্ষ্য। বিশ্ব খাদ্য দিৱসৰ প্ৰকৃত বাৰ্তা হ'ল খাদ্যৰ অধিকাৰ সকলোৰে, সেয়েহে খাদ্য সুৰক্ষাৰ দায়িত্বও সকলোৰে।

# যুৱপ্ৰজন্মই বাছনি কৰক সাহিত্য ক্ষেত্ৰখন

যি সময়ত আমাৰ সমাজখন এক অভূতপূৰ্ব পৰিবৰ্তনৰ মাজেৰে গতি কৰিছে, ঠিক তেনে সময়তে আমাৰ যুৱপ্ৰজন্ম এক অত্যন্ত সংকটপূৰ্ণ আৰু সংবেদনশীল সন্ধিক্ষণত উপনীত হৈছে। এফালে বিজ্ঞান আৰু তথ্য-প্ৰযুক্তিৰ দ্ৰুত বিকাশে জীৱনযাত্ৰা সহজ কৰি তুলিছে, কিন্তু আনফালে ইয়াৰ অপব্যৱহাৰ, অসৎ সংগ, কাণ্ডজ্ঞানহীনতা, আৰু নৈতিক মূল্যবোধৰ অৱক্ষয়ে যুৱসমাজক ক্ৰমে এক অন্ধকাৰ আৰু দিশহাৰা পথাৰৰফালে ঠেলি দিছে। ডিজিটেল জগতৰ ক্ষণস্থায়ী আকৰ্ষণ, নিচাযুক্ত দ্ৰব্যৰ ভয়াবহ ব্যাপি, সামাজিক মাধ্যমত অহৰহ চৰ্চা হোৱা মানসিক উদ্বেগ আৰু একাকিত্বই আজিৰ সম্ভাৱনাময় তৰুণ-তৰুণীসকলক সত্য আৰু সুন্দৰৰ পৰা দূৰলৈ লৈ গৈছে। এনে এক নিৰাশাজনক সামাজিক পৰিৱেশত যুৱপ্ৰজন্মক বিপথগামী হোৱাৰ পৰা ৰক্ষা কৰি শুদ্ধ আৰু প্ৰগতিশীল পথলৈ ঘূৰাই অনাটো আমাৰ সমগ্ৰ সমাজৰ বাবে এক অত্যন্ত জৰুৰী আৰু নৈতিক দায়িত্ব হৈ পৰিছে। এই জটিল সময়ত সাহিত্যই একমাত্ৰ এনে এক সঞ্জীৱনী শক্তিৰূপে দেখা দিছে, যিয়ে এজন ব্যক্তিৰ মন আৰু মানসিকতাক সম্পূৰ্ণৰূপে পৰিশোধিত কৰি এক নতুন দিশ প্ৰদান কৰিব পাৰে। সাহিত্য কেৱল শব্দৰ সমাহাৰ বা বিনোদনৰ আহিলা নহয়; ই হ'ল মানৱীয় সমবেদনা, নৈতিকতা, আৰু যুক্তিপূৰ্ণ চিন্তাৰ এক চিৰন্তন উৎস। যেতিয়া এজন তৰুণে ভাল গ্ৰন্থৰ সংগ লয়, তেতিয়া তেওঁ জীৱনৰ গভীৰ অৰ্থ বুজি পাবলৈ সক্ষম হয়। সাহিত্যই মানুহক কেৱল নিজৰ কথা চিন্তা কৰিবলৈ নিশিকায়, বৰঞ্চ আনৰ দুখ-বেদনাক অনুভৱ কৰিব পৰাকৈ সংবেদনশীল কৰি তোলে। যিখন সমাজত সংবেদনশীলতা বৃদ্ধি পায়, তাত অপৰাধ, হিংসা আৰু বিশৃঙ্খলাৰ ঠাই নাথাকে। বৰ্তমানৰ যুৱক-যুৱতীসকল অতিশয় মেধাৱী, আৱেগিক আৰু কৌতূহলী, কিন্তু সঠিক দিশৰ অভাৱত তেওঁলোকৰ এই শক্তি ভুল স্থানত অপচয় হৈছে। সেয়েহে তেওঁলোকৰ হাতত মোবাইল ফোনৰ ব্যৱহাৰ সীমিত কৰি এখন ভাল পুথি বা কলম তুলি দিয়াটো সময়ৰ আহ্বায়ক। সাহিত্যই মানুহক কঠিন পৰিস্থিতিৰসতেও ধৈৰ্যৰে যুঁজিবলৈ শিকায় আৰু মানসিকভাৱে শক্তিশালী কৰি তোলে। অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ যি চহকী ঐতিহ্য আছে, শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱৰ পৰা আৰম্ভ কৰি লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, মামণি ৰয়ছম গোস্বামী, ড° ভূপেন হাজৰিকাৰ দৰে মহান মনীষীসকলৰ চিৰন্তন সৃষ্টিৰাজিয়ে সদায় মানৱতা, সততা আৰু জাতীয় স্বাভিমানৰ পাঠ পঢ়ুৱাই আহিছে। যেতিয়া আজিৰ যুৱপ্ৰজন্মই এই মহান সাহিত্যিকসকলৰ চিন্তা আৰু আদৰ্শৰ সংস্পৰ্শলৈ আহিব, তেতিয়া তেওঁলোকৰ অন্তৰত দেশ, মাটি আৰু মানুহৰ প্ৰতি অগাধ প্ৰেম জাগি উঠিব। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি গাঁৱে-ভূঁয়ে, চুবুৰিয়ে চুবুৰিয়ে পুথিভঁৰাল স্থাপন কৰা, নিয়মিত সাহিত্য চক্ৰ অনুষ্ঠিত কৰা, কবিতা আবৃত্তি, গল্প লিখন আৰু গ্ৰন্থ সমালোচনাৰ দৰে প্ৰতিযোগিতাৰ ব্যৱস্থা কৰিলে তৰুণ সমাজৰ মাজত সৃষ্টিশীল দৃষ্টিভংগীৰ উন্মেষ ঘটাব পৰা যাব। যেতিয়া এজন যুৱকে সাহিত্য সৃষ্টিৰ পৱিত্ৰ মঞ্চলৈ খোজ পেলায়, তেতিয়া তেওঁৰ মনৰ পৰা উগ্ৰতা, হীনমন্যতা আৰু হতাশা আঁতৰি যায় আৰু তাৰ ঠাইত স্থান লয় শান্তি, নতুন ভাবধাৰা আৰু দায়িত্ববোধে। সাহিত্য চৰ্চাই ব্যক্তি এজনক সমাজৰ অন্যায়, অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে এক স্পষ্ট আৰু যুক্তিপূৰ্ণ মাত মাতিবলৈ সাহস প্ৰদান কৰে। সেয়েহে আহক, আমি সকলোৱে মিলি আজিৰ এই বিপথগামী হ'বলৈ ধৰা যুৱপ্ৰজন্মক ধিক্কাৰ দিয়াতকৈ মৰমেৰে সাৱটি ধৰোঁ, তেওঁলোকক পুথিৰ অসীম আৰু সুন্দৰ পৃথিৱীখনৰ সৈতে চিনাকি কৰাই দিওঁ, আৰু সাহিত্যৰ এই পৱিত্ৰ পথাৰখনলৈ আগুৱাই আনি এটা সৎ, নৈতিকতাবাদী আৰু উজ্জ্বল নতুন সমাজ গঢ়াৰ সংকল্প গ্ৰহণ কৰোঁ।

**ৰাজু কলিতা**
*লেখকৰ ঠিকনা ঃ মাজুলী*
*ফোন ঃ ৬০০৩৪০৭৪৫৩*

# নাগাৰা নাম আৰু যুৱ-প্ৰজন্ম ঃ অসমীয়া লোকজীৱনত আধ্যাত্মিকতাৰ প্ৰভাৱ

নাগাৰা নাম মূলত হ'ল এক লোক-পৰিৱেশ্য কলা তথা লোক কলা। "নাগাৰা বা নেগেৰা" বাদ্যক মূল বাদ্য হিচাপে লৈ পৰিৱেশন কৰা এক লোক-পৰিৱেশ্য কলা। থিয় নাম, দিহা নাম, ঝুনা নাম, বহা নাম আদিৰ দৰে নাগাৰা নামো এক আধ্যাত্মিক ভাৱাপন্ন নাম।

নামনি অসমৰ নলবাৰী, দৰং, বৰপেটা, কামৰূপ আদি ঠাইত ইয়াৰ বহুল প্ৰচলন আছে। নাগাৰা নামত ব্যৱহৃত গীত-পদ আৰু সংলাপ নামনিৰ কথিত ভাষাত ৰচিত হোৱা বাবে ই উজনি অসমত ইমান বহুল প্ৰচাৰিত নহয়।

এযোৰ নাগাৰা আৰু কেইজোৰামান তাল, দলত এজন পাঠক (মূল গায়ক) আৰু কেইবাজনো পালিয়েই নাগাৰা নামৰ দলটোক পৰিপূৰ্ণ কৰে।

বিশেষকৈ, নাগাৰা নাম ৰাতি গোৱা হয়। নামঘৰ বা মুকলি চোতালত ৰাইজ গোট খাই বহি লৈ দৰ্শক- শ্ৰোতাই নাগাৰা নাম শুনে। নাগাৰা নামত পাঠকে সুৰ লগাই ভাগৱত পুৰাণ, কীৰ্ত্তনকে ধৰি বিভিন্ন ধৰ্মীয় কাহিনীৰ আলম লৈ ৰচনা কৰা গীতটো সুৰ, তাল, নৃত্য, গীতৰ মাধ্যমৰে "অধৰ্মৰ পৰাজয় আৰু ধৰ্মৰ জয় হোৱাৰ দৰে আধ্যাত্মিক আৰু নৈতিক শিক্ষাৰ বাৰ্তাস্বৰূপে দৰ্শকৰ আগত তুলি ধৰে। যিবোৰ পালিয়ে পাঠকৰ সুৰত সুৰ মিলাই গাই যায়।

নাগাৰা নামৰ পদসমূহৰ মাজতো একোটা কাহিনী থাকে। হাস্যৰস, বীৰৰস, কৰুণৰস আৰু ভক্তিৰসকে ধৰি নৱৰসৰ সমাহাৰ হোৱা এই কাহিনীবোৰ ৰামায়ণ, মহাভাৰত, পুৰাণ আৰু ভাগৱতৰ পৰা লোৱাৰ উপৰি সমাজৰ সাম্প্ৰতিক ঘটনাৰাজিৰ বিষয়েও আলোকপাত কৰি ৰচনা কৰি নিজ শৈলীৰে গোৱা হয়। প্ৰতিটো কাহিনীতে আদৰ্শমূলক কথা থাকে যেনে- অহংকাৰৰ পতন, ধৰ্মৰ জয় অধৰ্মৰ পৰাজয়, সৎ কৰ্মৰ সজ ফল, অসৎ কৰ্মৰ কু ফল আদিৰ শিক্ষা পোৱা যায়।

অৱশ্যে, নাগাৰা নাম শংকৰী সংস্কৃতিৰ পৰা ওলোৱা যদিও পিছলৈ ই এক স্বতন্ত্ৰ লোক-নাট্য কলা হিচাপে পৰিগণিত হৈ পৰিছে। সাম্প্ৰতিক সময়ত নাগাৰা নামৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰ দেখা যায়। ই অসমীয়া জাতিৰ কৃষ্টি আৰু উত্তৰণৰ বাবে নিশ্চয়কৈ এক শুভ লক্ষণ। বিশেষকৈ, যুৱ-প্ৰজন্মৰ মাজত নাগাৰা নামৰ প্ৰতি আকৃষ্টতা নিঃসন্দেহে এক যোগাত্মক বাৰ্তা।

অৱশ্যে, একাংশ শিল্পীয়ে আধ্যাত্মিকতা পৰিহাৰ কৰি সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰিবলৈ কৰা কিছু দৃষ্টিকটু প্ৰদৰ্শন কিম্বা কথা-বতৰাই যুৱ- প্ৰজন্মক আধ্যাত্মিক পৰিৱেশৰ মাজৰ পৰা আঁতৰাই বিপথেও পৰিচালিত কৰিব পাৰে। সেয়েহে, এইক্ষেত্ৰত শিল্পটোৰ লগত জড়িত জ্যেষ্ঠ শিল্পীসকলে কনিষ্ঠই বা জ্যেষ্ঠই হওক সেই শিল্পীসকলক পৰিমাৰ্জিত কৰিবলৈ চেষ্টা কৰাটো নিতান্তই প্ৰয়োজনীয়। নহ'লে, ভুল আধ্যাত্মিক আৰু সাংস্কৃতিক বাৰ্তাই সমাজখনক বিশেষকৈ যুৱ-প্ৰজন্মক বিপথগামী কৰিব।

*পিংকু মণি ৰায় চৌধুৰী*
*লেখকৰ ঠিকনা ঃ জয়সাগৰ, নলবাৰী*
*দূৰভাষ ঃ ৯৯৫৪২২৬৬৪১*

কৃতি শিক্ষকৰ বঁটা বা যুৱ লেখকৰ বঁটা কি কি নিয়মৰ ভিত্তিত তাড়নাত গ্ৰহণ কৰিছোঁ। এইক্ষেত্ৰত মোৰ উপাই নাই, কাৰণ মোৰ



## তিনিখিন মিছিং জনগোষ্ঠীৰ গাঁও সামৰি প্ৰথমবাৰলৈ শৈক্ষিক সজাগতা সভা কমলাবাৰী একাডেমীৰ

# ‘গাঁৱলৈ যাওঁ ব’লক’ কাৰ্যসূচীত ৰাইজৰ ব্যাপক সমাৰেশ

**অসম বাৰ্তা, উজনী মাজুলী, ১৫ অক্টোবৰ ঃ** মাজুলী কমলাবাৰী একাডেমী য়ে হাতত লোৱা শৈক্ষিক কাৰ্যসূচীয়ে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। আধাতে বিদ্যালয় এৰা, বাল্য বিবাহ আৰু শিশু শ্ৰমিক সমস্যাৰ পৰা সমাজক মুক্ত কৰাৰ এক ব্যতিক্ৰমী পদক্ষেপ “গাঁৱলৈ যাও ব’লক” কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। কমলাবাৰী চাৰিআলিৰ উপকণ্ঠৰ দৰিয়াগাঁৱত অৱস্থিত বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ সোণালী জয়ন্তী আগত ৰাখি বিদ্যালয় খনে কৰা এই পদক্ষেপৰ তৃতীয় খনি কাৰ্যসূচী আজি ১৫ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে তিনিখন গাঁও ঝাৰণি সোণোৱাল, বাঁহপৰা আৰু ৰান্ধনীচুক গাঁও আৰু তিনিখন প্ৰাথমিক বিদ্যালয়ৰ সহযোগত অনুষ্ঠিত হয়। মিছিং জনগোষ্ঠীৰ গাঁৱত প্ৰথমবাৰলৈ অনুষ্ঠিত হোৱা এনে শৈক্ষিক সজাগতা সভালৈ গএগই ব্যাপক সঁহাৰি জনাই সমাৰেশথলী উৰুলি মুদুলি কৰি তোলে। পুৱা ১০-৩০ বজাত একাডেমীৰ ছাত্ৰ ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকল ঝাৰণি সোণোৱাল প্ৰাথমিক বিদ্যালয়ত উপস্থিত হয়। তাৰপৰা দুয়োখন বিদ্যালয়ে শোভাযাত্ৰা কৰি গাঁৱৰ মাজেদি গৈ ৰান্ধনী চুক গাঁৱত উপস্থিত হয়। পথত বাঁহপৰাৰা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক শিক্ষয়িত্ৰী আৰু অভিভাৱক অভিভাৱিকা সকলো লগ হয়। কেওখন বিদ্যালয়ৰ শোভাযাত্ৰাৰ দলটোৱে ১১ বজাত বাঁহপৰা বিদ্যালয়ৰ চৌহদৰ সভাথলীত উপস্থিত হয়গৈ। হাতে হাতে প্লে’কাৰ্ড লৈ -আধাতে বিদ্যালয় এৰাৰ পৰা শিশুক ৰক্ষা কৰক, শিশুক পঢ়িবলৈ দিয়ক, কম বয়সত বিবাহ হ’বলৈ নিদিব, বিদ্যালয়লৈ নিয়মীয়াকৈ পঠাওক আদি শ্লোগানেৰে দলটোৱে ৰাইজক আকৰ্ষণ কৰিবলৈ প্ৰয়াস কৰে। সজাগতা সভাখনি কমলাবাৰী একাডেমীৰ প্ৰধান শিক্ষক কমল দত্তৰ সভাপতিত্বত অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ সম্পাদক শংকৰ জ্যোতি ৰেগনে আঁতধৰা আৰু পম্পী হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিতে অভ্যৰ্থনা সমিতিৰ হৈ একোখনি গামোচাৰে আদৰণি জনাই সকলোকে। সভাত মাজুলী জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল শইকীয়া, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনীন্দ্ৰ ভূএগ, সাংবাদিক দীপু বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক নগেন সাতোলা, কমলাবাৰী একাডেমীৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী আশা ৰাণী হাজৰিকা, বাঁহপৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান দেৱ প্ৰসাদ পায়েং, ঝাৰণি সোণোৱালৰ প্ৰধান শিক্ষক গণেশ দত্ত, ৰান্ধনীচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কৃষ্ণাৰাণী শইকীয়া, জিলা শিশু কল্যাণ সমিতিৰ অধ্যক্ষ থানুকৃষ্ণ দত্ত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে। সভাপতি তথা কমলাবাৰী একাডেমীৰ প্ৰধান শিক্ষক কমল দত্তই আগন্তুক দিনত বিদ্যালয়খনত আৰম্ভ কৰিবলগীয়া “প্ৰতিযোগিতামূক পৰীক্ষাৰ শিক্ষা” শীৰ্ষক এক বিশেষ শ্ৰেণীৰ বিষয়ে আনুষ্ঠানিক ঘোষণা কৰে। ষষ্ঠ শ্ৰেণীৰ পৰাই আৰম্ভ হ’বলগীয়া এনে পাঠদান চৰকাৰী বিদ্যালয়ত প্ৰথম হ’ব বুলি দাবী কৰি ৰাইজক বিদ্যালয়খনৰ প্ৰতি আস্থা ৰাখিবলৈ অনুৰোধ কৰে। সভাত ছাত্ৰনেতাদ্বয়ে ভাষণ দি কমলাবাৰী একাডেমিৰ পদক্ষেপক আদৰণি জনায় আৰু আগন্তুক দিনত বিদ্যালয়খনৰ লগত থকাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। কেউগৰাকী আমন্ত্ৰিত অতিথিয়ে ভাষণত বিদ্যালয়খনৰ পদক্ষেপক ব্যতিক্ৰমী বুলি উল্লেখ কৰে আৰু ইয়াক অধিক প্ৰসাৰিত কৰাত গুৰুত্ব দিয়ে। সভাৰ সাংস্কৃতিক কাৰ্যসূচীত বাঁহপৰা প্ৰাথমিক বিদ্যালয়, ঝাৰণি সোণোৱাল প্ৰাথমিক বিদ্যালয়, ৰান্ধনী চুক প্ৰাথমিক বিদ্যালয় আৰু কমলাবাৰী একাডেমিৰ ছাত্ৰ-ছাত্ৰীসকলে পৃথকে পৃথকে দিহানাম, সুৰ সমলয়, মিছিং বিহুৰ দলীয় নৃত্য প্ৰদৰ্শন কৰিলে উপৰিও তিনিখন গাঁৱৰ মহিলাসকলে সাংস্কৃতিক কাৰ্যসূচী দিহানাম, গুমৰাগ নৃত্য ৰূপায়ণ কৰে। অতিথি শিশু শিল্পী স্মৃতাননা শইকীয়াইও এটি গীত পৰিৱেশন কৰে। সভাত কমলাবাৰী একাডেমি পৰা অভ্যৰ্থনা সমিতিৰ সভাপতি জয়ন্ত পায়েং, সম্পাদক শংকৰ জ্যোতি ৰেগন আৰু জ্যেষ্ঠ শিল্পী শৰ্মা ৰেগনক একোখনি গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। তিনিওখন গাঁৱৰ মহিলাসকলে ছাত্ৰ-ছাত্ৰী আৰু অতিথি সকলক দুপৰীয়া আহাৰ পৰিৱেশন কৰা আৰু সেই ক্লাষ্টাৰৰ চিআৰচি মনোজ্যোতি ৰেগন, কমলাবাৰী একাডেমীৰ পৰিচালনা সমিতিৰ সভাপতি অৰূপ ৰেগন, প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী সকল আৰু বহু কেইগৰাকী স্থানীয় লোকে অভ্যৰ্থনা সমিতিক পূৰ্ণ সহযোগিতা আগবঢ়ায়।

# পৰিবহণ বিভাগ আৰু পোহৰ হিৰোৰ উদ্যোগত হাজোত বিনামূলীয়া চকু চিকিৎসা শিৱিৰ সম্পন্ন



**অসম বাৰ্তা, হাজো, ১৫ অক্টোবৰ ঃ** হাজোৰ নতুন বজাৰস্থিত দুচকীয়া বাহনৰ শ্ব’ৰূম ‘পোহৰ হিৰো’ৰ সহযোগত আৰু জিলা পৰিবহণ বিভাগ আৰু জিলা যুটীয়া স্বাস্থ্য বিভাগৰ যৌথ উদ্যোগত আজি এটি বিনামূলীয়া চকু চিকিৎসা শিৱিৰ সফলতাৰে অনুষ্ঠিত হৈ যায়। চৰকাৰৰ ‘সেৱা সংকল্প অভিযান’ৰ অংশ হিচাপে এই চকু পৰীক্ষা শিৱিৰৰ আয়োজন কৰা হয়। বিশেষকৈ পথ সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে অনুষ্ঠিত এই শিৱিৰত অঞ্চলটোৰ বাহন চালক আৰু হেণ্ডিমেনসকলৰ চকু পৰীক্ষাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। দিনটোৰ ভিতৰত অভিজ্ঞ চিকিৎসকৰ দলৰ দ্বাৰা প্ৰায় শতাধিক বাহন চালক আৰু হেণ্ডিমেনৰ চকু পৰীক্ষা সম্পন্ন কৰা হয়। অনুষ্ঠানত জিলা পৰিবহণ বিষয়াৰ লগতে কামৰূপ জিলা যুটীয়া স্বাস্থ্য বিভাগৰ কেইবাজনো বিষয়া আৰু স্থানীয় পোহৰ হিৰোৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে। এই ধৰণৰ জনহিতকৰ পদক্ষেপে চালকসকলৰ দৃষ্টিশক্তিজনিত সমস্যা দূৰ কৰাৰ লগতে সম্ভাব্য পথ দুৰ্ঘটনা ৰোধ কৰাত বিশেষ সহায় কৰিব বুলি পৰিবহণ বিভাগৰ বিষয়াই জানিবলৈ দিয়ে।

## ডবকা থানাত লিখিত এজাহাৰ দাখিল

# ডবকাত কিশোৰীৰ গোপন ভিডিঅ’ প্ৰস্তুত কৰাৰ অভিযোগ

**অসম বাৰ্তা, ডবকা, ১৫ অক্টোবৰ ঃ** ডবকা থানাৰ অন্তৰ্গত ডবকা টাউনৰ এগৰাকী কিশোৰী তথা কলেজীয়া নাবালিকা ছাত্ৰীৰ স্নানাগাৰত গোপন ভিডিঅ’ প্ৰস্তুত কৰাৰ এক চাঞ্চল্যকৰ ঘটনা পোহৰলৈ আহিছে। এই সন্দৰ্ভত ভুক্তভোগী কিশোৰীগৰাকীৰ পিতৃ মজিবুৰ ৰহমানে ডবকা আৰক্ষী থানাত এক লিখিত এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ কৰা মতে যোৱা বুধবাৰে দিনৰ প্ৰায় ২:৩০ বজাত কিশোৰী গৰাকীয়ে নিজ ঘৰৰ স্নানাগাৰত গা-ধুই থকা অৱস্থাত একেই ৱাৰ্ডৰে বাসিন্দা ৰহিম উদ্দিনৰ পুত্ৰ মজিবুৰ নামৰ যুৱকজনে স্নানাগাৰৰ টিনৰ ওপৰেৰে মোবাইল ফোন সুমুৱাই গোপনে ভিডিঅ’ ৰেকৰ্ডিং কৰাৰ চেষ্টা চলায়। কিশোৰী গৰাকীয়ে অঘটনটো অনুধাৱন কৰি চিএঞৰ-বাখৰ কৰাত দুষ্কৃতিকাৰী মজিবুৰ ঘৰৰ চালৰ পৰা জাঁপ মাৰি পলায়ন কৰে। চিএঞৰ-বাখৰ শুনি ওচৰ-চুবুৰীয়া লোক ঘটনাস্থলীত উপস্থিত হয়। পৰৱৰ্তী সময়ত, উক্ত অভিযুক্ত মজিবুৰৰ মোবাইলটো পৰীক্ষা কৰোঁতে তাত কিশোৰী গৰাকীৰ দৃশ্য সংৰক্ষিত হৈ থকা দেখা যায়। কিন্তু অভিযুক্তৰ পিতৃ ৰহিম উদ্দিন আৰু ভ্ৰাতৃ ওৱাহিদুৰ ৰহমানে মজিবুৰৰ হাতৰ পৰা জোৰ-জবৰদস্তিকৈ মোবাইলটো কাঢ়ি লৈ ভিডিঅ’ সমূহ ডিলেট কৰি পেলায় আৰু পুত্ৰক পলায়ন কৰাত সহায় কৰে। সম্প্ৰতি অভিযুক্ত মজিবুৰৰ লগতে ভাতৃ তৈয়বুৰক আৰক্ষীয়ে আটক কৰি থানালৈ লৈ আনে যদিও অভিযুক্তৰ পৰিয়ালে কিশোৰী গৰাকীৰ জীৱন আৰু ভৱিষ্যত ধ্বংস কৰাৰ ভাবুকি প্ৰদান কৰা বুলি এজাহাৰত গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। ইফালে অভিযুক্তৰ পিতৃ ৰহিম উদ্দিন পলাতক হৈ আছে। সোধ-পোছৰ অন্তত বৃহস্পতিবাৰে ডবকা আৰক্ষীয়ে মুজিবুৰ ৰহমান আৰু তৈয়বুৰ ৰহমানক শ্ৰীমন্ত শংকৰদেৱ নগৰ আদালতলৈ প্ৰেৰণ কৰে।

## চৈধ্য মাইল-তাৰিয়নী ৰাজগড় পথ পুনৰ হৈ পৰিল বিধ্বস্ত

# জহি-খহি গ’ল ৭৩.৯৩ লাখ টকাৰে নিৰ্মাণ কৰা পথ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৫ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰৰ লাখ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা পথৰ অৱস্থা বিধ্বস্ত হোৱাৰ ঘটনা অব্যাহত আছে। লখিমপুৰ জিলাৰ বগীনদী ব্লকৰ অন্তৰ্গত চৈধ্য মাইল তিনিআলিৰ পৰা তাৰিয়নী ৰাজগড় সংযোগী পথটো ঠায়ে-ঠায়ে জৰাজীৰ্ণ হৈ পৰাত ক্ষোভ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। পথটোত তথ্যফলকত উল্লেখ থকা অনুসৰি নিৰ্মাণৰ কাম ২০২০ চনৰ জুন মাহৰ পৰা আৰম্ভ হৈছিল যদিও বাস্তৱত নিৰ্মাণকাৰ্য বহু পলমকৈহে আৰম্ভ হৈছিল। ৰাজ্যিক স্ব-উন্নয়ন প্ৰাধান্য পুঁজিৰ অধীনত ৭৩.৯৩ লাখ টকা ব্যয়েৰে ২.৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথটো নিৰ্মাণ কৰা হৈছিল। সেই সময়ৰ বিজেপি চৰকাৰৰ মন্ত্ৰী নব কুমাৰ দলেয়ে পথটোৰ আধাৰশিলা স্থাপন কৰিছিল। কিন্তু নিৰ্মাণৰ কিছুদিনৰ পিছতেই পথটোৰ বিভিন্ন স্থানত ডাঙৰ ডাঙৰ ফাট মেলে, মাটি জহি-খহি যোৱাৰ লগতে পথৰ পৃষ্ঠভাগ সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছে। যাৰ ফলত যাতায়তৰ ক্ষেত্ৰত ৰাইজে গভীৰ অসুবিধাৰ সন্মুখীন হৈছে। পথটো নিৰ্মাণত সংঘটিত হোৱা দুৰ্নীতি আৰু অনিয়মৰ বাবেই এই দশা হোৱাটো নিশ্চিত। নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰি, সঠিক তদাৰকী নোহোৱাকৈ নিৰ্মাণকাৰ্য সম্পন্ন কৰাৰ ফলত ৰাজহুৱা ধনৰ অপচয় হৈছে বুলি অভিযোগ উত্থাপন হৈছে। এই পৰিপ্ৰেক্ষিতত পথটো নিৰ্মাণ কাৰ্যৰ লগত জড়িত ঠিকাদাৰ, অভিযন্তা তথা বিভাগীয় কৰ্তৃপক্ষৰ বিৰুদ্ধে নিৰপেক্ষ তদন্ত কৰি দোষীক শাস্তি প্ৰদানৰ দাবী জনাইছে সচেতন ৰাইজে। লগতে পথটো অতি শীঘ্ৰে পুনৰ মেৰামতি কৰি যাতায়তৰ বাবে উপযোগী কৰি তোলাৰ বাবে জিলা আয়ুক্তক দাবী জনাইছে।

# মাতৃহাৰা হ’ল মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱা

## ১০৩ বছৰ বয়সত দেহাৱসান আইতি দেৱীৰ; বিভিন্নজনৰ শোক প্ৰকাশ

**অসম বাৰ্তা, বনগাঁও, ১৫ অক্টোবৰ ঃ** মাজুলী জিলাৰ ৰঙাচাহী গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰঙাচাহী বৰ বাম চাপৰি গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক মৃত ধনী ৰাম বৰুৱা (নাথ)ৰ সহধৰ্ম্মিণী তথা মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰুৱাৰ মাতৃ সৰবৰহী ধৰ্ম্মপ্ৰানা মহিলা-আইতি দেৱীৰ ১৪ অক্টোবৰৰ নিশা প্ৰায় ৯-০০ বজাত বাৰ্দ্ধক্যজনিত কাৰণত ১০৩ বছৰ বয়সত পৰলোক প্ৰাপ্তি হয়। জিলাখনৰ এগৰাকী বয়োজ্যেষ্ঠ মহিলাৰ মৃত্যুত সমগ্ৰ গাঁও অঞ্চলত শোকৰ ছাঁ পৰে। তেওঁৰ মৃত্যুত অসম সাহিত্য সভাৰ সম্পাদক দেৱজিৎ বৰা, মাজুলী জিলা সাহিত্য সভা, মাজুলী জিলা নাথ-যোগী সন্মিলনী, অসম নাথ যোগী সাহিত্য সভা, মাজুলী জিলা সাংবাদিক সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ-মাজুলী জিলা সমিতি, মাজুলীৰ বিভিন্ন দল সংগঠন, বৃহতৰ ৰঙাচাহী অঞ্চলৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, মাজুলী জিলা কবি সন্মলনী, জিলা যোগী মহিলা সন্মিলনী,মাজুলী জিলা নাথ যুৱ পৰিষদ, সোণাৰি আটী চাৰি আলি ব্যৱসায় সন্থা, স্বৰাজ মহিলা আত্ম সহায়ক গোট, সোণাৰিআটী মজলীয়া বিদ্যালয় শিক্ষক-কৰ্মচাৰী, ৰঙাচাহী প্ৰগতি ৰংগমঞ্চ, বৰ বাম চাপৰি কৃষ্টি কেন্দ্ৰ আদি কৰি ভালে সংখ্যক শুভাকাংক্ষী লোকে বয়োজ্যেষ্ঠ আই মাতৃ গৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি মৃত আত্মাৰ চিৰশান্তি হকে ভগৱানৰ চৰণত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে। তৃতীয় পুত্ৰ প্ৰভাত নাথৰ গৃহতে দেহাৱসান হোৱা আইতি দেৱীয়ে মৃত্যুৰ সময়ত পাচঁজন পুত্ৰ, বোৱাৰী, পাচঁ গৰাকী জী-জোৱাই, নাতি-নাতিনীৰে ভৰপুৰ এটি বৃহৎ পৰিয়াল, ইষ্ট-কুটুম্ব, আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ যায়।

## গোপীৰাম বৰ গায়নৰ অৱদানসমূহ গৱেষণাৰ প্ৰয়োজন ঃ ড° নিৰোদ বৰুৱা

# পদ্মশ্ৰী গোপীৰাম বৰ গায়ন বুঢ়াভকত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন

## “সেৱা ৰস সাৰ” স্মৃতি গ্ৰন্থ আৰু তথ্য চিত্ৰ উন্মোচন

**অসম বাৰ্তা, মাজুলী, ১৫ অক্টোবৰ ঃ** ভাৰত চৰকাৰৰ সংগীত নাটক আৰু পদ্মশ্ৰী সন্মান প্ৰাপক বৈকুণ্ঠগামী গোপীৰাম বৰ গায়ন বুঢ়াভকত আদ্যশ্ৰাদ্ধাৰ আজি দ্বিতীয় দিনা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন হয়। সেই উপলক্ষে সত্ৰৰ মুকলি প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে উপেন বৰ গায়নৰ কণ্ঠৰ বৰগীতেৰে। তাৰ পাছতে আৰম্ভ হয় শ্ৰদ্ধাঞ্জলি তথা স্মৃতিচাৰণ সভা। সভাখনিত সভাপতিত্ব কৰে উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জানাৰ্দনদেৱ গোস্বামীয়ে। সত্ৰৰ বৈষ্ণৱ তীৰ্থ বৰগায়ননে আঁত ধৰা অনুষ্ঠানত অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা সুধি বৃন্দক মান্যানুসৰী আসনত উপবিষ্ট কৰোৱাৰ পাছত গামোচা আৰু স্মাৰক প্ৰদানেৰে আদৰণি জনায়। ইয়াৰ পাছতে অনুষ্ঠানটি উদ্বোধন কৰে মাজুলী বিশ্ববিদ্যালয়ত উপাচাৰ্য ড° নিৰোদ কুমাৰ বৰুৱাই। উদ্বোধক ডঃ বৰুৱাই গোপীৰাম বৰগায়ন বুঢ়াভাকাত সত্ৰখন এক পৰিচয় আছিল। তেখেতৰ অমূল্য অৱদান সমূহ গৱেষণা কৰাৰ প্ৰয়োজন আছে আৰু সঠিক গৱেষণাৰ দ্বাৰাহে এই সমূহক আমি সঠিক ভাবে মূল্যাঙ্কন কৰা হব বুলি উল্লেখ কৰে। অনুষ্ঠানত ডঃ যাদৱ বৰা আৰু তীৰ্থ ভূএগ বৰ গায়নে সম্পাদন কৰা “সেৱা ৰস সাৰ” শ্ৰদ্ধাঞ্জলি গ্ৰন্থ উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই। উন্মোচক ড° হাজাৰিকাই কয়- মোৰ কাৰণে এয়াই প্ৰথম অতি কম সময়ৰ ভিতৰত ইমান ডাঙৰ গ্ৰন্থ সম্পাদন কৰি উলিওৱা আৰু উন্মোচন কৰা। প্ৰায় ১৫০ জনৰ অধিক ব্যক্তিৰ অৱদান আছে এই গ্ৰন্থত। এই গ্ৰন্থ খনি গৱেষণাৰ সমল আছে যথেষ্ট। গোপীৰাম বৰ গায়নৰ আদৰ্শ কিয় যুৱক যুৱতী সকলে লব লাগে সেই সন্দৰ্ভত ভাষণ প্ৰদান কৰি কয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ত গোপীৰাম বুঢ়াভকতত এইজনা বুঢ়া ভকতক স্থান দিয়া হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতিত কোৱাৰ দৰে আনুষ্ঠানিক শিক্ষা নাথাকিলেও ডিব্ৰুগড় বিশ্ববিদ্যালয়ে পৰিৱেশ্য কলাৰ শিক্ষক হিচাপে এই গৰাকী গুনুসম্পন্ন ব্যক্তিক উপযুক্ত ভাবেই নিযুক্তি দিয়া আছে। দ্বিতীয়তে ১০৩ বছৰ ১০ মাহ জীয়াই থকা এই গৰাকী ব্যক্তিৰ জীৱন শৈলী আমাৰ যুৱক যুৱতী সকলে জনাটো য়া অতীৱ প্ৰয়োজন। এজন বয়স্কয়ী কেনেকৈ সু স্বাস্থ্যবান হৈ থাকিব পাৰে সেই সকলোখিনি এই গৰাকী ১০৩ বছৰীয়া ব্যক্তিয়ে দেখুৱাই গৈছে। কেনেকৈ সামাজিক আৰু আধ্যাত্মিক সমাজে মানসিক স্বাস্থ্য ভালে থকাত পূৰ্ণ সমৰ্থন আগবঢ়াই, শাৰীৰিক আৰু মানসিক স্বাস্থ্য ভালে ৰাখিবলৈ সুষম অহাৰ কিদৰে গ্ৰহণ কৰিব লাগে সেই সন্দৰ্ভত যুৱক যুৱতী সকলক আহ্বান জনায় এক সাৱলীল ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ডঃ যাদৱ ৰাৰ প্ৰযোজনা আৰু পৰিকল্পনাৰে গোপীৰাম বুঢ়াভকতৰ জীৱন শৈলীৰ আধাৰত নিৰ্মিত চুটি তথ্য চিত্ৰ “সেৱা ৰস সাৰ” উন্মোচন কৰে ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰীয়ে। ভাষণ প্ৰসংগত আয়ুক্ত কৈৰীয়ে মাজুলী জিলা আয়ুক্ত হিচাপে থকাৰ সময়য়াৰ পৰা বৰ্তমানলৈকে তেখেতৰ সান্নিধ্যৰ কথা স্মৰণ কৰে আৰু বুঢ়াভাকাত সঁচাই এগৰাকী অন্যান্য প্ৰতিভাৰ গৰাকী আছিল বুলি উল্লেখ কৰে। অনুষ্ঠানত পদ্মশ্ৰী ভূপেন্দ্ৰ সিং সঞ্জয়ে গোপীৰাম বৰ বায়ন বুঢ়াভাকাতৰ লগত একে দিনাই পদ্মশ্ৰী সন্মান গ্ৰহণ কৰা অভিজ্ঞতাৰ সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰি সকলোকে মোহাচ্ছন্ন কৰি তোলে। অনুষ্ঠানত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাস মহন্তই বুঢ়াভকতৰ সান্নিধ্যৰ সন্দৰ্ভত ভাষণ প্ৰসংগত উল্লেখ কৰাৰ লগতে শংকৰদেৱ আৰু মাধৱদেৱে বৃহত্তৰ অসমীয়া জাতিক যিমানখিনি দি গৈছে সেইসকলো সত্ৰসমূহে সঠিক ৰূপত আগুৱাই লৈ যোৱাৰ বাবে আজি অসমীয়া জাতি জাতিষ্কাৰ হৈ আছে বুলি তাৎপৰ্যপূৰ্ণ বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ড° কৰুণা বৰাই মুখ্য বক্তা হিচাপে গোপীৰাম বুঢ়াভাকাত ভকতৰ জীৱনৰ পৰিক্ৰমা আৰু তেখেতৰ সৃষ্টিৰাজীৰ সন্দৰ্ভত বিশদভাবে ব্যাখ্যা কৰে। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামে। অনুষ্ঠানত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, দিনানাথ বৰুৱা বায়ন পুষ্য পুত্ৰ, তিনিচুকীয়া সমাজকৰ্মী অনিল বৰা, ডিব্ৰুগড় বিশ্ববিদ্যালয় উজ্জ্বল শইকীয়া, জৰাবাৰী সত্ৰৰ সত্ৰাধিকাৰ ৰামচন্দ্ৰ মহন্ত আদি বিশিষ্ট ব্যক্তিয়ে। অনুষ্ঠানৰ শেষত সভাপতি জানাৰ্দন দেৱ গোস্বামীয়ে তেখেত সত্ৰাধিকাৰ হিচাপে সত্ৰখনিলৈ অহাৰ দিনধৰি বৰ্তমানলৈকে সত্ৰ পৰিচালনাৰ ক্ষেত্ৰত বুঢ়া ভকতৰ পৰা পোৱা অভিজ্ঞতা সন্দৰ্ভত উল্লেখ কৰে আৰু বুঢ়াভকতে পৌৰাণিক আৰু আধুনিক সংমিশ্ৰণেৰে সমাজখন আগুৱাই নিবলৈ প্ৰয়াস কৰিছিল বুলি উল্লেখ কৰি সভাপতিৰ মন্তব্যৰ সভা ভঙ্গ ঘোষণা কৰে। দিনৰ ভাগৰ এই অনুষ্ঠানৰ পাছত সন্ধ্যা এশ এগছি বন্তি পৰাজলন অনুষ্ঠানত অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই অংশগ্ৰহণ কৰাৰ লগতে ৰাতিৰ ভাগত বুঢ়া ভকতৰ জন্ম ভূমি নামকাতনি গাঁৱৰ ৰাইজে প্ৰদৰ্শন কৰা “শ্ৰী কৃষ্ণৰ বৈকুণ্ঠ প্ৰায়ন ভাওনা” ভাগি উদ্বোধন কৰে প্ৰেম ওজা বৰ বায়নে।

## আধুনিক কৃষি পদ্ধতি আৰু জলবায়ুজনিত প্ৰত্যাহ্বান মোকাবিলাত গুৰুত্ব আৰোপ

# দৰঙৰ ফকিৰপাৰা ঘেনামাৰীত কৃষি প্ৰযুক্তি তথ্যকেন্দ্ৰ মুকলি

**অসম বাৰ্তা, মঙলদৈ, ১৫ অক্টোবৰ ঃ** কৃষিক্ষেত্ৰত আধুনিক প্ৰযুক্তিৰ প্ৰয়োগ, বৈজ্ঞানিক কৃষি পদ্ধতিৰ প্ৰসাৰ আৰু কৃষকৰ কল্যাণৰ লক্ষ্যৰে দৰং জিলাৰ ফকিৰপাৰা ঘেনামাৰীত মুকলি কৰা হয় এটি কৃষি প্ৰযুক্তি তথ্যকেন্দ্ৰ। অসম ডাউনটাউন বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ শিক্ষাৰ্থীসকলৰ গ্ৰাম্য কৃষি কৰ্ম অভিজ্ঞতা আঁচনি (RAWE), ২০২৬ ৰ অধীনত স্থাপন কৰা এই কেন্দ্ৰটোৱে কৃষকসকলক কৃষি সম্পৰ্কীয় বিভিন্ন তথ্য আৰু প্ৰযুক্তিগত পৰামৰ্শ প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। অসম ডাউনটাউন বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰবিন গগৈয়ে আনুষ্ঠানিকভাৱে কেন্দ্ৰটো উদ্বোধন কৰে। কৃষকৰ বিভিন্ন সমস্যা, বিশেষকৈ প্ৰাকৃতিক দুৰ্যোগ আৰু বতৰৰ অনিশ্চয়তাই কৃষিক্ষেত্ৰত সৃষ্টি কৰা প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰাৰ লগতে কৃষকৰ আৰ্থ-সামাজিক উন্নয়নৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হয়। উদ্বোধনী অনুষ্ঠানত দৰং কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী আব্দুল হাফিজ, অসম ডাউনটাউন বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ সহযোগী অধ্যাপক ড° সঞ্জীৱ কুমাৰ বৰা, RAWE আঁচনিৰ তত্ত্বাৱধায়ক তথা দৰং কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যান শস্য বিভাগৰ বিজ্ঞানী অমৃতা খাউণ্ড, কেন্দ্ৰটোৰ সদস্য তথা কৃষি বতৰ বিশেষজ্ঞ বনস্মিতা বৰ্মন আৰু কাৰিকৰী বিশেষজ্ঞ হেঙুল জ্যোতি শালৈ উপস্থিত থাকে। কেন্দ্ৰটোৰ উদ্বোধনী উপলক্ষে অসম ডাউনটাউন বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ প্ৰশিক্ষণৰত শিক্ষাৰ্থীসকলে কৃষিৰ সৈতে জড়িত বিভিন্ন আৰ্হি প্ৰস্তুত কৰি প্ৰদৰ্শন কৰে। এই আৰ্হিসমূহত আধুনিক কৃষি পদ্ধতিৰ প্ৰয়োগ, উৎপাদন বৃদ্ধিৰ কৌশল আৰু বতৰৰ প্ৰতিকূল পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰা ব্যৱস্থাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। শিক্ষাৰ্থীসকলৰ এই প্ৰয়াসে কৃষিক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰৰ সম্ভাৱনীয়তাক নতুনকৈ উন্মোচিত কৰে। ইয়াৰ পাছতে ফকীৰপাৰা-ঘেনামাৰীৰ চানৰাইচ একাডেমীৰ সভাগৃহত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। দুই শতাধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰে অধ্যাপক ড° ৰবিন গগৈয়ে। ভাষণ প্ৰসংগত তেওঁ কৃষিপ্ৰধান ফকীৰপাৰা অঞ্চলৰ ৰাইজক কৃষিকৰ্মৰ সমান্তৰালভাৱে শিক্ষা গ্ৰহণৰ প্ৰতিও অধিক আগ্ৰহী হ’বলৈ আহ্বান জনায়। কৃষিক কেৱল পৰম্পৰাগত জীৱিকাৰ মাধ্যম হিচাপে সীমাবদ্ধ নাৰাখি বিজ্ঞানসন্মত পদ্ধতিৰে অধিক উৎপাদনমুখী আৰু লাভজনক কৰি তোলাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। লগতে, প্ৰশিক্ষণৰত শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰা কৃষি সম্পৰ্কীয় আৰ্হিসমূহ বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰদৰ্শন কৰি তেওঁলোকক আধুনিক কৃষি প্ৰযুক্তিৰ সৈতে পৰিচয় কৰাই দিয়াৰ লগতে এই ক্ষেত্ৰখনত থকা সম্ভাৱনাসমূহৰ বিষয়ে সজাগতা সৃষ্টিৰ আহ্বান জনায়। আনহাতে, সভাত উপস্থিত দৰং কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী আব্দুল হাফিজে শিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰস্তুত কৰা কৃষি সম্পৰ্কীয় আৰ্হিসমূহৰ ভূয়সী প্ৰশংসা কৰে। এনে উদ্যোগে শিক্ষাৰ্থীসকলৰ ব্যৱহাৰিক জ্ঞান বৃদ্ধিৰ লগতে কৃষক আৰু কৃষি বিজ্ঞানৰ মাজত এক সুদৃঢ় সম্পৰ্ক গঢ়ি তোলাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰা হয়। সামগ্ৰিকভাৱে, ঘেনামাৰীত কৃষি প্ৰযুক্তি তথ্যকেন্দ্ৰ স্থাপনৰ এই পদক্ষেপে অঞ্চলটোৰ কৃষকসকলৰ মাজত আধুনিক কৃষি প্ৰযুক্তিৰ প্ৰসাৰ, বৈজ্ঞানিক কৃষি পদ্ধতিৰ প্ৰতি আগ্ৰহ বৃদ্ধি আৰু নৱপ্ৰজন্মক কৃষিৰ প্ৰতি আকৰ্ষিত কৰাৰ ক্ষেত্ৰত এক ইতিবাচক ভূমিকা পালন কৰিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।

# ডুমডুমা মহাবিদ্যালয়ত ডিজিটেল শিক্ষাৰ কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, তিনিচুকীয়া, ১৫ অক্টোবৰ ঃ** যোৱা ইং ১৩ আৰু ১৪ অক্টোবৰ তাৰিখে ডুমডুমা মহাবিদ্যালয়ত দুটা ভিন্ন বিষয়ৰ ওপৰত মহাবিদ্যালয়খনৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ডিজিটেল মাধ্যমৰ শিক্ষাৰ ওপৰত কৰ্মশালা অনুষ্ঠিত কৰা হয়। প্ৰথম দিনা ডুমডুমা মহাবিদ্যালয় শিক্ষক গোটৰ উদ্যোগত আৰু অসম কলেজ শিক্ষক সংস্থা আৰু অসম কলেজ শিক্ষক সংস্থা, তিনিচুকীয়া মণ্ডলৰ যৌথ সহযোগত Digital Pedagogy and E-Content Development for Transformative Higher Education শীৰ্ষক এখন এদিনীয়া কৰ্মশালা অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাৰ লগতে অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি পাৰ্থ কুমাৰ নৰহ, সাধাৰণ সম্পাদক ড° পৰাগ জ্যোতি মহন্ত, শৈক্ষিক সম্পাদক ড° ৰণ্টু গোঁহাই, তিনিচুকীয়া মণ্ডলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ড° ৰুমী খালেনৰ উপস্থিতিত আৰম্ভ হোৱা এই কৰ্মশালাত জিলাখনৰ বিভিন্ন মহাবিদ্যালয়ৰ প্ৰায় ৫০ গৰাকী অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰে। এই কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ কম্পিউটাৰ চাইঞ্চ এণ্ড এপ্লিকেছনচৰ সহকাৰী অধ্যাপক ড° ৰিজৱান ৰহমানে অংশগ্ৰহণকাৰীসকলৰ সন্মুখত ই-কনটেণ্টৰ প্ৰয়োগ, প্ৰস্তুত আৰু শৈক্ষিক উপযোগিতাৰ ওপৰত বিশদ আলোচনা আগবঢ়ায়। একদৰে ১৪ অ’ৌবৰ তাৰিখে ডুমডুমা মহাবিদ্যালয় শিক্ষক গোট আৰু ডুমডুমা মহাবিদ্যালয়ৰ যৌথ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ ৰ অধিনত প্ৰস্তুত শিক্ষা প্ৰণালীৰ বাবে সাজু কৰি তুলিবলৈ Research Design and Ethical Use of Artificial Intelligence (AI) in Research শীৰ্ষক এখনি দিনজোৰা কৰ্মশালা অনুষ্ঠিত হয়। ডুমডুমা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ



সভাপতি প্ৰকাশ দত্ত, অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, উপাধ্যক্ষ দীপক ৰঞ্জন বৰুৱা আৰু সমল ব্যক্তি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰীক্ষা উপ-নিয়ন্ত্ৰক ড° ছাদিক হুছেইনৰ উপস্থিত থকা কৰ্মশালাখনত সমল ব্যক্তিগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক সন্মুখত গৱেষণাত কৃত্ৰিম বুদ্ধিমত্তাৰ সঠিক প্ৰয়োগ সম্বন্ধে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। কৰ্মশালাখনৰ আন এগৰাকী সমল ব্যক্তি হিচাপে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই ছাত্ৰ-ছাত্ৰীসকলক গৱেষণা পত্ৰ লিখন পদ্ধতিৰ ওপৰত মননশীল আলোচনা আগবঢ়ায়।

## গুৱাহাটীত উত্তৰ-পূব ভাৰতৰ

মাল্টা আৰু মৰক্কো-এই ১৪খন দেশৰ ভিছা আবেদন আৰু বায়'মেট্ৰিক প্ৰক্ৰিয়া সম্পন্ন কৰা যাব। ভিএফএছ গ্ল'বেলে জনোৱা অনুসৰি, আগন্তুক দিনত এই কেন্দ্ৰৰ জৰিয়তে বিশ্বৰ ৬০খনতকৈও অধিক দেশৰ ভিছা আবেদন সেৱা আগবঢ়োৱাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ ফলত উত্তৰ-পূবৰ শিক্ষাৰ্থী, পৰ্যটক, ব্যৱসায়ী আৰু পেচাদাৰীসকলৰ অতিৰিক্ত ভ্ৰমণ সময়, খৰচ আৰু অসুবিধা বহু পৰিমাণে লাঘৱ হ'ব। ভিছা আবেদন কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজে ইমান দিনে বিদেশ যাত্ৰাৰ ভিছাৰ বাবে আৱেদন কৰিবলৈ দিল্লী বা কলকাতালৈ যাবলগীয়া হৈছিল। এতিয়াৰে পৰা ভিএফএছ গ্ল'বেলে গুৱাহাটীত আৰম্ভ কৰা ভিছা আবেদন কেন্দ্ৰৰ সহায়ত গুৱাহাটীৰ পৰাই বিশ্বৰ বহু দেশৰ ভিছা আবেদন সম্ভৱ হ'ব।" তেওঁ কয়, "এই কেন্দ্ৰই উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ বাবে আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণ সেৱাৰ সুবিধা সহজে উপলব্ধ কৰাব আৰু বিশ্বৰ বহু দেশক উত্তৰ-পূৰ্বাঞ্চলৰ ওচৰ চপাই আনিব। ৰাইজৰ বাবে আন্তঃৰাষ্ট্ৰীয় যাতায়াত অধিক সহজলভ্য কৰাৰ দিশত এয়া এক গুৰুত্বপূৰ্ণ পদক্ষেপ। উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যৰ জনতাক ভিছা আবেদনৰ সেৱা প্ৰদান কৰিবলগীয়া কেন্দ্ৰটোৰ গুৰুত্ব কেৱল গুৱাহাটীত সীমাবদ্ধ নহয়; ইয়াৰ প্ৰভাৱ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে পৰিব।" মুখ্যমন্ত্ৰী শৰ্মাই কয়, "প্ৰয়োজনীয় নীতি-নিয়ম আৰু প্ৰক্ৰিয়া ৰক্ষা কৰি ভিছা আবেদন প্ৰক্ৰিয়াত ভিএফএছ গ্ল'বেলে সহায় আগবঢ়াব। ভিছা আবেদন গ্ৰহণ বা প্ৰত্যাখ্যান কৰাৰ সিদ্ধান্ত সংশ্লিষ্ট দেশৰ দূতাবাস অথবা বাণিজ্যিক দূতাবাসে লয়। গুৱাহাটীত ভিছা আবেদন কেন্দ্ৰ স্থাপন কৰাৰ বাবে মই ভিএফএছ গ্ল'বেলক ধন্যবাদ জ্ঞাপন কৰিছোঁ।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ 'এক্ট-ইষ্ট নীতি'য়ে ভাৰতৰ পূব দিশৰ চুবুৰীয়া দেশসমূহৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলক কেন্দ্ৰীয় স্থানৰ মৰ্যাদা প্ৰদান কৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, "উন্নত আন্তঃগাঁথনি, সুচল যোগাযোগ ব্যৱস্থা আৰু অৰ্থনৈতিক সহযোগিতাই অসমৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰিছে।" এই সম্ভাৱনাক ৰাইজৰ কল্যাণৰ বাবে বাস্তৱায়িত কৰাটো চৰকাৰৰ দায়িত্ব বুলি উল্লেখ কৰি তেওঁ কয়, "অসম চৰকাৰে বাণিজ্য, বিনিয়োগ, পৰ্যটন, শিক্ষা আৰু উদ্ভাৱনৰ কেন্দ্ৰ হিচাপে ৰাজ্যখনক গঞ্জি তুলিবলৈ প্ৰচেষ্টা চলাইছে। ইয়াৰ বাবে বিনিয়োগ বৃদ্ধি আৰু আন্তঃগাঁথনি উন্নয়নৰ উপৰি ৰাষ্ট্ৰৰ সীমা অতিক্ৰমি বিশ্বমানৰ দক্ষতা, জ্ঞান আৰু পেছাগত সুযোগ সৃষ্টি কৰিবলৈ জনসাধাৰণক উৎসাহিত কৰিব লাগিব।" অহা ২৭ অক্টোবৰত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰে এটা নতুন মাইলৰ খুঁটি স্পৰ্শ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে গুৱাহাটী বিমানবন্দৰক আন্তঃৰাষ্ট্ৰীয় যাত্ৰীসকলৰ বাবে 'হাব এণ্ড স্প'ক' ব্যৱস্থাৰ অধীনত এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে ঘোষণা কৰিছে।" তেওঁ কয়, "ইয়াৰ ফলত ২৭ অক্টোবৰৰ পৰা কোনো যাত্ৰীয়ে বিদেশলৈ যাত্ৰাৰ বাবে যদি গুৱাহাটীত ইমিগ্ৰেচন সম্পৰ্কীয় যাৱতীয় পৰীক্ষা সম্পূৰ্ণ কৰে, তেন্তে দেশৰ আন বিমানবন্দৰত পুনৰ একেটা ইমিগ্ৰেচন প্ৰক্ৰিয়াৰ মাজেৰে যাবলগীয়া নহ'ব। দেশৰ অন্যান্য ৰাজ্যৰ যাত্ৰীসকলে গুৱাহাটীক এক সংযোগ কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰিব।" এই প্ৰসংগতে তেওঁ কয়, "আনহাতে গুৱাহাটীৰ পৰা চলাচল কৰা আন্তঃৰাষ্ট্ৰীয় বিমানত যাতায়াত কৰিবলৈ তেওঁলোকে নিজ ৰাজ্যৰ বিমানবন্দৰতে ইমিগ্ৰেচন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি গুৱাহাটীৰ পৰা সহজে বিদেশলৈ যাত্ৰা কৰিব পাৰিব।" ডুবাই, ছিংগাপুৰ, ভূটানলৈ গুৱাহাটীৰ পৰা বিমান চলাচল কৰি আছে আৰু অহা ২৭ অক্টোবৰত বেংককলৈ এখন বিমানৰ যাত্ৰা আৰম্ভ হ'ব বুলি সদৰি কৰি তেওঁ কয়, "ভিছা আবেদন কেন্দ্ৰ, গুৱাহাটী বিমানবন্দৰত আৰম্ভ হ'বলগীয়া 'হাব এণ্ড স্প'ক' ব্যৱস্থা আৰু এনেধৰণৰ অন্যান্য পদক্ষেপসমূহে গুৱাহাটী তথা অসমক দেশৰ অন্যতম গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় সংযোগ কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাত সহায় কৰিব।" অসমৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য আৰু সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি আকৰ্ষিত হৈ ৰাজ্যখনলৈ পৰ্যটকৰ আগমন বৃদ্ধি পোৱা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়, "২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ বিগত প্ৰায় এটা দশকত অসমলৈ ছ কোটিতকৈও অধিক পৰ্যটকৰ আগমন ঘটিছে। ইয়াৰে চ.ছুৰ লাখতকৈও অধিক বিদেশী পৰ্যটক। যুক্তৰাজ্য, ফ্ৰান্স, সংযুক্ত আৰৱ আমিৰাত, অষ্ট্ৰেলিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, চুইজাৰলেণ্ড, জাপান, বাংলাদেশ, কানাডা, স্পেইন, বেলজিয়াম, ইজৰাইলকে ধৰি বিভিন্ন দেশৰ পৰা পৰ্যটকসকল অসমলৈ আহিছে।" এই পৰিসংখ্যাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ প্ৰতি বৃদ্ধি পোৱা আগ্ৰহক প্ৰতিফলিত কৰাৰ লগতে পৰ্যটন খণ্ডত বিকাশৰ অপাৰ সম্ভাৱনাকো প্ৰমাণ কৰে বুলি উল্লেখ কৰি তেওঁ কয়, "শেহতীয়াকৈ অসমৰ আইন-শৃংখলাজনিত পৰিস্থিতি উন্নত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি অষ্ট্ৰেলিয়া, জাপান আৰু ইউৰোপীয় সংঘৰ ২৭খন সদস্য ৰাষ্ট্ৰই অসম সম্পৰ্কীয় ভ্ৰমণ নিৰ্দেশনাসমূহ সংশোধন কৰিছে। য়ে অসমৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আস্থা বৃদ্ধি পোৱাৰ লগতে পৰ্যটন, ব্যৱসায়িক আদান-প্ৰদান আৰু সাংস্কৃতিক বিনিময়ৰ বাবে অনুকূল পৰিৱেশ গঢ়ি উঠাত সহায় কৰিব।" অনুষ্ঠানত পৰিবহণ আদি বিভাগৰ মন্ত্ৰী চৰণ বড়ো, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক বিজয় কুমাৰ গুপ্তা, প্ৰকাশ দাস আৰু ৰাজু মেচ, ভিএফএছগ্ল'বেলৰ দক্ষিণ এছিয়াৰ চিঅ' যুন্মী তালৱাৰ, ফ্ৰান্স, চেক ৰিপাব্লিক, ছুইজাৰলেণ্ড, ইটালী আদি দেশৰ কূটনীতিবিদ আৰু কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## সাময়িকভাৱে স্থগিত অখিল গগৈৰ ১৪

প্ৰতিবাদৰ মূল দাবী আছিল-মহাপ্ৰলয়ত সম্পূৰ্ণৰূপে বিধ্বস্ত হোৱা ঘৰসমূহৰ বিপৰীতে পৰ্যাপ্ত ক্ষতিপূৰণ প্ৰদান। ইয়াৰ লগতে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বানবিধ্বস্ত অঞ্চলৰ বহু পৰিয়াল চৰকাৰী তৎকালীন সাহায্যৰ পৰা বঞ্চিত হৈ থকাৰ অভিযোগও তেওঁ উত্থাপন কৰি আহিছিল। বানত সম্পূৰ্ণৰূপে বিধ্বস্ত প্ৰতিটো পৰিয়ালক ১০ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদানৰ দাবী জনাইছিল অখিল গগৈয়ে। চৰকাৰে কেৱল ৫৭, ০০০ পৰিয়াল নিৰ্বাচিত কৰি নগৰৰ বাবে ১,২০, ০০০ টকা আৰু গাঁৱৰ বাবে ৰ, ৭০, ০০০ টকা দিয়াৰ ঘোষণা কৰিছিল। কিন্তু চৰকাৰৰ সৈতে হোৱা আলোচনাত ৫৭, ০০০ পৰিয়ালৰ প্ৰথম তালিকাক কেন্দ্ৰীয় প্ৰথম তালিকা হিচাপে উল্লেখ কৰি পঠিয়াই, দ্বিতীয় পৰ্যায়ত আন এখন ক্ষতিগ্ৰস্ত পৰিয়ালৰ তালিকা পঠিয়াবলৈ সন্মতি প্ৰকাশ কৰা হয়। লগতে এটা বিধ্বস্ত পৰিয়ালৰ বাবে ক্ষতিৰ পৰিমাণ অনুসৰি ১, ৭০, ০০০ টকাৰ পৰা ৫, ৬০, ০০০ টকালৈ সাহায্য প্ৰদানৰ আশ্বাস দিয়া হয়। দাবী কৰা ধনৰ তুলনাত চৰকাৰৰ আশ্বাসৰ পৰিমাণ কম হ'লেও বানপীড়িতৰ ক্ষতিপূৰণৰ প্ৰক্ৰিয়া লগ নকৰি ক্ষিপ্ৰতাৰে আগবঢ়াই নিয়াৰ স্বাৰ্থতে সত্যাগ্ৰহ স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। ইতিমধ্যে চৰকাৰী সমীক্ষাত প্ৰায় ৫৭ হাজাৰ ক্ষতিগ্ৰস্ত পৰিয়াল চিনাক্ত কৰা হৈছে। কিন্তু এই তালিকাত বহু প্ৰকৃত বানপীড়িতৰ নাম অন্তৰ্ভুক্ত নোহোৱাৰ অভিযোগ উঠিছে। ৰাইজৰ অভিযোগ সবলভাৱে তুলি ধৰি অখিল গগৈয়ে প্ৰথম তালিকাৰ পৰিয়ালসমূহক সাহায্য প্ৰদানৰ লগতে বাদ পৰা পৰিয়ালসমূহক চিনাক্ত কৰিবলৈ দ্বিতীয়খন তালিকা প্ৰস্তুত কৰাৰ দাবী জনায়। মন্ত্ৰী কেশৱ মহন্তই সদৰি কৰা অনুসৰি, দ্বিতীয় তালিকা প্ৰস্তুত কৰাৰ পিছত ৰাইজৰ আপত্তি-অভিযোগ আৰু দাবীসমূহ পৰীক্ষা কৰি প্ৰয়োজন অনুসৰি পুনৰ সমীক্ষা চলোৱা হ'ব। তাৰ ভিত্তিত পৰৱৰ্তী সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। আজি মন্ত্ৰীদ্বয়ৰ সৈতে ৰাইজৰ দলৰ হোৱা ৰাজহুৱা আলোচনাত পূৰ্বে ঘোষণা কৰা ৰপ্ত হাজাৰ টকীয়া বান সাহায্যৰ পৰা বঞ্চিত হৈ থকা লোকসকলৰ বিষয়টোও অখিল গগৈয়ে উত্থাপন কৰে। মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰা মতে, বিধায়কগৰাকীয়ে দাখিল কৰা তালিকা পৰীক্ষা কৰি শিৱসাগৰ বিধানসভা সমষ্টিৰ ৩, ০৬৮ গৰাকী লোকে এতিয়াও এই সাহায্য লাভ নকৰাৰ তথ্য পোৱা গৈছে। তেওঁলোকক সাহায্য প্ৰদানৰ বাবে প্ৰয়োজনীয় ৪ কোটি ৬০ লাখ ২০ হাজাৰ টকা মুকলি কৰি দিয়াৰ অনুমতি মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেনেদৰে নাজিৰা, ডিমৌ, সোণাৰি, মাহমৰা, মৰিয়নি আদি সমষ্টিৰ সংশ্লিষ্ট বিধায়কসকল আৰু বিষয়াবৰ্গৰ সৈতে আলোচনা কৰি ১৫, ০০০ টকাৰ তৎকালীন সাহায্যৰ পৰা বঞ্চিতসকলক বান-সাহায্য প্ৰদানৰ কথা দুয়োজন কেবিনেট মন্ত্ৰীয়ে ঘোষণা কৰে। ডিমৌ বিধানসভা সমষ্টিৰ ২, ৩০০ গৰাকী বঞ্চিত বানপীড়িতৰ তালিকা এখন অখিল গগৈয়ে মন্ত্ৰীদ্বয়ৰ হাতত প্ৰদান কৰে। ইফালে, বাৰে বাৰে হোৱা ভয়াৱহ বানপানীৰ কাৰণ উদঘাটন আৰু ভৱিষ্যতে এনে পৰিস্থিতিৰ পুনৰাবৃত্তি ৰোধৰ বাবে চৰকাৰে উচ্চপৰ্যায়ৰ তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিয়াৰ কথা মন্ত্ৰী কেশৱ মহন্তই সদৰি কৰে। অৱশ্যে বানৰ সৈতে জড়িত মৃত্যু আৰু অন্যান্য বিষয়ৰ তদন্তৰ বাবে অখিল গগৈয়ে দাবী কৰা চিবিআই তদন্তৰ আশ্বাস চৰকাৰৰ পৰা লাভ কৰা নাই। ৰাজ্য চৰকাৰে উচ্চপৰ্যায়ৰ তদন্তৰ সিদ্ধান্ত গ্ৰহণ কৰিলেও এই ব্যৱস্থাই বানৰ প্ৰকৃত কাৰণ উদঘাটন কৰিব পাৰিবনে, সেয়া পৰৱৰ্তী সময়তহে স্পষ্ট হ'ব। বানত ক্ষতিগ্ৰস্ত পথ-ঘাট আৰু অন্যান্য আন্তঃগাঁথনিৰ পুনৰ নিৰ্মাণৰ বিষয়টোও আলোচনাত স্থান পায়। অখিল গগৈয়ে ক্ষতিগ্ৰস্ত পথসমূহৰ তালিকা ইতিমধ্যে চৰকাৰক দাখিল কৰা বুলি জানিবলৈ দিয়ে। প্ৰয়োজনীয় ধন মুকলি হ'লে মেৰামতি আৰু পুনৰ নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ আশা তেওঁ প্ৰকাশ কৰে। ইয়াৰ উপৰি বানপীড়িত পৰিয়ালৰ বাবে অৰুণোদয় আঁচনিৰ ধন দুগুণ কৰা আৰু সম্পূৰ্ণৰূপে ঘৰ হেৰুৱাই সৰ্বস্বান্ত হোৱা লোকসকলক চৰকাৰী গৃহ প্ৰদানৰ দাবীও উত্থাপন কৰে বিধায়কগৰাকীয়ে। আনহাতে, বানত ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ পৰিয়ালসমূহৰ মাজত নাৰিকল আৰু তামোলৰ পুলি বিতৰণ কৰাৰ লগতে কৃষকসকলক পুনৰ খেতি আৰম্ভ কৰাৰ বাবে ৰবি শস্যৰ বীজ প্ৰদানৰ কথা মন্ত্ৰী পীযুষ হাজৰিকাই ঘোষণা কৰে। সত্যাগ্ৰহ স্থগিত ৰখাৰ সিদ্ধান্ত ঘোষণা কৰিলেও চৰকাৰৰ প্ৰতিশ্ৰুতিৰ ওপৰত সম্পূৰ্ণ আস্থা প্ৰকাশ কৰা নাই অখিল গগৈয়ে। তেওঁ স্পষ্ট কৰি দিয়ে যে আজিৰ আন্দোলন স্থগিতকৰণৰ সিদ্ধান্তক বানপীড়িতৰ আন্দোলনৰ চূড়ান্ত সামৰণি বুলি গণ্য কৰিব নালাগে। চৰকাৰে প্ৰতিশ্ৰুতি পালন নকৰিলে পুনৰ আন্দোলনৰ পথলৈ উভতি যাবলৈ বাধ্য হ'ব বুলি তেওঁ সকীয়াই দিয়ে। শিৱসাগৰত ক্ষতিপূৰণৰ দাবীত প্ৰতিবাদ কৰি থকা বানপীড়িত লোকসকলকো চৰকাৰৰ আশ্বাসৰ পৰিপ্ৰেক্ষিতত সাময়িকভাৱে আন্দোলন স্থগিত ৰাখিবলৈ আহ্বান জনায় বিধায়কগৰাকীয়ে। চৰকাৰৰ আশ্বাসত ১৪ দিনীয়া সত্যাগ্ৰহৰ সাময়িক অৱসান ঘটিলেও বানপীড়িতৰ প্ৰাপ্য আদায়ৰ যুঁজৰ অন্ত পৰা নাই। এতিয়া ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সাহায্য প্ৰদান, বঞ্চিতসকলৰ বাবে দ্বিতীয় তালিকা প্ৰস্তুত, ক্ষতিপূৰণ মুকলি আৰু বানৰ কাৰণ উদঘাটনৰ তদন্ত-এই প্ৰতিশ্ৰুতিসমূহ কিমান ক্ষিপ্ৰতাৰে বাস্তৱায়িত হয়, তাৰ ওপৰতেই নিৰ্ভৰ কৰিব অখিল গগৈৰ পৰৱৰ্তী ৰাজনৈতিক পদক্ষেপ। আজি পুৱা ৭ বজাৰ পৰা আৰম্ভ হোৱা সত্যাগ্ৰহ স্থগিতকৰণৰ অনুষ্ঠানত ৰাইজৰ দলৰ ধিং সমষ্টিৰ বিধায়ক মেহবুব মোক্তাৰ, ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি ভাস্কো ডি শইকীয়া, সাধাৰণ সম্পাদক চিন্ময় বৰা, ধৈৰ্য কোঁৱৰ, ৰাছেল হুছেইন, আজিজুৰ ৰহমান, হুছেইন মহম্মদ ছাহজাহান, তথ্য আৰু প্ৰচাৰ সম্পাদক নৱদ্বীপ বৰপাত্ৰ গোহাঁই, যুৱ বাহিনীৰ কাৰ্যকৰী সভাপতি ৰাকেশ চক্ৰৱৰ্তী আদিয়ে অংশগ্ৰহণ কৰে।

## আজমল ছুপাৰ ৪০ৰ বাছনি পৰীক্ষাৰ

পৰিয়ালৰ (BPL) অন্তৰ্ভুক্ত শীৰ্ষ ৪০জন ছাত্ৰক হোষ্টেল আৰু শৈক্ষিক মাচুলৰ বাবে 'হাজী আজমল আলী' স্কলাৰশ্বিপ প্ৰদান কৰা হ'ব। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে অতি দৰিদ্ৰ পৰিয়ালৰ (BPL) অন্তৰ্ভুক্ত শীৰ্ষ ৪০ গৰাকী ছাত্ৰীক হোষ্টেল আৰু শৈক্ষিক মাচুল দিয়াৰ লক্ষ্যৰে 'মৰিয়ম আজমল স্কলাৰশ্বিপ' প্ৰদান কৰা হ'ব। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে অতি দৰিদ্ৰ পৰিয়ালৰ (BPL) অন্তৰ্ভুক্ত ২০ গৰাকী শিক্ষাৰ্থীক 'ছাইৰামী স্কলাৰশ্বিপ' প্ৰদান কৰা হ'ব। দ্বাদশ শ্ৰেণী উত্তীৰ্ণ BPL অন্তৰ্ভুক্ত ২০ গৰাকী শিক্ষাৰ্থীক 'হজৰত মৌলানা আছাদ মদনী স্কলাৰশ্বিপ' প্ৰদান কৰা হ'ব। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে অতি দৰিদ্ৰ পৰিয়ালৰ (BPL) শ্ৰেণীৰ ২০জন অনাথ আৰু দিব্যাংগ শিক্ষাৰ্থীক 'হজৰত আহমদ আলী (ৰহঃ) স্কলাৰশ্বিপ' প্ৰদান কৰা হ'ব। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে SC, ST, OBC, চাহ জনগোষ্ঠী আৰু BPL শ্ৰেণীৰ শীৰ্ষ চল্লজন শিক্ষাৰ্থীক হোষ্টেল আৰু শৈক্ষিক মাচুল দিয়াৰ উদ্দেশ্যে 'জুবিন গাৰ্গ স্কলাৰশ্বিপ' প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি আৰ্থিকভাৱে প্ৰয়োজনীয় আৰু মেধাৱী শিক্ষাৰ্থীসকলৰ বাবে 'বিশেষ আজমল স্কলাৰশ্বিপ' প্ৰদানৰ ব্যৱস্থাও কৰা হৈছে। মন কৰিবলগীয়া যে আজি অৰ্থাৎ ১৫ অক্টোবৰৰ আবেলি ৩ বজাৰ পৰা অহা ১৫ ডিচেম্বৰলৈকে পঞ্জীয়ন চলিব। ২০ ডিচেম্বৰ ২০২৬, দেওবাৰে ৰৰ বজাৰ পৰা চ বজালৈ পৰীক্ষা অনুষ্ঠিত হ'ব। পঞ্জীয়ন কৰিবলৈ www.ajmalfoundation.com আৰু www.ajmalsuper40.inত লগইন কৰিব লাগিব। উল্লেখ্য যে গ্ৰামাঞ্চলৰ আৰ্থিকভাৱে পিছপৰা মেধাৱী শিক্ষাৰ্থীসকলৰ চিকিৎসক আৰু অভিযন্তা হোৱাৰ সপোন পূৰণৰ লক্ষ্যৰে আজমল ফাউণ্ডেচনৰ ন্যাসৰক্ষী মৌলানা বদৰুদ্দিন আজমল আৰু ছিৰাজুদ্দিন আজমলে আজমল ছুপাৰ ৪০ৰ দৰে অভিলাষী শিক্ষা আঁচনিৰ শুভাৰম্ভ কৰিছিল। আৰম্ভণিৰে পৰা উল্লেখনীয় সফলতা অৰ্জন কৰি অহা আজমল ছুপাৰ ৪০য়ে ইতিমধ্যে সৰ্বভাৰতীয় পৰ্যায়ত এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। আজমল ছুপাৰ ৪০ৰ জৰিয়তে বিনামূলীয়া কোচিং লাভ কৰি আৰ্থিকভাৱে পিছপৰা বহু মেধাৱী শিক্ষাৰ্থীয়ে দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠানত চিকিৎসা আৰু অভিযান্ত্ৰিক শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অভিজ্ঞ আৰু দক্ষ শিক্ষকসকলৰ লগতে ৰাজ্যৰ আগশাৰীৰ শিক্ষকমণ্ডলীয়ে শিক্ষাৰ্থীসকলক নিয়মিতভাৱে পাঠদান কৰি আহিছে। শিক্ষকমণ্ডলীৰ অক্লান্ত পৰিশ্ৰম, দক্ষতা আৰু কৰ্তব্যনিষ্ঠাৰ ফলতেই প্ৰতিবছৰে আজমল ছুপাৰ ৪০য়ে উল্লেখনীয় সফলতা অৰ্জন কৰি আহিছে। সামগ্ৰিকভাৱে, আৰ্থিক বাধাই যাতে কোনো মেধাৱী শিক্ষাৰ্থীৰ সপোনৰ বাটত হেঙাৰ হৈ থিয় দিব নোৱাৰে, সেই লক্ষ্যৰে আজমল ছুপাৰ ৪০য়ে শিক্ষা আৰু স্কলাৰশ্বিপৰ জৰিয়তে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। এই পদক্ষেপে ৰাজ্যৰ বহু দৰিদ্ৰ আৰু মেধাৱী শিক্ষাৰ্থীৰ চিকিৎসক-অভিযন্তা হোৱাৰ সপোন বাস্তৱায়িত কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

## শুকুৰবাৰে দিল্লীৰ কন'ট প্লেচত চিজেপিৰ

অধিক ভোটাৰৰ নাম আঁতৰোৱাটো কোনো গোপন বুজাবুজিৰ অংশ নেকি বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰিছে। সৰ্বভাৰতীয় ছাত্ৰ সন্থাৰ ৰাষ্ট্ৰীয় সভাপতি নেহা বৰা, ভাৰতীয় ছাত্ৰ ফেডাৰেশ্বনৰ নেতা ঐশী ঘোষ, ভাৰতীয় ছাত্ৰ ফেডাৰেশ্বনৰ ৰাষ্ট্ৰীয় সভাপতি বিৰাজ দেৱাং, অভিনেতা প্ৰকাশ ৰাজকে ধৰি বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলৰ সৈতে সংবাদমেল সম্বোধন কৰি অভিজিৎ দীপকে অভিযোগ কৰে যে নতুন দিল্লীত তেওঁলোকক বাধা আৰোপ কৰা হৈছে। তেওঁ কয় যে এনে বাধা-নিষেধৰ জৰিয়তে মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত কোনো লোকক প্ৰতিবাদত অংশগ্ৰহণ কৰিবলৈ নিদিয়াৰ ষড়যন্ত্ৰ চলিছে। ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ (SIR) সম্পৰ্কত চৰকাৰে বিৰোধীৰ প্ৰতিবাদ দমন কৰিবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখিছে বুলি অভিযোগ কৰি দীপকে ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰসংগও উত্থাপন কৰে। তেওঁ কয়, "২০২৪ চনৰ নিৰ্বাচনত জয়ৰ ব্যৱধান আছিল মাত্ৰ চ শতাংশ। ৰ্ব কোটিতকৈ অধিক ভোটাৰৰ নাম কৰ্তন কৰা হৈছিল। এয়া প্ৰৱঞ্চনা নহয় আন কি?" উল্লেখ্য যে ২০২৪ চনৰ লোকসভা নিৰ্বাচনত ৫৪৩খন আসনৰ ভিতৰত বিজেপিয়ে অকলে ২৪০খন আসন দখল কৰিছিল। পৰৱৰ্তী সময়ত বিজেপি নেতৃত্বাধীন এনডিএয়ে ২৯খন আসনৰে চৰকাৰ গঠন কৰে। প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত দীপকে কয়, "প্ৰাক্তন মুখ্যমন্ত্ৰী, সাংসদ আৰু বিৰোধী নেতা-সকলোকে বাধা প্ৰদান কৰা হৈছিল। ভাৰতৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৰে'ল আৰু মেট্ৰ' সেৱা বন্ধ কৰি দিয়া হৈছিল।" চৰকাৰে কিহৰ বাবে মুখ্য নিৰ্বাচনী আয়ুক্তক বচাবলৈ চেষ্টা কৰিছে বুলিও তেওঁ প্ৰশ্ন উত্থাপন কৰে। 'এক দেশ, এক নিৰ্বাচন' শীৰ্ষক শ্লোগানৰ জৰিয়তে অন্য এক ৰাজনৈতিক এজেণ্ডা লুকুৱাই ৰখা হৈছে বুলি অভিযোগ কৰি দীপকে কয়, "'এক দেশ, এক নিৰ্বাচন' কেৱল এটা শ্লোগানহে আছিল। প্ৰকৃত শ্লোগান হ'ব লাগে 'এক দেশ, এক দল, এক নেতা'।" আৰক্ষীয়ে ভাৰতৰ পতাকা কাঢ়িয়াই অনা প্ৰতিবাদকাৰীসকলক লক্ষ্য কৰি লোৱা বুলিও তেওঁ অভিযোগ কৰে। চিজেপিয়ে শুকুৰবাৰে ৰাজধানী দিল্লীৰ কন'ট প্লেচৰ চেণ্ট্ৰেল পাৰ্কত 'ত্ৰিৰংগা উৰুৱাও' শীৰ্ষক এক পদযাত্ৰাৰ কাৰ্যসূচী অনুষ্ঠিত কৰিব। জাতীয় পতাকা উত্তোলন কৰাটো দেশবাসীৰ গণতান্ত্ৰিক অধিকাৰ বুলি দাবী কৰি দীপকে সৰ্বস্তৰৰ লোকক এই বিক্ষোভত যোগদান কৰিবলৈ আহ্বান জনায়। তেওঁ ৰাজনৈতিক দলসমূহকো এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ মন্তব্য কৰে, "নৰেন্দ্ৰ মোদী মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুতকৈ ডাঙৰ হ'ব নোৱাৰে।" আনহাতে, নেহা বৰাই প্ৰতিবাদৰ বাতৰি পৰিৱেশন কৰা সাংবাদিকসকলক আৰক্ষীয়ে আক্ৰমণৰ লক্ষ্য কৰি লোৱা বুলি গুৰুতৰ অভিযোগ তোলে। তেওঁ কয় যে সাংবাদিকসকলৰ পৰিচয় পত্ৰ থকাৰ পিছতো আৰক্ষীয়ে তেওঁলোকক জিম্মাত লৈ কেমেৰা পৰ্যন্ত জব্দ কৰিছে। ইয়াৰ উপৰি এগৰাকী সাংবাদিকক যৌন নিৰ্যাতন চলোৱা বুলিও অভিযোগ উত্থাপন হৈছে। ঘটনা সন্দৰ্ভত এজাহাৰ দাখিল কৰা হৈছে। বৰায়ে কয়, "আৰক্ষীয়ে আইন-শৃংখলা বজাই ৰখাৰ পৰিৱৰ্তে জনসাধাৰণৰ বিৰুদ্ধে বল প্ৰয়োগ কৰে। আমি যি দেখিছো, সেয়া ইয়াৰ মাত্ৰ এটা উদাহৰণহে।" ভাৰতীয় ছাত্ৰ ফেডাৰেশ্বনৰ নেতা ঐশী ঘোষে গণতন্ত্ৰ ৰক্ষাৰ বাবে নাগৰিকসকলক একত্ৰিত হ'বলৈ আহ্বান জনায়। তেওঁ অভিযোগ কৰে যে জ্ঞানেশে সমগ্ৰ দেশতে হোৱা নিৰ্বাচনত বিজেপিক জয়ী হোৱাত সহায় কৰিছে। ঘোষে কয়, "বিজেপিৰ পৰা আমাৰ কোনো আশা নাই। আমাৰ আশা আমাৰ দেশৰ নাগৰিকসকলৰ ওপৰতহে। এতিয়া আমাৰ সকলোৰে বাবে একত্ৰিত হোৱাৰ সময়। আমি সেই জাতিটোক বচাব লাগিব, যাৰ বাবে ভগত সিঙে যুঁজিছিল আৰু গান্ধীজীয়ে ত্যাগ কৰিছিল।" উল্লেখ্য যে এই সংবাদমেলত নিজৰ বক্তব্য প্ৰদানৰ সময়ত নেহা বৰাক এজন সাংবাদিকে বাধা প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত সাংবাদিকজনক সংবাদমেলৰ পৰা আঁতৰাই দিয়া হয়।

## নৱৰাত্ৰিৰ স্কন্দমাতাৰ পূজাৰ দিনত চাহ

ধৰ্মীয় বিশ্বাস অনুসৰি, স্কন্দমাতাৰ প্ৰতিমূৰ্তিত তেওঁ কোলাত শিশু কাৰ্তিকক লৈ সিংহৰ ওপৰত আসীন হৈ থাকে। এই ৰূপত মাতৃত্বৰ সুৰক্ষা, সৰলতা আৰু বিশুদ্ধতাৰ প্ৰতীক হিচাপে দেৱীক শ্ৰদ্ধা কৰা হয়। এনে পবিত্ৰ দিনত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এক বিশেষ পোষ্ট প্ৰকাশ কৰে। তেওঁ স্কন্দমাতাৰ মাতৃত্বৰ প্ৰতীকক অসমৰ নাৰীশক্তিৰ সৈতে ৰিজাই দিয়ে। বিশেষকৈ ৰাজ্যৰ গৰ্ভৱতী চাহ শ্ৰমিকসকলৰ সংগ্ৰাম আৰু ত্যাগৰ প্ৰসংগ তেওঁ উত্থাপন কৰে। অসমৰ চাহ উদ্যোগৰ ইতিহাস দুশ বছৰৰো অধিক পুৰণি। কিন্তু এই দীৰ্ঘ সময়ৰ পিছতো চাহ বাগিচাৰ শ্ৰমিকসকলে বহু মৌলিক অধিকাৰৰ পৰা বঞ্চিত হৈ আহিছে। চৰকাৰ সলনি হৈছে, নীতি-নিয়ম আহিছে-গৈছে; তথাপি চাহ শ্ৰমিকসকলৰ জীৱন-ধাৰণৰ সমস্যা সম্পূৰ্ণৰূপে সমাধান হোৱা নাই। বিশেষকৈ গৰ্ভৱতী মহিলা শ্ৰমিকসকলে অতীতত গৰ্ভত সন্তান লৈও ৰ'দ-বৰষুণত কাম কৰিবলৈ বাধ্য হৈছিল। প্ৰসৱৰ দিনটোলৈকে তেওঁলোকে বাগিচাৰ কাম কৰি গৈছিল। কাৰণ, এদিন কামলৈ অনুপস্থিত থাকিলেই মজুৰি কৰ্তন কৰা হৈছিল। ইয়াৰ ফলত তেওঁলোকৰ হাতত কোনো বিকল্প নাছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ক্ষমতালৈ অহাৰ পিছত অৱশ্যে এই পৰিস্থিতিত কিছু পৰিৱৰ্তন আহে। ৰাজ্য চৰকাৰে গৰ্ভৱতী চাহ শ্ৰমিকসকলৰ কল্যাণৰ বাবে মজুৰি ক্ষতিপূৰণ আঁচনি ৰূপায়ণ কৰে। এই আঁচনিখনৰ জৰিয়তে চাহ বাগিচা অধ্যুষিত অঞ্চলৰ গৰ্ভৱতী মহিলাসকলে পঞ্জীয়নৰ দিনৰ পৰা প্ৰসৱৰ ছয় সপ্তাহলৈকে সুবিধা লাভ কৰে। যোগ্য গৰ্ভৱতী মহিলাই তিনিমাহৰ মূৰে মূৰে চাৰিটা কিস্তিত মুঠ ১৫, ০০০ টকা লাভ কৰে। এই আঁচনিৰ উদ্দেশ্য হৈছে-গৰ্ভৱতী শ্ৰমিকসকলে নিজৰ স্বাস্থ্যৰ লগতে গৰ্ভত থকা সন্তানটোৰো যথাযথ যত্ন ল'ব পৰা যাতে। চৰকাৰী তথ্য অনুসৰি, এই আঁচনিৰ জৰিয়তে এতিয়ালৈকে ১.৩ লাখৰো অধিক মহিলা চাহ শ্ৰমিক উপকৃত হৈছে। ইয়াৰ ফলত প্ৰসূতি মাতৃৰ মৃত্যুৰ হাৰ আগৰ তুলনাত উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে। বিশেষকৈ ডিব্ৰুগড় জিলাৰ চাহ বাগিচা অধ্যুষিত এলেকাত মাতৃ আৰু নৱজাতকৰ মৃত্যুৰ সংখ্যা কমি আহিছে। নিজৰ পোষ্টৰ শেষত মুখ্যমন্ত্ৰী শৰ্মাই কয়, "আমাৰ চাহ বাগিচাৰ মহিলাসকলে অসমক বিশ্বৰ আগত নিজৰ পৰিচয় দিয়াত সহায় কৰিছে। তেওঁলোকৰ মাতৃত্বক সন্মান জনোৱা আমাৰ নৈতিক দায়িত্ব। মা স্কন্দমাতাই প্ৰতিগৰাকী মাতৃ আৰু নৱজাতকক নিজৰ আঁচলত ধৰি ৰাখি সুৰক্ষা প্ৰদান কৰক। জয় মা স্কন্দমাতা।"

## ফাষ্টট্ৰেক আদালতত দ্বিতীয়

অমৃতপ্ৰভা মহন্তই ফাষ্টট্ৰেক আদালতত হাজিৰ হয়। আদালতলৈ অহাৰ সময়ত কৰ্তব্যৰত সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলে দৃশ্যগ্ৰহণ কৰিবলৈ চেষ্টা কৰোঁতে তেওঁৰ আইনী দলে পোনপটীয়াকৈ বাধা প্ৰদান কৰে। অভিযুক্ত গৰাকীক সুৰক্ষা দিয়াৰ অজুহাতত একাংশ কনিষ্ঠ অধিবক্তাই আদালত চৌহদত কেমেৰাৰ সন্মুখত ধমক দিয়া, সংবাদকৰ্মীসকলক অন্য ঠাইলৈ যাবলৈ বাধ্য কৰোৱা আদি অনাকাংক্ষিত কাৰ্যত লিপ্ত হোৱাৰ অভিযোগ উঠিছে। অধিবক্তাসকলৰ এনে আচৰণে আদালত চৌহদত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰে। সংবাদ মাধ্যমৰ মুক্ত কাম-কাজত এনেদৰে বাধা-ধমকি চলোৱাৰ ঘটনাক লৈ সজাগ সমাজ তথা সাংবাদিক সংস্থাসমূহৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। সংবাদকৰ্মীসকলৰ কৰ্তব্য পালনত হস্তক্ষেপ আৰু ধমকিৰ ঘটনাক গুৰুতৰ বুলি বিবেচনা কৰা হৈছে। উল্লেখ্য, জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত চলি থকা আইনী প্ৰক্ৰিয়াৰ মাজতে অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ জামিন আৰু আদালতত হাজিৰাৰ ঘটনাই নতুন চৰ্চাৰ সৃষ্টি কৰিছে। জামিন লাভ কৰিলেও গোচৰৰ পৰৱৰ্তী শুনানি, সাক্ষ্য-প্ৰমাণৰ পৰ্যালোচনা আদি আইনী প্ৰক্ৰিয়া অব্যাহত থাকিব। আনহাতে, আদালত চৌহদত সংবাদ মাধ্যমৰ ওপৰত হোৱা বাধা-ধমকিৰ ঘটনাৰ সত্যতা নিৰূপণ কৰি দোষীসকলৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি সংশ্লিষ্ট মহলে আশা প্ৰকাশ কৰিছে।

## ভাৰতীয়ক হত্যাৰ ভাবুকি দিয়া

তেওঁৰ কৰ্মস্থলীৰ সহকৰ্মীসকলে আৰক্ষীক সতৰ্ক কৰাৰ পিছতে তদন্ত আৰম্ভ হৈছিল। আৰক্ষীৰ মতে, পাপোৰাকিছ ইলিনয়ছৰ পালাটাইন অঞ্চলৰ বাসিন্দা। গ্ৰেপ্তাৰ হোৱাৰ পূৰ্বে তেওঁ আৰ্লিংটন হাইটছৰ এটা টেকো বেল বিপণীত প্ৰায় সাত মাহ ধৰি কাম কৰিছিল। সেই সময়ছোৱাতে তেওঁৰ আচৰণ আৰু কিছুমান বাৰ্তাই সহকৰ্মীসকলৰ মনত সন্দেহৰ সৃষ্টি কৰিছিল। তদন্তকাৰীসকলৰ মতে, পাপোৰাকিছৰ বাৰ্তা আৰু তেওঁৰ ওচৰত থকা কিছুমান সামগ্ৰীৰ পৰা অৰোৰা অঞ্চলৰ এটা হিন্দু মন্দিৰত আক্ৰমণৰ পৰিকল্পনা কৰাৰ ইংগিত পোৱা গৈছিল। সহকৰ্মীসকলে আৰক্ষীক জনোৱা মতে, যুৱকজনে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰিছিল। বিশেষকৈ ভাৰতীয় লোকসকলক লক্ষ্য কৰি তেওঁ বিদ্বেষমূলক কথা কৈছিল। তেওঁৰ সহকৰ্মীসকলে লগতে অভিযোগ কৰে যে পাপোৰাকিছে শ্বেতাংগসকলক শ্ৰেষ্ঠ বুলি গণ্য কৰা মতাদৰ্শ আৰু নাজী চিন্তাধাৰাৰ সমৰ্থন কৰিছিল। তেওঁ সশস্ত্ৰ হিংসাৰ বিষয়েও মুকলিকৈ কথা পাতিছিল। পৰিস্থিতি অধিক ভয়াৱহ হোৱাৰ আশংকা কৰি সহকৰ্মীসকলে আৰক্ষীৰ কাষ চাপে। যোৱা ৰৰ অক্টোবৰত আৰক্ষীয়ে পাপোৰাকিছক গ্ৰেপ্তাৰ কৰে। তেওঁৰ বিৰুদ্ধে সন্ত্ৰাসবাদী ভাবুকি দিয়াৰ লগতে অবৈধভাৱে ৰাইফল ৰখাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, যুৱকজনে আগ্নেয়াস্ত্ৰ, গুলীভৰ্তি মেগাজিন আৰু সামৰিক সা-সঁজুলিৰ ফটো প্ৰচাৰ কৰিছিল। ইয়াৰ উপৰি ভাৰতীয় লোকক হত্যা কৰাৰ ভাবুকি দিয়াৰো অভিযোগ আছে। পৰিকল্পিত আক্ৰমণৰ বাবে নিৰ্ধাৰণ কৰা দেওবাৰৰ দিনটোক তেওঁ বিশেষ দিন বুলি উল্লেখ কৰিছিল বুলি তদন্তকাৰীসকলে জনাইছে। তেওঁৰ ঘৰত তালাচী চলাই আৰক্ষীয়ে এটা পঞ্জীয়নবিহীন এ আৰ-ধৰণৰ ৰাইফল, গুলীভৰ্তি মেগাজিন আৰু শ শ জাঁই গুলী উদ্ধাৰ কৰে। লগতে শৰীৰ সুৰক্ষাৰ কৱচ, যুদ্ধত ব্যৱহাৰ কৰা সা-সঁজুলি আৰু নাজী প্ৰতীক থকা সামগ্ৰীও জব্দ কৰা হয়। বুধবাৰে পাপোৰাকিছক ৰলিং মেড'ছৰ আদালতত হাজিৰ কৰোৱা হয়। আদালতে তেওঁক জামিন অবিহনে কাৰাগাৰত ৰখাৰ নিৰ্দেশ দিয়ে। অহা ৩০ অক্টোবৰত গোচৰটোৰ পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব। ইয়াৰ মাজতে তদন্তকাৰীসকলে তেওঁৰ ডিজিটেল তথ্য-পাতি পৰীক্ষা কৰি আছে। ঘটনাটোক লৈ ভাৰতেও গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে হিন্দুবিদ্বেষ আৰু বৰ্ণবাদৰ ভিত্তিত আক্ৰমণৰ পৰিকল্পনা কৰাৰ অভিযোগ অতি উদ্বেগজনক। মন্ত্ৰালয়ৰ মতে, আমেৰিকাত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ বিৰুদ্ধে বৰ্ণবাদী বিদ্বেষ আৰু ঘৃণাজনিত অপৰাধৰ ঘটনা বৃদ্ধি পোৱাক লৈ চিন্তাৰ কাৰণ আছে। এনে ঘটনাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আমেৰিকাত থকা ভাৰতীয় নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ ভাৰতীয় বিষয়াসকলে আহ্বান জনাইছে।

## ইমৰান খানলৈ ২৮ অক্টোবৰৰ ভিতৰত

পদত্যাগৰ দাবীত আয়োজিত এক ৰাজনৈতিক প্ৰতিবাদী কাৰ্যসূচীত তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিততেই প্ৰশাসনে এই সিদ্ধান্ত ল'বলৈ বাধ্য হৈছে। উল্লেখযোগ্য যে, হিন্দী চলচ্চিত্ৰ জগতৰ পৰিচিত মুখ ইমৰান খান মূলতঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাগৰিক। ভাৰতীয় আইন আৰু প্ৰব্ৰজন নীতি অনুসৰি, যিকোনো বিদেশী নাগৰিকৰ বাবে ভাৰতৰ অভ্যন্তৰীণ ৰাজনৈতিক কন্দল, প্ৰতিবাদ বা সমদলত অংশগ্ৰহণ কৰাত কঠোৰ নিষেধাজ্ঞা আছে। প্ৰাপ্ত তথ্য অনুসৰি, যোৱা ১০ অক্টোবৰত মুম্বাইত মুখ্য নিৰ্বাচনী আয়ুক্তগৰাকীৰ বিৰুদ্ধে অনুষ্ঠিত এক তীব্ৰ প্ৰতিবাদত ইমৰান খানে অংশ লৈছিল। পৰৱৰ্তী সময়ত আৰক্ষীয়ে তেওঁক আটক কৰে। এগৰাকী বিদেশী নাগৰিক হিচাপে এনে কাৰ্যসূচীত অংশ লোৱাটো ভিছা আৰু ইমিগ্ৰেচনৰ নীতি-নিয়মৰ পোনপটীয়া উলংঘন বুলি বিবেচনা কৰা হৈছে। সেয়েহে, ২০২৫ চনৰ 'ইমিগ্ৰেচন এণ্ড ফৰেইনাৰ্ছ এক্ট'ৰ নিৰ্দিষ্ট ধাৰা প্ৰয়োগ কৰি তেওঁৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু তৎকালে কাৰ্যকৰী হোৱাকৈ ভাৰত ত্যাগৰ জাননী প্ৰেৰণ কৰা হৈছে। মুম্বাই আৰক্ষীয়ে প্ৰেৰণ কৰা এই জাননীত স্পষ্টভাৱে সকীয়াই দিয়া হৈছে যে নিৰ্ধাৰিত সময়সীমা অৰ্থাৎ অহা ২৮ অক্টোবৰৰ ভিতৰত অভিনেতাজনে বাধ্যতামূলকভাৱে ভাৰত ত্যাগ কৰিব লাগিব। যদি তেওঁ এই নিৰ্দেশনা পালন কৰাত ব্যৰ্থ হয়, তেন্তে আইন অমান্য কৰাৰ অপৰাধত তেওঁৰ বিৰুদ্ধে পৰৱৰ্তী সময়ত অধিক কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বৰ্তমান এই ঘটনাই সমগ্ৰ দেশজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## চিজেপিৰ ত্ৰিৰংগা পদযাত্ৰাৰ পূৰ্বেই

ৰখাৰ কথা উল্লেখ কৰিছে। উল্লেখযোগ্য যে, শুকুৰবাৰে এই পাৰ্কতে ক'কৰোচ জনতা পাৰ্টিৰ দ্বাৰা 'লহৰা দো ত্ৰিৰংগা' পদযাত্ৰা উলিওৱাৰ কথা ঘোষণা কৰা হৈছিল। এই পদযাত্ৰাৰ মূল দাবীসমূহ হ'ল-মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগ, ভোটাৰ তালিকাৰ পৰা নাম কৰ্তনৰ অভিযোগৰ তদন্ত আৰু নিৰ্বাচন আয়োগৰ জবাবদিহি নিশ্চিত কৰা। ইফালে, পদযাত্ৰা বন্ধ কৰাৰ দাবীৰে দাখিল কৰা আবেদনত হস্তক্ষেপ কৰিবলৈ দিল্লী উচ্চ ন্যায়ালয়ে অস্বীকাৰ কৰিছে। বৃহস্পতিবাৰে আদালতে এই আবেদনৰ শুনানি গ্ৰহণ কৰে। কনৌট প্লেচৰ পালিকা বজাৰৰ পদপথৰ ব্যৱসায়ীসকলে এই আবেদন দাখিল কৰিছিল। ব্যৱসায়ীসকলৰ যুক্তি আছিল যে চেণ্ট্ৰেল পাৰ্ক প্ৰতিবাদৰ বাবে নিৰ্ধাৰিত স্থান নহয়। তেওঁলোকৰ মতে, পদযাত্ৰাৰ সময়ত আৰক্ষীয়ে বেৰিকেড স্থাপন কৰা আৰু নিষেধাজ্ঞা আৰোপ কৰাৰ ফলত ব্যৱসায়ীসকলৰ লগতে পথচাৰীসকলেও সমস্যাৰ সন্মুখীন হ'ব পাৰে। যান-বাহনৰ চলাচলতো প্ৰভাৱ পৰাৰ লগতে ব্যৱসায়িক কাম-কাজত বাধাৰ সৃষ্টি হোৱাৰ আশংকা তেওঁলোকে প্ৰকাশ কৰিছিল। বৃহস্পতিবাৰে এক সংবাদমেলত ক'কৰোচ জনতা পাৰ্টিৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকে কয় যে ত্ৰিৰংগা উত্তোলন কৰাৰ অভিযোগত আশুতোষ আৰু সৌৰভক গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁৰ মতে, ত্ৰিৰংগা উত্তোলন কৰাটো কোনো অপৰাধ নহয়। অভিজিৎ দীপকে শুকুৰবাৰে বিয়লি প্ত বজাত চেণ্ট্ৰেল পাৰ্কত 'লহৰা দো ত্ৰিৰংগা' পদযাত্ৰাৰ আহ্বান জনাইছে। এই পদযাত্ৰাত অংশ ল'বলৈ তেওঁ সকলো ৰাজনৈতিক দল আৰু নাগৰিক সমাজৰ প্ৰতিনিধিসকলকো আহ্বান জনাইছে। ইপিনে, চেণ্ট্ৰেল পাৰ্ক বন্ধ ৰখাৰ সিদ্ধান্তৰ ফলত শুকুৰবাৰৰ এই কাৰ্যসূচী কেনেদৰে আগবাঢ়ে, সেয়া এতিয়া লক্ষণীয় হ'ব।

## SIR গোচৰত নিৰ্বাচন আয়োগলৈ

কুমাৰলৈ জাননী জাৰি কৰিছে। বৃহস্পতিবাৰে ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ জয়মাল্য বাগচীৰ বিচাৰপীঠে এই গোচৰৰ শুনানি গ্ৰহণ কৰি নিৰ্বাচন আয়োগৰ পৰা লিখিত সঁহাৰি তথা স্পষ্টীকৰণ দাবী কৰে। উচ্চতম ন্যায়ালয়ে ৰাহুল গান্ধী আৰু বিৰোধী নেতাসকলে দাখিল কৰা নতুন আবেদনসমূহক ইতিপূৰ্বে দেশৰ বিভিন্ন ৰাজ্যত চলি থকা SIR প্ৰক্ৰিয়াৰ বৈধতাক প্ৰত্যাহ্বান জনাই দাখিল কৰা আন বিচাৰাধীন আবেদনসমূহৰ সৈতে সংযুক্ত কৰি দিছে। শুনানিৰ সময়ত আদালতে কয়, "আমি জাননী জাৰি কৰিছোঁ আৰু ইয়াক ইতিমধ্যে বিচাৰাধীন গোচৰসমূহৰ সৈতে সংযুক্ত কৰিছোঁ। নিৰ্বাচন আয়োগৰ হৈ কোনোবাই এই জাননী গ্ৰহণ কৰক; অন্যথা তেওঁলোকলৈ জাননী প্ৰেৰণ কৰা হওক।" বিৰোধী নেতা ৰাহুল গান্ধী আৰু 'INDIA' মিত্ৰজোঁটৰ নেতাসকলৰ মূল অভিযোগ হৈছে যে সমগ্ৰ দেশতে ত্ৰচত্মৰ নামত কোনো সঠিক তথ্য বা নিয়ম অবিহনেই লাখ লাখ বৈধ ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হৈছে। বিৰোধী দলসমূহে অভিযোগ কৰিছে যে নিৰ্বাচন আয়োগৰ এই ত্ৰুটিপূৰ্ণ প্ৰক্ৰিয়াৰ বাবে বহু প্ৰকৃত নাগৰিকে নিজৰ ভোটাধিকাৰ হেৰুৱাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। ইয়াৰ প্ৰভাৱ আগন্তুক নিৰ্বাচনসমূহৰ ওপৰত পৰিব পাৰে বুলিও তেওঁলোকে আশংকা প্ৰকাশ কৰিছে। উচ্চতম ন্যায়ালয়ৰ এই হস্তক্ষেপে এতিয়া দেশৰ নিৰ্বাচন আয়োগক একপ্ৰকাৰ আইনী চাপৰ মাজলৈ ঠেলি দিছে বুলি ৰাজনৈতিক মহলত তীব্ৰ চৰ্চা চলিছে। ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন আৰু ত্ৰচত্ম প্ৰক্ৰিয়াৰ খেলিমেলিৰ বিৰুদ্ধে ৰাহুল গান্ধী আৰু 'INDIA' মিত্ৰজোঁটে দাখিল কৰা এই গুৰুত্বপূৰ্ণ গোচৰৰ পৰৱৰ্তী শুনানিৰ দিন ২৬ অক্টোবৰ ধাৰ্য কৰা হৈছে। ইপিনে, সৰ্বোচ্চ আদালতে নিৰ্বাচন আয়োগলৈ জাননী জাৰি কৰাৰ লগতে ৰাহুল গান্ধী আৰু অখিলেশ যাদৱ প্ৰমুখ্যে বিৰোধী নেতাসকলক অলপতে কৰা আদালত অভিমুখী মাৰ্চ বা প্ৰতিবাদৰ সন্দৰ্ভত অহা ২৬ অক্টোবৰৰ ভিতৰত নিজৰ স্থিতি আৰু আচৰণ স্পষ্ট কৰিবলৈ নিৰ্দেশ দিছে। আনহাতে, এই গোচৰৰ সৈতে সংলগ্ন দিল্লীৰ নিৰ্দিষ্ট ত্ৰচত্ম আৰু ভোটাৰ বিলোপন সম্পৰ্কীয় আবেদনসমূহৰ শুনানি অহা ২৮ অক্টোবৰ, ২০২৬ তাৰিখে গ্ৰহণ কৰা হ'ব বুলি আদালতে জানিবলৈ দিছে।

## আজি ষষ্ঠী বেল বৰণেৰে বেদীত স্থাপন

আগমন ঘটিছে মহামায়া দশভুজাৰ। কালি বিয়লি অধিবাসৰ যোগেদি দেৱী দুৰ্গাৰ প্ৰাণপ্ৰতিষ্ঠা কৰা হ'ব। ইয়াৰ লগে লগেই আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব পাঁচদিনীয়া সনাতন ধৰ্মীয় উলহ-মালহৰ শৰদীয় দুৰ্গোৎসৱ। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ সৰু-বৰ সকলো চহৰ আৰু গাঁও অঞ্চলত পূজা মণ্ডপসমূহ সজাই তোলা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত এইবাৰো ভিন্ন বৈচিত্ৰ্যময় বিষয়বস্তু (Theme) ভিত্তিক পূজা মণ্ডপ নিৰ্মাণ কৰা হৈছে। পৰম্পৰাগত শ্ৰীমূৰ্তিৰ পৰা আৰম্ভ কৰি দেশ-বিদেশৰ বিখ্যাত প্ৰাসাদ, ঐতিহাসিক স্থান আৰু সামাজিক বাৰ্তামূলক ৰূপত সজাই তোলা হৈছে মণ্ডপসমূহ। নিশাৰ ভাগত ৰঙীন পোহৰেৰে উদ্ভাসিত হৈ পৰা আলোকসজ্জাই আকৰ্ষণৰ মূল কেন্দ্ৰবিন্দু হৈ পৰিছে। পূজা উপলক্ষে ৰাজ্যৰ বজাৰসমূহত দেখিবলৈ পোৱা গৈছে গ্ৰাহকৰ অভূতপূৰ্ব ভীৰ। নতুন কাপোৰ-কানি, পূজাৰ সামগ্ৰী আৰু ঘৰুৱা প্ৰয়োজনীয় বস্তু ক্ৰয় কৰিবলৈ অন্তিম মুহূৰ্ততো বজাৰত জনস্ৰোত বৈছে। ব্যৱসায়ীসকলেও এই পূজাত বিপুল সঁহাৰি লাভ কৰা বুলি প্ৰকাশ কৰিছে। পূজাৰ দিনকেইটাত আইন-শৃংখলা পৰিস্থিতি বজাই ৰখা আৰু যাতায়াত সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে প্ৰশাসনে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে। মহানগৰী গুৱাহাটীৰ লগতে অন্যান্য গুৰুত্বপূৰ্ণ জিলাসমূহত আৰক্ষী আৰু ট্ৰেফিক আৰক্ষীক সজাগ কৰি ৰখা হৈছে। চিচিটিভি কেমেৰাৰ জৰিয়তে মণ্ডলসমূহৰ তদাৰক কৰাৰ উপৰি বিশেষ ট্ৰেফিক নিৰ্দেশনাৱলী (Traffic Advisory) জাৰি কৰা হৈছে যাতে দৰ্শনাৰ্থীসকলে কোনো অসুবিধাৰ মুখামুখি হ'বলগীয়া নহয়। শুভ ষষ্ঠীৰ এই পৱিত্ৰ ক্ষণত দেৱী দুৰ্গাৰ আশীৰ্বাদে সকলোৰে জীৱনলৈ শান্তি, সমৃদ্ধি আৰু একতাৰ বাৰ্তা কঢ়িয়াই আনক -ইয়াৰেই কামনা কৰিছে ৰাজ্যবাসীয়ে।

# ‘প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে সামাজিক আৰু মানসিক স্বাস্থ্য সেৱা’

## যোৰহাটৰ বস্কো ইনষ্টিটিউটত ৫ দিনীয়া প্ৰশিক্ষণ শিবিৰ সম্পন্ন; উত্তৰ-পূৰ্বাঞ্চলৰ ১৫টা সামাজিক সংস্থাৰ অংশগ্ৰহণ

**অসম বাৰ্তা, লীলাবাৰী, ১৫ অক্টোবৰ ঃ** প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত ব্যক্তি, পৰিয়ালৰ মানসিক স্বাস্থ্য আৰু সামাজিক সুস্থিৰতা নিশ্চিত কৰাৰ উদ্দেশ্যে যোৰহাটৰ অগ্ৰণী শৈক্ষিক অনুষ্ঠান বস্কো ইনষ্টিটিউটত ‘প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে সামাজিক সহযোগিতা আৰু মানসিক স্বাস্থ্য সেৱা’ শীৰ্ষক ৫ দিনীয়া প্ৰশিক্ষণ শিবিৰ সফলতাৰে সামৰণি পৰে। ৯ অক্টোবৰৰ পুৱাৰে পৰা ১৩ অক্টোবৰলৈ অনুষ্ঠিত ৫ দিনীয়া প্ৰশিক্ষণটিৰ দুৰ্যোগৰ পূৰ্বে আৰু দুৰ্যোগৰ সময়খিনিত ল’বলগীয়া সাৱধানতাৰ সমান্তৰালকৈ দুৰ্যোগৰ পিছত ক্ষতিগ্ৰস্ত লোকসকলৰ মানসিক, আৱেগিক, সামাজিক আৰু পাৰিবাৰিক প্ৰয়োজনীয়তাৰ বুজ লৈ তেওঁলোকক উপযুক্ত মানসিক আৰু সামাজিক সহযোগিতা আগবঢ়াবলৈ প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মীৰ দক্ষতা বৃদ্ধি কৰাই আছিল মুখ্য উদ্দেশ্য। যোৰহাটৰ আন্তঃসংস্থা পৰিষদ (Inter-Agency Group)ৰ উদ্যোগত আৰু বস্কো ইনষ্টিটিউটৰ ব্যৱস্থাপনাত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত বেঙ্গালোৰস্থিত ‘ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য আৰু স্নায়ু বিজ্ঞান প্ৰতিষ্ঠান’ চমুকৈ ‘NIMHANS’ ৰ ‘মনো-সামাজিক সহযোগিতা আৰু দুৰ্যোগ ব্যৱস্থাপনা’ বিভাগৰ মুৰব্বী অধ্যাপক ড° শুভাশীষ ভদ্ৰ, ‘নৈদানিক মনোবিজ্ঞান’ বিভাগৰ সহযোগী অধ্যাপক ড° অজয় কুমাৰ গোয়েল আৰু শৈক্ষিক প্ৰতিষ্ঠানটিৰ গৱেষক ছাত্ৰী মৰ্যাদা মেধিয়ে প্ৰশিক্ষণ শিবিৰটিত মুখ্য প্ৰশিক্ষক ৰূপে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণটিত অসমৰ বানপীড়িত লোকক সহযোগিতা কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় ১৫টা সামাজিক তথা স্বেচ্ছাসেৱী সন্থাৰ ৩৬ গৰাকী প্ৰতিনিধিয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। North-East Affected Area Development Society (NEADS), Thought to Action, SAVED NGO, Purva Bharati Educational Trust, North Star Club Jonai, Peoples Action for Development (PAD), Rural Volunteers Centre (RVC)-ৰ সমান্তৰালকৈ Socio-Economic Development Organisation (SEDO), NEAID, Jeevan Shiksha Education Trust, Gramya Vikash Mancha, Pro Rural Society, Uriamghat Foundation, CSWS-ৰ লগতে নগাঁও বিশ্ববিদ্যালয় আৰু আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান, তেজপুৰৰ প্ৰতিনিধিসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা অনুষ্ঠানটিত মনো-সামাজিক দৃষ্টিকোণৰ পৰা দুৰ্যোগৰ অৰ্থ, দুৰ্যোগৰ পৰ্যায়, শাৰীৰিক-মানসিক-সামাজিক আৰু অৰ্থনৈতিক প্ৰভাৱ, ক্ষতিগ্ৰস্ত লোকসকলৰ অভিজ্ঞতা আৰু মানসিক চাপৰ স্বাভাৱিক আৰু অস্বাভাৱিক প্ৰতিক্ৰিয়া সম্পৰ্কে আলোচিত হয়। ইয়াৰোপৰি শাৰীৰিক, আৱেগিক, আচৰণগত আৰু সম্পৰ্কীয় প্ৰতিক্ৰিয়া, শোক, মানসিক আঘাত আৰু আৰোগ্য লাভৰ লগতে মনো-সামাজিক প্ৰয়োজনীয়তা মূল্যায়নৰ বিভিন্ন সঁজুলি যেনে- SRQ, WHO-DAS, IES আৰু QOL সম্পৰ্কেও প্ৰশিক্ষকসকলে প্ৰশিক্ষণ প্ৰদান কৰে। উল্লেখ্য যে, বিপদ, বিপদাশংকা, সংবেদনশীলতা আৰু সামৰ্থ্য চিনাক্ত কৰি মনো-সামাজিক ‘Humanitarian, Response and Vulnerability’ (HRV) দৃষ্টিভংগীৰে কাৰ্য কৰা বিষয়ক বিশেষ গুৰুত্ব দিয়া দিয়ে। প্ৰশিক্ষণৰ আন এটা গুৰুত্বপূৰ্ণ বিষয়- দুৰ্যোগৰ সময়ৰ প্ৰাথমিক সহায় (Psychosocial First Aid) সন্দৰ্ভত সবিস্তাৰে প্ৰশিক্ষণটিত আলোচিত হয়। প্ৰণিধানযোগ্য যে, প্ৰতিনিধিসকলক ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে সহানুভূতিশীল হোৱা, সক্ৰিয়ভাৱে শুনা, ইতিবাচক কাম-কাজত জড়িত কৰা, আধ্যাত্মিকতা আৰু বিশ্বাস, যোগাসন আৰু শিথিলকৰণৰ দৰে বিভিন্ন মনো-সামাজিক যত্নৰ কৌশলৰ বিষয়ে ব্যৱহাৰিকভাৱে প্ৰশিক্ষণ দিয়া হয়। সমান্তৰালকৈ পৰিয়ালৰ জীৱন চক্ৰ, ঘটনা-পৰিঘটনা, পৰিয়াল সৰলীকৰণ আৰু যত্নৰ বিভিন্ন পৰিসৰ সম্পৰ্কেও আলোচনা কৰা হয়। বিশেষকৈ শিশুৰ সৈতে কাম কৰাৰ ক্ষেত্ৰত শৈশৱৰ অভিজ্ঞতা, বিভিন্ন বয়সত শিশুৰ আৱেগিক প্ৰতিক্ৰিয়া, শিশুৰ সৈতে কাম কৰাৰ মূল নীতি, আৰোগ্য আৰু আশাৰ বাবে ব্যৱহাৰ কৰিব পৰা মাধ্যম আৰু উপযুক্ত সেৱালৈ প্ৰেৰণ (Referral) আদি বিষয় সামৰি লোৱা হয়। প্ৰশিক্ষণটিত নিৰাপদ বিদ্যালয়ৰ ধাৰণা আৰু ব্যৱহাৰিক প্ৰয়োগ, বৃদ্ধ ব্যক্তি, প্ৰতিবন্ধী ব্যক্তি আৰু LGBTQIA ব্যক্তিসকলৰ প্ৰয়োজনীয়তাৰ লগতে দুৰ্যোগৰ সময়ত পুৰুষ তথা যুৱকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়েও গুৰুত্ব সহকাৰে আলোচনা কৰাৰ লগতে দুৰ্যোগৰ ফলত মহিলা আৰু যুৱতীৰ ওপৰত হোৱা প্ৰভাৱ, বিশেষকৈ ব্যক্তিগত আৰু পাৰিবাৰিক জীৱন, সামাজিক জীৱন তথা শাৰীৰিক আৰু আৱেগিক স্বাস্থ্যৰ ওপৰত পৰা প্ৰভাৱ সন্দৰ্ভত এটা বিশেষ আলোচনা-সত্ৰ অনুষ্ঠিত হয়। মহিলাসকলৰ সৈতে কাম কৰাৰ নীতি, হস্তক্ষেপমূলক কাম আৰু মহিলা উদ্যোগসমূহক শক্তিশালী কৰাৰ উপায়ৰ লগতে শোক, মানসিক আঘাত আৰু আৰোগ্য লাভৰ সন্দৰ্ভতো বিশেষভাৱে আলোচিত হয়। প্ৰশিক্ষণৰ অংশ হিচাপে ঘটনা/পৰিস্থিতিৰ আলোচনা, অভিনয় (Role Play), দলীয় আলোচনা আৰু ব্যৱহাৰিক অনুশীলন অনুষ্ঠিত হয়। যাৰ জৰিয়তে প্ৰতিনিধিসকলে বাস্তৱ দুৰ্যোগ অথবা পৰিস্থিতিত অধিক সংবেদনশীল আৰু ফলপ্ৰসূভাৱে কাম কৰাৰ সুযোগ লাভ কৰে। আনহাতে, দুৰ্যোগৰ সময়ত সামাজিক সংগঠনৰ সক্ৰিয় অংশগ্ৰহণ, যত্নমূলক উদ্যোগ আৰু PRA/PLA (Participatory Learning and Action) পদ্ধতিৰ ব্যৱহাৰ সম্পৰ্কেও প্ৰশিক্ষণ দিয়া হৈছে বুলি বিজ্ঞপ্তিত প্ৰকাশ পাইছে। দুৰ্যোগত ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে কাম কৰা কৰ্মীসকলৰ মাজত দেখা দিয়া মানসিক চাপ আৰু সচেতনতাৰ প্ৰয়োজনীয়তা সন্দৰ্ভতো বিশেষ গুৰুত্ব দি মন-মগজু পৰিচালনা আৰু আত্ম-পৰিচালনাৰ অংশ হিচাপে স্বাস্থ্যকৰ টোপনিৰ অভ্যাস, Grounding Technique, Journaling, Self-care Wellness Checklist/Scale, Tree of Sustenance, সামগ্ৰিক জীৱন-যাপন, আৱেগিক সুস্থতা আৰু Emotional Thermometer আদি ব্যৱহাৰিক কৌশলৰ সৈতে প্ৰতিনিধিসকলক পৰিচয় কৰাই দিয়ে। ৫ দিনীয়া প্ৰশিক্ষণৰ জৰিয়তে দুৰ্যোগত ক্ষতিগ্ৰস্ত ব্যক্তি আৰু পৰিয়ালসমূহৰ প্ৰতি অধিক সংবেদনশীল, মানৱীয়তা আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে সহযোগিতা আগবঢ়াব পৰা এক দক্ষ মানৱ সহযোগী ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত অগ্ৰসৰ হৈছে। উল্লেখযোগ্য যে, প্ৰশিক্ষণটিৰ জ্ঞান আৰু দক্ষতাৰে প্ৰতিনিধিসকলে ভৱিষ্যতে দুৰ্যোগ প্ৰভাৱিত অঞ্চলসমূহত কাৰ্য কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰিব। প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত বস্কো ইনষ্টিটিউটৰ সঞ্চালক ড° জেৰী থমাছ, যোৰহাট IAGৰ বিষয়া পাৰ্থ প্ৰসাদ কলিতাই অতিথি ৰূপে অংশগ্ৰহণ কৰি প্ৰশিক্ষণপ্ৰাপ্ত সামাজিক তথা স্বেচ্ছাসেৱী সংস্থাৰ প্ৰতিনিধিসকলক প্ৰশংসা-পত্ৰ প্ৰদান কৰে।



# কোকৰাঝাৰত এশ কোটি টকা ব্যয় সাপেক্ষ ১১৯ বিঘা ভূমিত আৰ্ট-স্প’ৰ্টছ ষ্টেডিয়াম নিৰ্মাণৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, কোকৰাঝাৰ, ১৫ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলাত ক্ৰীড়া আন্তঃগাঁথনিৰ উন্নয়নৰ লক্ষ্যৰে আজি কোকৰাঝাৰৰ গৌৰাং পাৰ্কৰ ওচৰত এশ কোটি টকা ব্যয় সাপেক্ষ ১১৯ বিঘা ভূমিত আৰ্ট স্প’ৰ্টছ ষ্টেডিয়াম নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। বিটিচি চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ উদ্যোগত নিৰ্মাণ হ’বলগীয়া এই প্ৰকল্পটোৰ আধাৰশিলা বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে স্থাপন কৰে। অনুষ্ঠানটোত ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায় আৰু ৯ নং বনৰগাঁও সমষ্টিৰ এমচিএলএ জুবিৰাজ বসুমতাৰী উপস্থিত থাকে। প্ৰকল্পটোৰ প্ৰদৰ্শিত পৰিকল্পনা অনুসৰি, প্ৰায় ৩৯.৪৩ একৰ ভূমিত এই ক্ৰীড়া প্ৰকল্পটো নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। ইয়াত ফুটবল ষ্টেডিয়াম, ৪০০ মিটাৰ দৈৰ্ঘ্যৰ আঠটা লেনযুক্ত এথলেটিকছ ট্ৰেক, প্ৰশিক্ষণ খেলপথাৰ, লন টেনিছ ক’ৰ্ট, অলিম্পিক মানৰ সাঁতোৰ পুখুৰী, ইনড’ৰ ষ্টেডিয়াম আৰু অন্যান্য ক্ৰীড়া সুবিধা অন্তৰ্ভুক্ত কৰা হৈছে। পৰিকল্পনা অনুসৰি, ফুটবল ষ্টেডিয়ামখনত ১৩, ৫০০ দৰ্শকৰ আসন ক্ষমতা থকাৰ লগতে ইনড’ৰ ষ্টেডিয়ামত একাধিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰাকৈ ব্যৱস্থা থাকিব। এইপ্ৰকল্পটো সম্পূৰ্ণ হ’লে কোকৰাঝাৰ তথা বিটিচি অঞ্চলৰ ক্ৰীড়াবিদসকলৰ বাবে উন্নত প্ৰশিক্ষণ আৰু প্ৰতিযোগিতাৰ সুবিধা সৃষ্টি হোৱাৰ লগতে যুৱ প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি অধিক উৎসাহিত কৰাত সহায়ক হ’ব বুলি আশা কৰা হৈছে।

# অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰত পি.এম. পোষণৰ ৰান্ধনী-সহায়ক সকলক আনুষ্ঠানিকভাৱে চেক আৰু প্ৰশস্তি পত্ৰ প্ৰদান




**অসম বাৰ্তা, লেংটিছিঙা, ১৫ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সুদীৰ্ঘ ২৫ বছৰীয়া নীৰৱচ্ছিন্ন ৰাজহুৱা সেৱা আৰু দেশবাসীৰ প্ৰতি আগবঢ়োৱা সমৰ্পণৰ গৌৰৱোজ্জ্বল ক্ষণক স্মৰণীয় কৰি তুলিবলৈ সমগ্ৰ দেশজুৰি যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ মাহজোৰাকৈ উদযাপিত হৈছে ‘সেৱা সংকল্প অভিযান’। এই ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ অংশস্বৰূপে আজি বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয় চৌহদত এক সভাৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ মূল উদ্দেশ্য আছিল প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত কৰ্মৰত বিদ্যালয়সমূহৰ ৰান্ধনী তথা সহায়ক সকলক চৰকাৰী চেক আৰু প্ৰশস্তি পত্ৰ প্ৰদানেৰে তেওঁলোকক যথাযোগ্য স্বীকৃতি দিয়া। এই উপলক্ষে আয়োজিত সভাখনত সভাপতিত্ব কৰে অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ড° ছিৰখাত হুছেইনে। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সৃজনগ্ৰাম শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৰজিৎ বায়ন। ইয়াৰ উপৰিও সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক ছাহিদা খাতুন, ভৰেন দাস, মৃদুস্মিতা দাস, লনী দাস আৰু সৃজনগ্ৰাম শিক্ষাখণ্ডৰ মুখ্য গাণনিক হাৰাধন সূত্ৰধৰ। সভাৰ মূল কাৰ্যসূচীত খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৰজিৎ বায়ন, চি.আৰ.চি.চি. ড° ছিৰখাত হুছেইন আৰু উপস্থিত শিক্ষক সকলে অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰৰ অধীনস্থ বিভিন্ন বিদ্যালয়ত কৰ্মৰত ৰান্ধনী-সহায়কৰ হাতত আনুষ্ঠানিকভাৱে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰেৰণ কৰা সন্মানজনক প্ৰশস্তি পত্ৰ আৰু চৰকাৰী চেক তুলি দিয়ে। সভাত উপস্থিত অতিথি খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই ৰান্ধনী-সহায়ক সকলৰ ভূমিকাৰ ভূয়সী প্ৰশংসা কৰি কয়— শিক্ষানুষ্ঠানসমূহত কণকণ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিদিনে পুষ্টিকৰ, সুস্বাদু আৰু স্বাস্থ্যসন্মত খাদ্য যোগান ধৰি এইসকল কৰ্মীয়ে নীৰৱে এক বিশাল সামাজিক দায়িত্ব পালন কৰি আহিছে। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক বিকাশৰ সমান্তৰালকৈ নিয়মীয়া উপস্থিতি নিশ্চিত কৰাত তেওঁলোকৰ শ্ৰম আৰু সমৰ্পণ অনস্বীকাৰ্য। আজিৰ এই সভাত অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয়ৰ সকলো ৰান্ধনী আৰু সহায়ক সকলে অংশগ্ৰহণ কৰে। শাৰদীয় উৎসৱৰ আনন্দময় বতৰত তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু নিস্বাৰ্থ সেৱাক এনেদৰে চৰকাৰীভাৱে সন্মান জনোৱাৰ বাবে উপস্থিত সকলো ৰান্ধনী-সহায়কে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা তথা ৰাজ্য চৰকাৰৰ প্ৰতি গভীৰ কৃতজ্ঞতা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# ২৪ নং বাহিনী সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ উদ্যোগত সীমান্তৱৰ্তী অঞ্চলত বিনামূলীয়া পশু চিকিৎসা শিবিৰৰ আয়োজন

**অসম বাৰ্তা, মঙলদৈ, ১৫ অক্টোবৰ ঃ** শ্ৰী এইচ. কে. গুপ্তা, কমাণ্ডেণ্ট, ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ নিৰ্দেশনাত সীমান্তৱৰ্তী অঞ্চলৰ পশুপালকৰ কল্যাণ আৰু পশুধনৰ স্বাস্থ্যৰ উন্নতিৰ উদ্দেশ্যে ২৪ নং বাহিনী, সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ উদ্যোগত নাগৰিক কল্যাণ কাৰ্যসূচীৰ অধীনত বিনামূলীয়া পশু চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে ১৪ অক্টোবৰ ২০২৬ তাৰিখে সীমান্ত চকী পাহাৰপুৰৰ কাৰ্যক্ষেত্ৰৰ অন্তৰ্গত চন্দ্ৰনগৰ গাঁৱত আৰু ১৫ অক্টোবৰ ২০২৬ তাৰিখে সীমান্ত চকী তথা ‘জি’ কোম্পানী, গাইডন চক’ৰ কাৰ্যক্ষেত্ৰৰ অন্তৰ্গত ১ নং কালিপুৰ গাঁৱত পশু চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। ক্ষেত্ৰীয় মুখ্য কাৰ্যালয়, ৰঙিয়াৰ কমাণ্ডেণ্ট (পশু চিকিৎসা) ডাঃ এল. ডি. সিঙৰ নেতৃত্বত অনুষ্ঠিত এই দুয়োটা শিবিৰত মুঠ ৫৮ গৰাকী পশুপালকক উপকৃত কৰা হয় আৰু ২৯৩টা পোহনীয়া পশুৰ স্বাস্থ্য পৰীক্ষা কৰি প্ৰয়োজনীয় চিকিৎসা প্ৰদান কৰা হয়। ইয়াৰ উপৰি পশুপালকসকলক পশুৰ স্বাস্থ্যৰ যত্ন আৰু ৰোগ প্ৰতিৰোধৰ বিষয়ে প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰাৰ লগতে বিনামূলীয়াকৈ পশু চিকিৎসাৰ ঔষধো বিতৰণ কৰা হয়। এই শিবিৰসমূহৰ মূল উদ্দেশ্য হৈছে সীমান্তৱৰ্তী অঞ্চলত পশুধনৰ স্বাস্থ্য সুৰক্ষিত কৰা, পশুপালকসকলক প্ৰয়োজনীয় পশু চিকিৎসা সেৱা প্ৰদান কৰা আৰু গ্ৰাম্য সমাজৰ জীৱন-ধাৰণৰ মান উন্নত কৰা।

# গুৱাহাটীত আৰক্ষীৰ গুলীত দুই চিলনী চোৰ

চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। আৰক্ষী সূত্ৰ অনুসৰি, আজি পুৱা প্ৰায় ৫.৪৫ বজাত কাহিলীপাৰাৰ জনকপুৰত এক শিহৰণকাৰী ঘটনা সংঘটিত হৈছিল। দুচকীয়া বাহনত অহা দুই চিলনী চোৰে প্ৰাতঃভ্ৰমণ কৰি থকা এগৰাকী মহিলাক অনুসৰণ কৰি তেওঁৰ বেগ থপিয়াই নিয়ে। বেগ লৈ পলায়ন কৰাৰ সময়ত তেওঁলোকে মহিলাগৰাকীক কিছু দূৰলৈ চোঁচৰাই নিয়ে, যাৰ ফলত মহিলাগৰাকী গুৰুতৰভাৱে আহত হয়। এই ঘটনা অঞ্চলটোৰ চিচিটিভি কেমেৰাত বন্দী হয়। ঘটনাৰ পিছতে কাহিলীপাৰা আৰক্ষীয়ে অভিযুক্ত দুজনক গ্ৰেপ্তাৰ কৰে। ধৃত দুজনৰ পৰা লুকুৱাই ৰখা চুৰি সামগ্ৰী উদ্ধাৰৰ উদ্দেশ্যে পুৱতি নিশা আৰক্ষীয়ে তেওঁলোকক লৈ খানাপাৰা আৰু পাঞ্জাবাৰীৰ মাজৰ অঞ্চলত অভিযান চলাইছিল। কিন্তু সেই সময়ত অভিযুক্ত দুজনে আৰক্ষীক ঠেলি পলায়নৰ চেষ্টা কৰে। পলায়নৰ চেষ্টা কৰোঁতে আৰক্ষীয়ে তেওঁলোকৰ ভৰি লক্ষ্য কৰি গুলীচালনা কৰে। ইয়াৰ ফলত দুয়ো অভিযুক্ত আঘাতপ্ৰাপ্ত হয়। গুলীবিদ্ধ অভিযুক্ত দুজন হৈছে প্ৰশান্ত বড়া (২০) আৰু ৰাহুল দাস ((২৫))। প্ৰশান্ত বড়াৰ ঘৰ টংলাত আৰু ৰাহুল দাসৰ ঘৰ শুৱালকুছিত। দুয়োকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। এই সন্দৰ্ভত জি এম চি এইচৰ অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, “পুৱতি নিশা ২.৫২ বজাত জৰুৰীকালীন বিভাগত ৰাহুল দাস আৰু প্ৰশান্ত বড়োক ভৰ্তি কৰোৱা হৈছিল। প্ৰশান্ত বড়াৰ বাওঁ ভৰিৰ আঁঠুৰ তলত গুলী লাগি ওলাই গৈছে। ৰাহুল দাসৰ সোঁ ভৰিত গুলী লাগিছে; গুলীটো সোমাই ওলাই গৈছে।” তেওঁ আৰু জনায় যে এই ঘটনাৰ সৈতে সংঘটিত সংঘাতত আহত দুজন আৰক্ষী কৰ্মীকো জি এম চি এইচত ভৰ্তি কৰোৱা হৈছে। আৰক্ষীয়ে জনোৱা অনুসৰি, গুলীবিদ্ধ দুই অভিযুক্তই গুৱাহাটীত দীৰ্ঘদিন ধৰি চিলনী চুৰিৰ জৰিয়তে ত্ৰাসৰ সৃষ্টি কৰি আহিছিল। তেওঁলোকৰ বিৰুদ্ধে কেইবাখনো থানাত গোচৰ ৰুজু হৈ আছে।

# এছিয়ান গেমছত পদক জয়ী ভাৰতীয় দলক

প্ৰতিচ্ছবি। তেওঁ মন্তব্য কৰে যে এতিয়া ভাৰতে এনে কিছুমান খেলতো পদক জয় কৰিবলৈ সক্ষম হৈছে, যিবোৰত ইয়াৰ পূৰ্বে এছিয়ান গেমছৰ ইতিহাসত দেশখনে কেতিয়াও পদক লাভ কৰা নাছিল। নতুন দিল্লীৰ মেজৰ ধ্যান চান্দ ষ্টেডিয়ামত অনুষ্ঠিত এই সম্বৰ্ধনা অনুষ্ঠানত ভাৰতীয় পুৰুষ আৰু মহিলা হকী দলৰ লগতে ক্ৰিকেট দলৰ খেলুৱৈসকলেও অংশগ্ৰহণ কৰে। এছিয়ান গেমছত সোণৰ পদক জয় কৰা দলসমূহে নিজৰ খেলুৱৈসকলৰ স্বাক্ষৰ থকা জাৰ্চি প্ৰধানমন্ত্ৰী মোদীক উপহাৰ দিয়ে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে মহিলা হকী দলৰ সাফল্যৰ কথা বিশেষভাৱে উল্লেখ কৰে। এছিয়ান গেমছত সোণৰ পদক জয় কৰি এই দলটোৱে ৪৪ বছৰৰ অপেক্ষাৰ অন্ত পেলাইছে বুলি তেওঁ স্মৰণ কৰে। তেওঁ কয় যে কোনো সপোন বা লক্ষ্য এদিনতে পূৰণ নহয়; ইয়াৰ বাবে দীৰ্ঘদিনীয়া প্ৰস্তুতি, ধৈৰ্য আৰু নিৰন্তৰ পৰিশ্ৰমৰ প্ৰয়োজন। মহিলা হকী দলৰ সাফল্যৰ আঁৰতো এই একেই মানসিকতা আৰু একাগ্ৰতা থকা বুলি তেওঁ মন্তব্য কৰে। ভাৰতীয় খেলুৱৈসকলৰ সাফল্যৰ আঁৰত চৰকাৰ আৰু দেশৰ সমৰ্থনৰ কথাও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁৰ মতে, বিগত ১০-১২ বছৰত ক্ৰীড়াৰ ক্ষেত্ৰত ধাৰাবাহিকভাৱে কাম কৰা হৈছে। ইয়াৰ ফলত এতিয়া খেলুৱৈসকলে নিজৰ লক্ষ্যত উপনীত হোৱাৰ যাত্ৰাত দেশ কাষত থকাৰ বিশ্বাস লাভ কৰিছে। এই বিশ্বাসে তেওঁলোকক আৰু অধিক আত্মবিশ্বাসৰ সৈতে আগবাঢ়িবলৈ সহায় কৰিছে।

# ‘নিচামুক্ত ভাৰত’ৰ লক্ষ্যৰে ড্ৰাগছ নেটৱৰ্ক

সামগ্ৰীৰ ব্যৱসায়ৰ সৈতে জড়িত চক্ৰসমূহৰ ওপৰত তীব্ৰ চাপ সৃষ্টি কৰিছে বুলি তেওঁ উল্লেখ কৰে। বৃহস্পতিবাৰে সামাজিক মাধ্যমত এক পোষ্টৰ জৰিয়তে অমিত শ্বাহে জনায় যে অসম আৰক্ষীৰ অভিযানত এতিয়ালৈকে ৯৪৫জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। এই সন্দৰ্ভত মুঠ ৫৪৭টা গোচৰ ৰুজু কৰা হৈছে। অভিযানত জব্দ কৰা নিচাজাতীয় সামগ্ৰীৰ মূল্য ১৮২ কোটি টকাতকৈও অধিক। আৰক্ষীৰ অভিযান কেৱল নিচাজাতীয় সামগ্ৰী জব্দ কৰাতে সীমাবদ্ধ থকা নাই। ড্ৰাগছ বিক্ৰীৰ সৈতে জড়িত ৭০৩টা স্থানতো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি সৰবৰাহকাৰীৰ প্ৰায় ৩১ কোটি টকাৰ সম্পত্তি বাজেয়াপ্ত কৰাৰ প্ৰক্ৰিয়া চলি আছে। দেশক নিচামুক্ত কৰাৰ লক্ষ্যৰে ড্ৰাগছৰ বিৰুদ্ধে যুঁজ অধিক শক্তিশালী কৰাৰ কথা অমিত শ্বাহে পুনৰ দোহাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ‘নিচামুক্ত ভাৰত’ লক্ষ্যৰ কথা উল্লেখ কৰি তেওঁ কয় যে ২০২৬-২৯ বৰ্ষৰ বাবে প্ৰস্তুত কৰা ড্ৰাগছ নিয়ন্ত্ৰণৰ পৰিকল্পনাই দেশৰ পৰা নিচাজাতীয় সামগ্ৰীৰ অবৈধ ব্যৱসায়ৰ নেটৱৰ্ক উৎখাত কৰাৰ সংকল্প প্ৰকাশ কৰিছে। ড্ৰাগছ সৰবৰাহকাৰীৰ আৰ্থিক উৎসসমূহত আঘাত হানাৰ লগতে যুৱ প্ৰজন্মক নিচাৰ পৰা আঁতৰাই ৰখাটো চৰকাৰৰ অন্যতম লক্ষ্য বুলি তেওঁ স্পষ্ট কৰি দিয়ে। এই ক্ষেত্ৰত কোনোধৰণৰ শিথিলতা প্ৰদৰ্শন কৰা নহ’ব বুলিও কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে দৃঢ়ভাৱে মন্তব্য কৰে।

## নৃত্য-গীত, সাংস্কৃতিক অনুষ্ঠান আৰু চিনাকি পৰ্বৰ মাজেৰে মুখৰিত বিদ্যালয়ৰ চৌহদ

# মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰথমবাৰৰ বাবে নৱাগত আদৰণি সভা

**অসম বাৰ্তা, মৈৰাবাৰী, ১৫ অক্টোবৰ ঃ** নতুন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মাজত সম্প্ৰীতিৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যেৰে মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয় ২০২৭ বৰ্ষৰ নৱাগত আদৰণি সভা। এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত এই অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা দেখা যায়। নৱাগত ছাত্ৰ ছাত্ৰী সকলক উষ্ম আদৰণি জনোৱাৰ উদ্দেশ্যে আয়োজন কৰা এই ব্যতিক্ৰমী অনুষ্ঠানটোৱে বিদ্যালয়ৰ চৌহদত এক আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত অনুষ্ঠানটোৰ আৰম্ভণিতে মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত সভাপতিত্ব কৰে পৰিচালনা কমিটিৰ সভাপতি হুছেইন মহম্মদ এহিয়াই। মুকলি সভাটোৰ উদ্দেশ্য ব্যাখ্যা কৰে স্নাতকোত্তৰ শিক্ষক তাৰিকুল ইছলামে। ইছলামে উদ্দেশ্য ব্যাখ্যাত বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰিজাউল ইছলাম চৌধুৰীৰ শলাগ লয়। বৰথল দলৈগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ইব্ৰাহিম আলী, অৱসৰপ্ৰাপ্ত শিক্ষক কমৰুল ইছলামেও নৱাগতসকলক উদ্দেশ্যি তত্ত্ব গধুৰ বক্তব্য আগবঢ়ায়। মুকলি সভাৰ পিছতেই ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্যকে ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। অনুষ্ঠানটোৰ অন্যতম আকৰ্ষণ আছিল ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ চিনাকি পৰ্ব। এই পৰ্বৰ জৰিয়তে নৱাগত শিক্ষাৰ্থীসকলে বিদ্যালয়খনৰ জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে পৰিচিত হোৱাৰ লগতে নতুন পৰিৱেশত নিজকে খাপ খুৱাই লোৱাৰ এক সুন্দৰ সুযোগ লাভ কৰে। বিশেষকৈ বিদ্যালয় জীৱনৰ নতুন অধ্যায়ত প্ৰৱেশ কৰা শিক্ষাৰ্থীসকলৰ বাবে এই আদৰণি সভাই এক স্মৰণীয় অভিজ্ঞতা কঢ়িয়াই আনে। অনুষ্ঠানৰ অন্তিম পৰ্যায়ত আমন্ত্ৰিত কণ্ঠশিল্পীৰ সংগীত পৰিৱেশনে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক আপ্লুত কৰে। সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচী পৰিচালনা কৰে সহকাৰী শিক্ষকদ্বয় আজহাৰ উদ্দিন আহমেদ আৰু ইকবাল হুছেইনে। আনন্দ-উল্লাস, গীত-নৃত্য আৰু সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশৰ মাজেৰে দিনজোৰা কাৰ্যসূচীৰ সামৰণি পৰে। উল্লেখযোগ্য যে ২০২২ চনত মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰাৰ পিছত মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এইবাৰেই প্ৰথমবাৰৰ বাবে নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ ইতিহাসত এক নতুন সংযোজন হিচাপে বিবেচিত এই পদক্ষেপে শিক্ষাৰ্থীসকলৰ মাজত নতুন উদ্যম সৃষ্টি কৰাৰ লগতে বিদ্যালয়খনৰ শৈক্ষিক আৰু সাংস্কৃতিক পৰিৱেশক অধিক সমৃদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# ৰাজ্যৰ ৫.৪২ লাখ শিক্ষাৰ্থীলৈ ৫৮.৫৯ কোটি

বিত্তীয় সাহায্য আনুষ্ঠানিকভাৱে মুকলি কৰে। এই আঁচনিদ্বয়ৰ অধীনত ৰাজ্যৰ মুঠ ৫.৪২ লাখ ছাত্ৰ-ছাত্ৰীৰ বেংক একাউণ্টত প্ৰায় ৫৮.৫৯ কোটি টকা পোনপটীয়াকৈ হস্তান্তৰ কৰা হ’ব। ইয়াৰ ভিতৰত ‘নিযুত মইনা’ আঁচনিৰ অধীনত ৰাজ্যৰ ৪, ৩৯, ৫৯৮ গৰাকী ছাত্ৰীৰ একাউণ্টত ৪৮.২২ কোটি টকা জমা কৰা হ’ব। মুখ্যমন্ত্ৰী গৰাকীয়ে এই অনুষ্ঠানতে আগন্তুক বৰ্ষত ‘নিযুত মইনা’ আঁচনি সম্প্ৰসাৰণৰ পৰিকল্পনা ঘোষণা কৰে। তেওঁ জানিবলৈ দিয়ে যে অহা বছৰৰ পৰা এ.এন.এম., জি.এন.এম. আৰু বি.এছ.চি. নাৰ্ছিং পাঠ্যক্ৰম পঢ়ি থকা ছাত্ৰীসকলেও এই আঁচনিৰ সুবিধা লাভ কৰিব। লগতে, আউনিআটী, কৃষ্ণগুৰু আধ্যাত্মিক, শংকৰদেৱ আৰু প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়কো এই আঁচনিত সামৰি লোৱাৰ কথা মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। ‘নিজুত মইনা’ আঁচনিৰ চেক বিতৰণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই আৰ্থিক সহায়ে বহু ছাত্ৰ-ছাত্ৰীৰ সপোন পূৰণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ সুবিধা লাভ কৰাৰ লগতে ৰাজ্যত বাল্য বিবাহৰ হাৰো হ্ৰাস পাইছে। কেৱল ‘নিজুত মইনা’ আঁচনিয়েই নহয়, ‘নিজুত বাবু’ আঁচনিৰ বিত্তীয় সাহায্যৰ পৰিমাণো ৪৯ হাজাৰৰ পৰা ৰ লাখ ২০০ টকালৈ বৃদ্ধি কৰা হৈছে। এই পদক্ষেপে ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ শিক্ষা গ্ৰহণত অধিক সহায়তা আগবঢ়াব বুলি চৰকাৰে আশা প্ৰকাশ কৰিছে।

# গৌৰীপুৰ প্ৰতাপ চন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নিযুত মইনা আঁচনিৰ চেক বিতৰণ

**অসম বাৰ্তা, গৌৰীপুৰ, ১৫ অক্টোবৰ ঃ** ৰাজ্যৰ ছাত্ৰীসকলক উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত উৎসাহিত কৰা আৰু আৰ্থিক বাধা হ্ৰাস কৰাৰ লক্ষ্যৰে অসম চৰকাৰে ৰূপায়ণ কৰা মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ অধীনত আজি ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰা হয়। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ধুবুৰী জিলাৰ গৌৰীপুৰস্থিত প্ৰতাপ চন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো ছাত্ৰীসকলৰ মাজত চেক বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়খনত অনুষ্ঠিত হোৱা অনুষ্ঠানত উপস্থিত থাকে গৌৰীপুৰ পৌৰসভাৰ সভানেত্ৰী জয়া বিশ্বাস, বিশিষ্ট শিক্ষাবিদ ছোহৰাব আলী, গৌৰীপুৰৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া পবিত্ৰ হাজোৱাৰী আৰু গৌৰীপুৰ আৰক্ষী থানাৰ থানা পৰ্যায়ৰ সমিতিৰ সভাপতি পিনাকী দত্তৰ লগতে অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট সমাজকৰ্মী উপস্থিত থাকে। ইয়াৰ উপৰি বিদ্যালয়খনৰ অধ্যক্ষ মেহেবুব হোছেইন, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকলেও অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাৰ্চুৱেল মাধ্যমযোগে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে আগবঢ়োৱা বক্তব্যই ছাত্ৰীসকলক উচ্চ শিক্ষা গ্ৰহণৰ বাবে উৎসাহিত কৰে। আনহাতে, উপস্থিত বিশিষ্ট অতিথিসকলৰ প্ৰেৰণাদায়ক বক্তব্যই ছাত্ৰীসকলৰ মাজত আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে ভৱিষ্যতে শিক্ষাৰ জৰিয়তে নিজকে প্ৰতিষ্ঠা কৰি স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগায়। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি কেৱল আৰ্থিক সাহায্য প্ৰদানৰ আঁচনিয়েই নহয়, ই ৰাজ্যৰ ছাত্ৰীসকলক উচ্চ শিক্ষা গ্ৰহণৰ বাবে উৎসাহিত কৰা, শিক্ষাৰ ক্ষেত্ৰত আৰ্থিক বাধা হ্ৰাস কৰা আৰু নাৰী শিক্ষাৰ প্ৰসাৰৰ জৰিয়তে ছাত্ৰীসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। বিদ্যালয়খনৰ অধ্যক্ষ মেহেবুব হোছেইনে জানিবলৈ দিয়া মতে, প্ৰতাপ চন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুঠ ১৫৫ গৰাকী ছাত্ৰীক নিযুত মইনা আঁচনিৰ অধীনত চেক প্ৰদান কৰা হয়। অনুষ্ঠানৰ সামৰণিত উপস্থিত সন্মানীয় অতিথিসকলৰ উপস্থিতি আৰু প্ৰেৰণাদায়ক বক্তব্যৰ প্ৰদান কৰাৰ বাবে বিদ্যালয়খনৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ মেহেবুব হোছেইনে সকলোৰে প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি সভা ভংগ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম’বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ’ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন